www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

❒ষষ্ঠ বছৰ ❒সংখ্যা - ২৬৬ ❒ শুকুৰবাৰ ❒২৬ ডিচেম্বৰ, ২০২৫ চন ❒১০ পুহ, ১৯৪৭ শক ❒VOL - 6 ❒NO.- 266 ❒Friday ❒26th December, 2025 ❒মূল্য ঃ ১০.০০ টকা ❒মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সুযোগবোৰ কঠিন কাৰ্যৰ ৰূপ ধৰিহে দেখা দিয়ে। সেয়েহে এলেহুৱা লোকে সুযোগ বৰকৈ হেৰুৱাই। – টমাচ আলভা এডিচন।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ বৰদিন উপলক্ষে মাজুলীৰ গীৰ্জাত কেৰলৰ ধ্বনিৰে উখল-মাখল পৰিৱেশ ❒

# সত্ৰীয়া সংস্কৃতিৰ পীঠস্থানত খ্ৰীষ্টানৰ আগ্ৰাসন

## বিজতৰীয়া সংস্কৃতি, পাশ্চাত্যৰ পৰা অহা সংস্কৃতিক আৰু বাঢ়িবলৈ দিয়া নহ'ব ঃ বলেন বৈশ্য



**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ডিচেম্বৰ ঃ** খ্ৰীষ্টান মিছনেৰীসকলৰ উদ্দেশ্যই হৈছে সমগ্ৰ ভাৰতভূমিত বিশেষকৈ অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰা। স্বাধীনতাৰ পিছৰ পৰাই বৰ অসমক খণ্ড খণ্ড কৰি ৭খন ৰাজ্যত বিভক্ত কৰা হ'ল। সেই সুযোগতে খ্ৰীষ্টান মিছনেৰীসকলে চুবুৰীয়া জনজাতীয় ৰাজ্য কেইখনত ইংৰাজী ভাষা আৰু খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিলে। সেই দৰে চুবুৰীয়া ৰাজ্য কেইখনৰ পৰা অসমৰ খাটি খোৰা জনজাতীয় লোকসকলক লক্ষ্য কৰি খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ জাল তৈয়াৰ কৰি আহিছে। বাদপৰি নাথাকিল বৈষ্ণৱ সংস্কৃতিৰ পীঠ স্বৰূপ নদীদ্বীপ ⏩৬ পৃষ্ঠাত



অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা

## প্ৰতিখন জিলাতে চিনাক্তকৰণ আৰু বহিষ্কাৰৰ নিৰ্দেশ

**অসম বাৰ্তা, গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে ঘোষণা কৰে যে ৰাজ্যৰ প্ৰতিখন জিলাকে ⏩৬ পৃষ্ঠাত

স্বায়ত্ত্ব শাসিত পৰিষদ আৰু জনজাতি মৰ্যাদাৰ দাবীত তীব্ৰ প্ৰতিবাদ

## চিলাপথাৰত নাথ যোগী সমাজৰ বিশাল জোঁৰ সমদল

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** অসমৰ নাথ যোগী সমাজৰ দীৰ্ঘদিনীয়া দাবীসমূহ পূৰণৰ দিশত মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ আহ্বান জনাই ধেমাজি ⏩৬ পৃষ্ঠাত

অবৈধ আৰু অনিয়ন্ত্ৰিত খনন কাৰ্যকলাপ ৰোধৰ বাবে কঠোৰ সিদ্ধান্ত

## আৰৱল্লী পৰ্বতমালাত নতুন খননৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা জাৰি কেন্দ্ৰীয় চৰকাৰৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** দীৰ্ঘদিনীয়া বিতৰ্ক আৰু পৰিৱেশবিদসকলৰ তীব্ৰ প্ৰতিবাদৰ অন্তত আৰৱল্লী পৰ্বতমালাৰ সুৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে কেন্দ্ৰীয় চৰকাৰে। সমগ্ৰ আৰৱল্লী ৰেঞ্জত কোনো নতুন খনন লাইচেন্স বা ইজাৰা প্ৰদান কৰা নহ'ব বুলি ঘোষণা কৰিছে কেন্দ্ৰীয় পৰিৱেশ, বন ⏩৬ পৃষ্ঠাত

পৰকীয়া সম্পৰ্কৰ কথা পত্নীক জনাই দিয়াৰ দোষত চালকক ভৰি চেলেকিবলৈ বাধ্য কৰাইছিল সমীৰণ বৰুৱাই

## যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ কনিষ্ঠ বিষয়া সমীৰণ বৰুৱাৰ বিৰুদ্ধে বিভাগীয় তদন্ত ঘোষণা



**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ২৫ ডিচেম্বৰ ঃ** যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ (জেডিএ) কনিষ্ঠ বিষয়া সমীৰণ বৰুৱাৰ বিৰুদ্ধে অৱশেষত বিভাগীয় তদন্তৰ নিৰ্দেশ দিছে যোৰহাট জিলা আয়ুক্তই। পৰকীয়া সম্পৰ্কত লিপ্ত হৈ পত্নী আৰু সন্তানক নিৰ্যাতন চলোৱাৰ লগতে নিজৰ ব্যক্তিগত গাড়ীচালকক ⏩৬ পৃষ্ঠাত

## গোৱালপাৰা জিলাৰ কৃষ্ণাই খামাৰীত হাতী-মানুহৰ সংঘাত; দুজন নিহত

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৫ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাত ভয়াবহ ৰূপত বাঢ়ি অহা হাতী মানুহৰ কৰুণ পৰিণতিত আজি কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত অসম মেঘালয় সীমান্তৰ খামাৰী গাঁৱত বন্যহস্তীৰ আক্ৰমণত দুগৰাকী ব্যক্তিয়ে মৃত্যুক সাবটি লব লগা হয়। পৱিত্ৰ বৰদিনৰ শুভক্ষণত কৃষ্ণাই ⏩৬ পৃষ্ঠাত

## বৰদিনৰ সাজ-সজ্জা নষ্ট কৰাৰ অভিযোগত বিশ্ব হিন্দু পৰিষদৰ চাৰি নেতাক বেলশৰ আৰক্ষীৰ গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ২৫ ডিচেম্বৰ ঃ** বৰদিনৰ প্ৰাক্কালে নলবাৰী জিলাৰ বিভিন্ন স্থানত খ্ৰীষ্টমাছৰ সামগ্ৰী ⏩৬ পৃষ্ঠাত

❒ 'ৰাষ্ট্ৰীয় প্ৰেৰণাস্থলী' নামৰ ৰাষ্ট্ৰীয় স্মৃতিসৌধ আৰু কমপ্লেক্স উদ্বোধন ❒

## ১০১ সংখ্যক জন্মজয়ন্তীত দেশজুৰি শ্ৰদ্ধাঞ্জলি অটল বিহাৰী বাজপেয়ীক



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা ভাৰতৰত্ন বঁটা বিজয়ী অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জন্মজয়ন্তী বৃহস্পতিবাৰে সমগ্ৰ দেশতে উৎসাহেৰে পালন ⏩৭ পৃষ্ঠাত

জব্দ বহু আপত্তিজনক সামগ্ৰী

## লাহৰীঘাটত দুই দুধৰ্ষ ছাইবাৰ অপৰাধী গ্ৰেপ্তাৰ

৯ লাখ ভুৱা তথ্যৰে লুণ্ঠন

**অসম বাৰ্তা, ভূৰাগাঁও, ২৫ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই দুই দুধৰ্ষ ছাইবাৰ অপৰাধী গ্ৰেপ্তাৰ কৰাৰ ⏩৬ পৃষ্ঠাত

"বেদখলমুক্তক সমৰ্থন কৰো, কিন্তু চিইএমৰ ঘৰত অগ্নিসংযোগ সমৰ্থন নকৰো"

## চৰকাৰে খেৰণিৰ অনশনকাৰীসকলক আস্থাত নল'লে, আলোচনা নকৰিলে ঃ আদিত্য খাকলাৰী

কাৰ্বি আংলংৰ চৰকাৰী ভূমি খালি কৰিবলৈ দাবী উত্থাপন কৰা দল-সংগঠনৰ সৈতে চৰকাৰে বহি আলোচনা কৰি বিষয়টো মীমাংসা কৰিব লাগে



**অসম বাৰ্মা, ৰূপহীহাট, ২৫ ডিচেম্বৰ ঃ** কাৰ্বি আংলঙৰ হিংসাজৰ্জৰ সমস্যাক লৈ আজি এক সংবাদমেল পাতি সোচ্ছাৰ হৈ পৰে ট্ৰাইবেল সংঘৰ প্ৰধান সম্পাদক আদিত্য খাকলাৰী। সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান ও CCTAৰ মুখ্য সমন্বয়ক আদিত্য ⏩৭ পৃষ্ঠাত

পেঙেৰীৰ আৰক্ষীৰ জালত দুই প্ৰৱঞ্চক

## সাৱধান, বন্ধন বেংকত চলিছে ভয়ংকৰ জালিয়াতিৰ ঘটনা

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৫ ডিচেম্বৰ ঃ** বন্ধন বেংকৰ তিনিচুকীয়া শাখাৰ এজন কৰ্মচাৰী জালিয়াতিৰ গোচৰত গ্ৰেপ্তাৰ হৈছে আৰু আন ⏩৬ পৃষ্ঠাত

'২৬ৰ বিধানসভা নিৰ্বাচনক লৈ অগপ নেতাৰ গুৰুত্বপূৰ্ণ মন্তব্য

## কোনে ক'ৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব সেয়া নিৰ্ভৰ কৰিব দলৰ শক্তি আৰু প্ৰাৰ্থীৰ জয়ৰ সম্ভাৱনাৰ ওপৰত ঃ ফণীভূষণ চৌধুৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত চৰ্চা তীব্ৰতৰ হৈছে। এই পৰিপ্ৰেক্ষিতত বৃহস্পতিবাৰে ⏩৬ পৃষ্ঠাত



১৪ গৰাকী বিষয়াক বদলি

## ৰাজ্যত প্ৰশাসনিক বিভাগত ব্যাপক ৰদবদল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** অসম চৰকাৰে জনসেৱাৰ স্বাৰ্থত ৰাজ্যৰ প্ৰশাসনিক বিভাগত ব্যাপক ৰদবদল ⏩৬ পৃষ্ঠাত

▪ আগন্তুক সংসদীয় নিৰ্বাচনত বিএনপিৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী ▪

## ১৭ বছৰীয়া নিৰ্বাসনৰ অন্ত পেলাই স্বদেশলৈ প্ৰত্যাৱৰ্তন তাৰেক ৰহমানৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** দীৰ্ঘ ১৭ বছৰীয়া স্ব-আৰোপিত নিৰ্বাসনৰ অন্ত পেলাই বাংলাদেশ জাতীয়তাবাদী দল (বি এন পি)ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তাৰেক ৰহমান আজি স্বদেশলৈ উভতি আহিছে। প্ৰাক্তন ৰাষ্ট্ৰপতি জিয়াউৰ ৰহমান আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়াৰ জ্যেষ্ঠ পুত্ৰ তাৰেক ৰহমানে লণ্ডনৰ পৰা ঢাকালৈ যাত্ৰা কৰি হযৰত শাহজালাল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰে। তেওঁৰ এই প্ৰত্যাৱৰ্তনে বাংলাদেশৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তেজনাৰ ⏩৬ পৃষ্ঠাত



## নলবাৰীতবৰদিনৰ সজ্জা ভাঙি জুই লগালে বজৰং দলৰ সদস্যই

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** বৰদিনৰ প্ৰাকক্ষণত অসমৰ নলবাৰী জিলাত সংঘটিত এক হিংসাত্মক ঘটনাই ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বুধবাৰে বিশ্ব হিন্দু পৰিষদ (ভিএইচপি) ⏩৭ পৃষ্ঠাত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** কৰ্ণাটকৰ চিত্ৰদুৰ্গ জিলাৰ হিৰিয়ুৰ তালুকত আজি পুৱতি নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এখন লা'ৰী স্লীপাৰ বাছত জুই লাগি অন্ততঃ ১২গৰাকী যাত্ৰী জীৱন্তে দগ্ধ হৈ মৃত্যুমুখত পৰিছে। বাছখনত আবদ্ধ হৈ থকা যাত্ৰীসকলৰ বহুতৰে মৃত্যু হোৱাৰ আশংকা কৰা হৈছে ⏩৭ পৃষ্ঠাত

## কৰ্ণাটকত ভয়ংকৰ পথ দুৰ্ঘটনা; বাছত জুই লাগি ১২গৰাকী যাত্ৰীৰ মৃত্যু

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

মাতৃ সমাজে নামঘৰ ধৰি ৰাখিছে ঃ পদুম ৰাজখোৱা

# নগাঁও শাখা লেখিকা সংস্থাৰ উদ্যোগত ছখনকৈ গ্ৰন্থ উন্মোচন



**অসম বাৰ্তা, বড়মপুৰ, ২৫ ডিচেম্বৰ ঃ** 'অসম লেখিকা সংস্থা'ৰ অন্তৰ্গত নগাঁও শাখা লেখিকা সংস্থাৰ উদ্যোগত ২২ ডিচেম্বৰৰ বিয়লি নগাঁও চহৰৰ আমোলাপট্টিস্থিত নগাঁও নাট্য মন্দিৰ সভাগৃহত ছখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। মামণি ভট্টাচাৰ্যৰ মঙ্গলাচৰণৰে আৰম্ভ হোৱা গ্ৰন্থ উন্মোচনী সভাখন সঞ্চালনা কৰে সংস্থাৰ নগাঁও শাখাৰ সভানেত্ৰী লীনা সন্দিকৈয়ে। সভাত সুবৰ্ণ গোস্বামীৰ 'কেইগৰাকীমান খ্যাতিমান নগঞা সাহিত্যিক', পূৰবী চক্ৰৱৰ্তী সূত-উজ্জ্বলজ্যোতি দাসৰ সম্পাদনা গ্ৰন্থ 'শিখাৰ দৰে জ্বলি আছা তুমি', ৰূপা শইকীয়াৰ 'ভগৱান বিষ্ণু আৰু কৌলিক', লীনা সন্দিকৈৰ 'মৌপিয়া চৰাইৰ মিঠা মাত' পূৰবী চক্ৰৱৰ্তী সূতৰ 'শিয়ালী পেহীৰ বিয়া' আৰু অৰুণিমা ভড়ালীৰ 'ভিন্ন চিন্তা ভিন্ন সুৰ' নামৰ গ্ৰন্থ কেইখন উন্মোচন কৰে ক্ৰমে নাট্যকাৰ কানু বেজবৰুৱা, লেখক-সাংবাদিক গুৰমাইল সিং, অধ্যাপিকা ড° অমিয়া পাটৰ, শিশু-সাহিত্যিক কাৰুণ্য ভট্টাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰিণ্টু দাস আৰু লেখিকা ৰূপা শইকীয়াই। সুবৰ্ণ গোস্বামীৰ 'কেইগৰাকীমান খ্যাতিমান নগঞা সাহিত্যিক' গ্ৰন্থখনৰ সমীক্ষা আগবঢ়াই অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখুৱাই সুবৰ্ণ গোস্বামীৰ সাহিত্য কৃতিৰ বিষয়ে উল্লেখ কৰি কয় যে তেখেতে কেইবাগৰাকী নগঞা সাহিত্যিকৰ বিষয়ে লিখা এই গ্ৰন্থখনৰ জৰিয়তে নৱপ্ৰজন্মই এই সাহিত্যিক সকলৰ বিষয়ে পৰিচিতি লাভ কৰিব। অৱশ্যে লেখিকা গৰাকীয়ে আৰু বহু কেইজন নগঞা সাহিত্যিকৰ বিষয়ে গ্ৰন্থ প্ৰণয়ণ কৰাৰ প্ৰয়োজনীয়তা আছে। অসম সাহিত্য সভাৰ মহিলা অনুষ্ঠান 'আকাশ' উপশমিতিৰ বিষয়ে উল্লেখ কৰি ৰাজখুৱাই কয় যে অসম সাহিত্য সভাৰ দীঘলীয়া ইতিহাসত এতিয়ালৈকে দুগৰাকী মহিলা অসম সাহিত্য সভাৰ সৰ্বোচ্চ পদ সভাপতিৰ আসনত অধিষ্ঠিত হৈছে। অৱশ্যে কেইবাখনো জিলা শাখাত মহিলা সভানেত্ৰী পদত অধিষ্ঠিত হৈছে। ৰাজখুৱাই লগতে কয় যে নাৰী আৰু পুৰুষ সুকীয়া সত্ত্বা নহয়। তাহানিত মহিলা সকলক আগস্থান দিয়া হোৱা নাছিল। এতিয়া পৰিবেশ-পৰিস্থিতি সলনি হৈছে, পুৰুষৰ সমানেই মহিলাসকলে সকলো ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। মহিলাসকলৰ দক্ষত আৰু তেওঁলোকৰ নিপুণতা আছে। নাৰীয়ে সকলো কাম কৰিব পাৰে বুলি উল্লেখ কৰি তেওঁ কয় যে অসম সাহিত্য সভাৰ শীৰ্ষ পদবীৰ দায়িত্ব ল'বলৈ মহিলাসকল আগবাঢ়ি আহিব লাগিব। আনহাতে নামঘৰৰ কথা উল্লেখ কৰি ৰাজখুৱাই কয় যে নামঘৰলৈ মহিলাসকল যোৱা দৃশ্য দেখি অনাবিল আনন্দ অনুভৱ কৰো। দৰাচলতে মাতৃ সমাজেই নামঘৰসমূহ ধৰি ৰাখিছে বুলি ৰাজখুৱাই গুৰুত্বপূৰ্ণ মন্তব্য কৰে। গ্ৰন্থ উন্মোচক গুৰুমাইল সিঙে কয় যে আমাৰ সমাজত ভাল ভাল কাম কৰা মানুহ আছে। যাৰ বাবে প্ৰত্যাহ্বানৰ মাজতো সমাজ সুস্থিৰভাবে চলি আছে। তেওঁ লগতে কয় যে গ্ৰন্থ বিক্ৰী কৰাৰ এক পৰিবেশ সৃষ্টি কৰা প্ৰয়োজন। আন এগৰাকী গ্ৰন্থ উন্মোচক তথা নাট্যকাৰ কানু বেজবৰুৱাই নিজৰ ভাষণত কয় যে অসমীয়া সমাজত জীৱনীমূলক সাহিত্যৰ অভাৱ বিৰাজমান। কিন্তু বংগত জীৱনীমূলক সাহিত্যৰ প্ৰসাৰ বেছি। সাহিত্য সামাজিক ক্ষেত্ৰৰ দাপোন বুলি উল্লেখ কৰি তেওঁ আক্ষেপ কৰি কয় যে আজিৰ প্ৰজন্মই গ্ৰন্থ অধ্যয়ন কৰিব নিবিচাৰে। শিশু-সাহিত্যিক কাৰুণ্য ভট্টাচাৰ্যই কয় যে গ্ৰন্থ সামাজিক দায়িত্ববোধ সহকাৰে ৰচনা কৰা হয়। গ্ৰন্থৰ বিভিন্ন দিশ উল্লেখ কৰি তেওঁ কয় যে অসমত শিশু সাহিত্যৰ সংখ্যা কম। শিক্ষাবিদ-বিশিষ্ট লেখিকা ৰিণ্টু দাসে নিজৰ ভাষণত কয় যে কাব্য সাহিত্যই মানুহৰ মন আৰু অনুভূতি বিস্তাৰিতভাবে প্ৰকাশ কৰে। অধ্যাপিকা ড° অমিয়া পাটৰ আৰু লেখিকা ৰূপা শইকীয়াই গ্ৰন্থ সম্পৰ্কে মননশীল বক্তব্য আগবঢ়ায়। সংস্থাৰ সম্পাদিকা বন্তি চেতিয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, শিল্পী তাৰিণী মোহন শৰ্মা, ভাৰত গোস্বামী, অনিল কুমাৰ শৰ্মা, আৰতি শৰ্মা, অশোকৰাম ভট্টাচাৰ্য, ময়ূৰ কুমাৰ বৰা, চিত্ৰশিল্পী অলকা শৰ্মা, উপমা মজুমদাৰ, গুণদা গোস্বামী, বৈজয়ন্তী খাউণ্ড, দীপ্তি দেৱী শৰ্মা, গীতা মহন্ত শইকীয়া, নিজৰা শইকীয়া, কুমকুম বৰুৱা, জ্যেষ্ঠ সাংবাদিক ক্ৰমে কনক হাজৰিকা, জিতেন বৰকটকী, জয়ন্ত বৰা, আবু হানিফ, দ্বীপেন শইকীয়াৰ উপৰি লেখিকা সংস্থাৰ বিষয়ববীয়া-সদস্যসকলে অংশগ্ৰহণ কৰে। আকাশ বাণী নগাঁও কেন্দ্ৰত কৰ্মৰত ৰাধাৰাণী দত্তই পূৰবী চক্ৰৱৰ্তী সূতৰ এটি কবিতা আবৃত্তি কৰা উক্ত অনুষ্ঠানতে তেজপুৰৰ চিত্ৰশিল্পী অলকা শৰ্মা আৰু নগাঁৱৰ কণমানি চিত্ৰশিল্পী মল্লিকা বৰাক আদৰণি জনোৱা হয়।

শিশু শ্ৰমিক, বাল্য বিবাহ, ৰাগিয়াল দ্ৰব্য, প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতিৰোধ সম্পৰ্কীয় সমদল, বাটৰ নাট প্ৰদৰ্শন, সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ

# অঞ্জল-সমন্বয় গ্ৰাম্য সংগঠনৰ দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৫ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উত্তৰ-পশ্চিম যোৰহাট খণ্ডৰ নমামী ক্লাষ্টাৰৰ পূৰ্বৰ ৪৬ নং চাৰিঙীয়া গাঁও পঞ্চায়ত, বৰ্তমান ৪৭ নং দক্ষিণ পৰ্বতীয়া গাঁও পঞ্চায়তৰ এলেকাভুক্ত অঞ্জল (১৫টা আত্মসহায়ক গোট) আৰু সমন্বয় (২০টা আত্মসহায়ক গোট) গ্ৰাম্য সংগঠনৰ দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস বৰহুজ গাঁৱৰ যুৰীয়া নামঘৰৰ সমীপৰ ৰঙ্গমঞ্চ-প্ৰেক্ষাগৃহত ২২ ডিচেম্বৰত পালন কৰে। এই উদ্দেশ্যে শিশু শ্ৰমিক, বাল্যবিবাহ প্ৰতিৰোধ, ধঁপাতৰ উপৰি বিভিন্ন ৰাগিয়াল দ্ৰব্য সেৱনৰ অপকাৰিতা, কেন্সাৰ ৰোগ প্ৰতিৰোধ আৰু বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ উদ্দেশ্যে মুঠ ৩৮৮ গৰাকী গোটৰ সদস্যই উক্ত বিষয়ৰ পঞ্চায়ত এলেকাটো পৰিভ্ৰমণ কৰাৰ লগতে ঠায়ে-ঠায়ে বাটৰ নাট প্ৰদৰ্শন কৰি ৰাইজক সজাগ-সচেতন কৰে। এই কাৰ্যসূচীত যোৰহাটৰ কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যন, যোৰহাট জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ, জিলা শিশু সুৰক্ষা বিভাগ, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সৈতে জড়িতসকলে অংশগ্ৰহণ কৰাৰ লগতে ঠায়ে-ঠায়ে মকড্ৰিল কৰে। তাৰপাছতে জ্যেষ্ঠ ব্যক্তি শিৱ দাসে বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ উপৰি শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি শ্ৰদ্ধা জনায়। তাৰপাছতে, বিভাগৰ লোকসকলে বক্তব্য প্ৰদান কৰে। সমল ব্যক্তি মৃণালী গগৈ, জুনু চেতিয়া গগৈ, মিনু কুমাৰী বৰা, ঋতুপৰ্ণা বৰা ভূঞা, অঞ্জু দাস, মামণি পূজাৰী, মামণি বৰুৱা, দীপশিখা দাস, বিনীতা নেওগ বৰুৱা, দুয়োটা গ্ৰাম্য সংগঠনৰ প্ৰতিষ্ঠাপক বৈজয়ন্তী বৰুৱাক সম্বৰ্ধনা জনায়। পশু পালন-পশু চিকিৎসা বিভাগৰ মহন ভৰালী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ খণ্ড সমন্বয়ক জয়ন্ত কলিতা, যোৰহাট জিলা পৰিচালনা শাখা, নমামী ক্লাষ্টাৰ লেবেল প্ৰাইমেৰী ক'অপাৰেটিভৰ সভানেত্ৰী জ্যোতি ভৰালী দাস, সম্পাদিকা বুলি বৰা, ৪৭ নং গাঁও পঞ্চায়তৰজন প্ৰতিনিধিসকলৰ লগতে কৃষি বিভাগ, অসম গ্ৰামীণ বিকাশ বেংকৰ খঙীয়া শাখা, ৫৭৪ নং বৰহুজ প্ৰাথমিক বিদ্যালয় আদিক আত্মসহায়ক গোট আৰু দুয়োটা গ্ৰাম্য সংগঠনৰ বিভিন্ন কাৰ্যসূচীত সহায়-সহযোগিতা কৰাৰ বাবে স্মাৰক প্ৰদানৰ লগতে ওলগ-অভিনন্দন জনায়। সাংস্কৃতিক অনুষ্ঠানত গোটৰ মহিলাসকলে স্ব-প্ৰতিভা প্ৰদৰ্শন কৰাৰ পাছতে অসম চৰকাৰৰ যোৰহাট জিলা কৃষি বিভাগে প্ৰদান কৰা বীজৰ টোপোলা ৩৮৮ গৰাকী গোটৰ সদস্যক প্ৰদান কৰে। অঞ্জলৰ সভাপতি ৰুণা দাস, সম্পাদিকা ৰশ্মিৰেখা দাস, সমন্বয়ৰ সভাপতি আশা পাত্ৰ, সম্পাদক ৰূপালী দাসে পঞ্চায়তখনৰ জীৱিকা সখী মৃণালী গগৈ, কৃষি সখী জুনু চেতিয়া গগৈ, পশু সখী মামণি বৰুৱা, বিনীতা নেওগ বৰুৱা, সংযোগ সখী মিনু কুমাৰী বৰা, ঋতুপৰ্ণা বৰা ভূঞা, উদ্যোগ সখী অঞ্জু দাস, বেংক মিত্ৰ দীপশিখা দাস, মাষ্টাৰ বুক কিপাৰ মামণি পূজাৰীক বিশেষভাৱে ওলগ-অভিনন্দন জনোৱাৰ লগতে দীৰ্ঘদিন আত্মসহায়ক গোটবিলাকৰ কাৰ্যসূচী ৰূপায়ণত সহযোগিতা কৰাৰ বাবে আদৰণি জনায়।

# ২০১৪ চনৰ নৃশংস হত্যাকাণ্ডৰ স্মৃতিত পিৰাকটাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৫ ডিচেম্বৰ ঃ** ২০১৪ চনৰ ২৩ ডিচেম্বৰ তাৰিখে সংঘটিত এক নৃশংস আৰু হৃদয়বিদাৰক ঘটনাত NDFB সংবিজিৎ গোটৰ সদস্যৰ নিৰ্বিচাৰে গুলিচালনাত বহুতো নিৰীহ আদিবাসী লোকে অকালতে প্ৰাণ হেৰুৱাইছিল। সেই শোকাবহ দিনটোক সোঁৱৰি আজি নিশা প্ৰায় ৮ বজাত শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ পিৰাকটা অঞ্চলত আদিবাসী সমাজৰ উদ্যোগত এখনি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। উল্লেখযোগ্য যে ২০১৪ চনৰ এই দিনটোতে NDFB সংবিজিৎ গোটৰ সদস্যই আদিবাসী অধ্যুষিত অঞ্চলসমূহত প্ৰৱেশ কৰি নিৰ্বিচাৰে গুলিচালনা কৰিছিল। এই আক্ৰমণৰ ফলত বহুতো নিৰ্দোষ আদিবাসী লোকৰ প্ৰাণ নষ্ট হয় আৰু বহু পৰিয়াললৈ নামি আহে অপূৰণীয় শোকৰ ছাঁ। এই কৰুণ ঘটনাই সমগ্ৰ আদিবাসী সমাজক গভীৰভাৱে আহত কৰিছিল। সেই বেদনাদায়ক স্মৃতি সোঁৱৰি আদিবাসী সমাজে প্ৰতিবছৰে ২৩ ডিচেম্বৰ দিনটো "ক'লা দিন" হিচাপে পালন কৰি আহিছে। তাৰেই অংশস্বৰূপে আজি পিৰাকটাত আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নিহতসকলৰ আত্মাৰ শান্তিৰ কামনাৰে মোমবাতি জ্বলাই আৰু নীৰৱতা পালন কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। আজিৰ উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰাক্তন আছা নেতা ৰেবেন পান্না, ভিক্টৰ লাক্ৰা, ৰিকু পান্না, অনিল দাহাংগাৰ লগতে বহুতো বিশিষ্ট ব্যক্তি আৰু স্থানীয় আদিবাসী লোক উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে এই ধৰণৰ হিংসাত্মক ঘটনা পুনৰাবৃত্তি নোহোৱাকৈ শান্তি, সম্প্ৰীতি আৰু সহাৱস্থান বজাই ৰখাৰ আহ্বান জনায়।

# মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ নাম কৰ্তন আৰু জল জীৱন মিছনৰ দুৰ্নীতি বিৰুদ্ধে মাজুলীতো কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ




**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ডিচেম্বৰ ঃ** ৰাজ্যৰ জল জীৱন মিছনৰ দুৰ্নীতি আৰু মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (MGNREGA)ৰ পৰা মহাত্মা গান্ধীৰ নাম কৰ্তনৰ বিৰুদ্ধে ৰাজ্যজুৰি আজি কংগ্ৰেছৰ প্ৰতিবাদৰ সমান্তৰালভাৱে মাজুলী জিলা কংগ্ৰেছৰ উদ্যোগতো জেংৰাইমুখত কংগ্ৰেছ দলৰ কৰ্মীসকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উজনি মাজুলী জেংৰাইমুখৰ ৰাজীৱ ভৱনৰ পৰা কংগ্ৰেছৰ নেতা-কৰ্মীসকলে একত্ৰিত হৈ বিশেষকৈ জল জীৱন মিছনৰ দুৰ্নীতিৰ বিৰুদ্ধে সমদল কৰি প্ৰতিবাদ সাব্যস্ত কৰে। তিনি শতাধিক কংগ্ৰেছ কৰ্মীয়ে সমদল কৰি বিজেপি চৰকাৰ গ'বৈক, জয়ন্ত মল্ল গ'বৈগ, নল আছে জল নাই, জয়ন্ত মল্লৰ কাম নাই আদি বিভিন্ন শ্ল'গানেৰে মাজুলীৰ জেংৰাইমুখৰ ৰাজপথ উত্তাল কৰি তোলে। ইয়াৰ উপৰিও মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (MGNREGA)ৰ পৰা মহাত্মা গান্ধীৰ নাম কৰ্তন কৰা বিষয়তো কংগ্ৰেছ কৰ্মী সকলে চৰকাৰক তীব্ৰ সমালোচনাৰ লক্ষ্য কৰি লয়। প্ৰতিবাদী কাৰ্যসূচীত মাজুলী জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰী, উপ-সভাপতি জীৱন দলে, সাধাৰণ সম্পাদক ক্ৰমে যোগেন কুটুম, সুভাষ পাটিৰ, প্ৰণৱজ্যোতি বাৰিক, উদ্ধৱ দলে, পবিত্ৰ দলে, ভাস্কৰ পেগু, ৰঞ্জন বৰা, উজনি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰ শইকীয়া, সাধাৰণ সম্পাদক (প্ৰশাসন) জিতুমন বৰা, সাংগঠনিক সম্পাদক দেৱৰাজ দেউৰী, মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্য গায়ন, প্ৰশাসনিক সাধাৰণ সম্পাদক বিজিত গাম, জিলা ইয়ং ব্ৰিগেডৰ সভাপতি প্ৰভাত পেগু, ৰাজ্যিক যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা দিপালী পাটিৰ, জিলা যুৱ কংগ্ৰেছৰ সভাপতি টিংকুৰ পাটিৰ, উজনি মাজুলী ব্লক যুৱ কংগ্ৰেছৰ সভাপতি পলাশ মিলি, জিলা কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ সুভন দলে, ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী স্বপ্না দলে পেগু আৰু অন্যান্য জিলা কংগ্ৰেছ, ব্লক কংগ্ৰেছ, মণ্ডল কংগ্ৰেছ, যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছ, এন.এছ.ইউ.আই, সেৱাদল, ইয়ং বিগ্ৰেড, প্ৰাথমিক কংগ্ৰেছ আদিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# মাধ্যমিক পৰীক্ষা পৰিষদ, যোৰহাটৰ উদ্যোগত গণিত বিষয়ৰ কৰ্মশালা সফলতাৰে সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ২৫ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ এটি পঞ্চাশবছৰীয়া শিক্ষক সংগঠন হৈছে যোৰহাট জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা। এই সন্থাৰে এটি গুৰুত্বপূৰ্ণ ভগ্নী সংগঠন মাধ্যমিক পৰীক্ষা পৰিষদে শিক্ষক শিক্ষয়িত্ৰীসকলৰ মাজত বিভিন্ন বিষয়ৰ কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। যোৱা ৬ জুনত সমাজ বিজ্ঞান বিষয়ৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ পিছত যোৱা ২৩ ডিচেম্বৰ মঙ্গলবাৰেও বৰ্তমান নতুন শিক্ষানীতিৰ অধীনত ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ গণিত বিষয়ৰ প্ৰশ্নকাকত প্ৰস্তুতকৰণৰ কলা-কৌশলৰ বিষয়ে এটি গুৰুত্বপূৰ্ণ কৰ্মশালা যোৰহাট বহুমুখী বালক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত সফলতাৰে সম্পন্ন হৈ যায়। মাধ্যমিক পৰীক্ষা পৰিষদ, যোৰহাটৰ অন্তৰ্গত পঞ্চাশখন উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা একোগৰাকীকৈ গণিত বিষয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে যোগদান কৰা কৰ্মশালাত সমল শিক্ষকৰূপে প্ৰশিক্ষণ প্ৰদান কৰে কে বি এম শিক্ষক শিক্ষন মহাবিদ্যালয়ৰ প্ৰৱক্তা সংগীতা দত্তই। যোৰহাট জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা আৰু পৰীক্ষা পৰিষদৰ সভাপতি ত্ৰৈলোক্য শৰ্মাই আঁটধৰা গণিত বিষয়ৰ প্ৰশ্নকাকত প্ৰস্তুতকৰণৰ কৰ্মশালাখন আনুষ্ঠানিকভাৱে মুকলি কৰি বক্তব্য আগবঢ়াই বহুমুখী বালক বিদ্যালয়ৰ একাডেমিক অধ্যক্ষ মৃণাল ভূঞাই। যোৰহাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলী গগৈ ভূঞাই গণিত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু শিক্ষাৰ্থীসকলক গণিতৰ বিষয়ৰ প্ৰতি আকৰ্ষণ কৰিবলৈ কেনেধৰণৰ কলা-কৌশল অৱলম্বন কৰিব পাৰি, শিক্ষক-শিক্ষয়িত্ৰীসকলে এই দিশত কিদৰে দায়িত্ব পালন কৰিব লাগিব সেইবিষয়ে মনোজ্ঞ ভাষণ প্ৰদান কৰে। সমল ব্যক্তি সংগীতা গগৈ দত্তই প্ৰযুক্তিগত পদ্ধতিৰে প্ৰশিক্ষণ প্ৰদান কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰায় তিনি ঘণ্টা সময় মন্ত্ৰমুগ্ধ কৰি ৰাখে। কৰ্মশালাৰ পৰিসমাপ্তিৰ পিছত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। কৰ্মশালাত সভাপতি শৰ্মাৰ উপৰি পৰীক্ষা পৰিষদৰ সচিব শৰৎ প্ৰকাশ দত্তয়ে পৰীক্ষা পৰিষদৰ ফালৰ পৰা কৰি অহা কাম-কাজৰ বিষয়ে বক্তব্য আগবঢ়ায়। কৰ্মশালাখন সাফল্যমণ্ডিত কৰিবলৈ সক্ৰিয়তাৰে সহযোগিতা আগবঢ়ায় সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ধ্ৰুৱজ্যোতি বৰঠাকুৰ, জিলা সন্থাৰ উপ-সভাপতি দেৱেন নেওগ, সহকাৰী সম্পাদক মৃণাল ৰাজখোৱা, জিলা সমিতিৰ যুটীয়া সম্পাদক দেৱজ্যোতি দত্তবৰুৱা, প্ৰাক্তন কেন্দ্ৰীয় সমিতিৰ সদস্য, সহসচিব গুণকান্ত বনিয়া, পৰীক্ষা পৰিষদৰ সদস্যা বৰ্ণালী মহন্তই। উল্লেখযোগ্য সদস্য মাধুৰ্য হাজৰীকাই অধিক সক্ৰিয়তাৰে কৰ্মশালাখন সাফল্য কৰি তোলাত সহযোগিতা আগবঢ়ায়।

# মাধৱপুৰত ৰাইজৰ দিন উদ্‌যাপন

**অসম বাৰ্তা, বৰডুমচা, ২৫ ডিচেম্বৰ ঃ** আজি বৰডুমচাৰ মাধৱপুৰত তিনিচুকীয়া জিলাৰ কাকপথাৰ শিক্ষা খণ্ডৰ মাধৱপুৰ সমল কেন্দ্ৰৰ সমূহ বিদ্যালয়ৰ সহযোগত, তৰিবাৰী প্ৰাথমিক বিদ্যালয় আৰু ৰাইজৰ সহযোগত এদিনিয়া বিস্তৃত কাৰ্যসূচীৰে ৰাইজৰ দিন উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি হেম লিম্বুৱে। স্মৃতি তৰ্পণ কৰে সম্পাদক ভূপাল লিম্বুৱে। ইয়াৰ পাছতেই প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাত্মা গান্ধী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেৱেশ্বৰ সোণোৱালে। শিকন শিক্ষণ সামগ্ৰীৰ প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন কৰে দল বাহাদুৰ লিম্বুৱে। গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক নীলমণি ঘিমিৰে। মঞ্চ উদ্বোধন কৰে অৱসৰী শিক্ষক বিনু গগৈয়ে। ইয়াৰ পিছতেই কাৰ্যসূচী অনুসৰি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হয়। শোভাযাত্ৰাটি উদ্বোধন কৰে কেন্দ্ৰ সমল সমন্বয়ক পৱিত্ৰ মৰাণে। প্ৰতিযোগিতা হিচাপে অভিভাৱকসকলৰ মাজত মিউজিক চেয়াৰ, টেকেলি ভঙা, চিত্ৰাংকণ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে গীত নৃত্যৰ প্ৰদৰ্শনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ শেষত শিক্ষক গিৰীশ বৰুৱাৰ সভাপতিত্বত মুকলি সভা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। কনাইপথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গিৰীশ বৰুৱাই সভাপতিত্ব কৰা সভাখন মাধৱপুৰ সমল কেন্দ্ৰৰ সমন্বয়ক ধমেন্দ্ৰ মৰাণে আঁত ধৰাৰ লগতে সভাখনিৰ উদ্বোধন কৰে তিনিচুকীয়া জিলাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মোহন মৰাণে। পুৰণি পুখুৰী সমল কেন্দ্ৰৰ সমন্বয়ক পৱিত্ৰ মৰাণে বিদ্যালয়সমূহত ৰাইজৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ নিমিত্তেই ৰাইজৰ দিন উদ্‌যাপন কৰা হয় বুলি কৈ ৰাইজৰ সহযোগিতা সদায়েই কামনা কৰে। ইয়াৰ পিছতেই মহাত্মা গান্ধী হাইস্কুলৰ সহকাৰী শিক্ষক জগত মৰাণ, আয়োজক সমিতিৰ সভাপতি হেম লিম্বু, পুৰণি পুখুৰী পঞ্চায়তৰ ৱাৰ্ড সদস্যা তুলসী চেত্ৰী, মাধৱপুৰ জাতীয় বিদ্যালয়ৰ সহঃ শিক্ষক ৰাজীৱ চেত্ৰীৰ লগতে সভাত উপস্থিত বহুকেইগৰাকী লোকে চমু ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতেই আজি অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহৰ বঁটা বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে বহুসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

# ডিব্ৰুগড়ত বুৰঞ্জীবিদ প্ৰয়াত চাওডাঙ্ নগেন কুমাৰ বৰুৱা- শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৰণিকা উন্মোচনী সভা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ডিচেম্বৰ ঃ** বিশিষ্ট শিক্ষাবিদ, বুৰঞ্জীৰ একান্ত সাধক ঐতিহ্যমণ্ডিত বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একালৰ অধ্যক্ষ, বিভিন্ন সামাজিক, শৈক্ষিক অনুষ্ঠানৰ প্ৰতিষ্ঠাপক চাওডাঙ্ নগেন কুমাৰ বৰুৱাৰ স্মৃতিচাৰন সভা আজি প্ৰয়াতৰ বৰুৱা নিজা বাসগৃহ দুৰৰাচুক ৰূপনগৰ পাইন পথত অনুষ্ঠিত হৈ যায়। আদ্যশ্ৰাদ্ধ উপলক্ষত দুৰৰাচুক- ৰূপনগৰ-চেতিয়াচুক বাসী ৰাইজৰ উদ্যোগত চাওডাঙ্ নগেন কুমাৰ বৰুৱাৰ আদ্যশ্ৰাদ্ধ উপলক্ষে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানসহ স্মৰণিকা উন্মোচনৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মীনাক্ষী ফুকনে। স্মৰণিকা উন্মোচনৰ প্ৰাকক্ষণত স্মৰণিকাখনিৰ সম্পাদক উত্তম কুমাৰ বৰুৱাইপ্ৰকাশিত পুস্তিকাখনিৰ সন্দৰ্ভত এক চমু বক্তব্য দাঙি ধৰে। পৰৱৰ্তী পৰ্য্যায়ত বিশিষ্ট শিক্ষাবিদ, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দুৰ্লভ চেতিয়াই স্মৰণিকাখনি উন্মোচন কৰি তেখেতৰ সৃষ্টি আৰু কৰ্মৰাজি ওপৰত বহুলভাৱে বক্তব্য দাঙি ধৰে। সভাখনিত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম জ্যেষ্ঠ নাগৰিক সন্মিলন বৰবৰুৱা শাখাৰ সভাপতি তথা মৃতকৰ একালৰ ছাত্ৰ নোমল চন্দ্ৰ গগৈ, স্থানীয় দুৰৰাচুক ৰূপনগৰ চেতিয়াচুক প্ৰগতি সংঘৰ সম্পাদক তথা অৱসৰপ্ৰাপ্ত শিক্ষক দিব্য জ্যোতি মহন, সুদূৰ বৰপেটাৰ নিবাসী, সমাজ সেৱক সঞ্জীৱ কুমাৰ দাসে। অনুষ্ঠানটি আঁত ধৰে কৃপাল ফুকনে।

আক্ৰাছু আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ যুটীয়া উদ্যোগ; ৯ জানুৱাৰীত আনুষ্ঠানিক শুভ উদ্বোধন

# বঙাইগাঁও বিশ্ববিদ্যালয়ত স্থাপন হ'ব কোচ ৰাজবংশী গৱেষণা কেন্দ্ৰ



**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৫ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলা তথা সমগ্ৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ বাবে এক ঐতিহাসিক ক্ষণ। বঙাইগাঁও বিশ্ববিদ্যালয়ত অতি শীঘ্ৰেই প্ৰাণ পাই উঠিব কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ এক উচ্চস্তৰীয় গৱেষণা কেন্দ্ৰ। সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু) আৰু বঙাইগাঁও বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ যুটীয়া নেতৃত্বত অহা ৯ জানুৱাৰীত এই গৱেষণা কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। আজি বিশ্ববিদ্যালয় চৌহদত আক্ৰাছু আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এক যুটীয়া সংবাদমেল সম্বোধন কৰি এই গুৰুত্বপূৰ্ণ ঘোষণা কৰে। সংবাদমেলত নেতৃবৃন্দই জানিবলৈ দিয়ে যে এই গৱেষণা কেন্দ্ৰটোৱে কোচ ৰাজবংশী জনগোষ্ঠীক সাংস্কৃতিক আৰু শৈক্ষিক দিশত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব। বিশেষকৈ জনগোষ্ঠীটোৰ বিলুপ্তপ্ৰায় লোক-কলা, ভাষাৰ চৰ্চা আৰু পুৰণি সাহিত্যৰ সংৰক্ষণৰ ক্ষেত্ৰত এই কেন্দ্ৰই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। সংবাদমেলযোগে আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি মনোজ ৰায়ে কয়, "এই গৱেষণা কেন্দ্ৰটো আমাৰ জনগোষ্ঠীৰ স্বাভিমানৰ প্ৰতীক হ'ব। ইয়াৰ জৰিয়তে আমাৰ নতুন প্ৰজন্মই নিজৰ শিপাৰ বিষয়ে গৱেষণা কৰাৰ সুযোগ পাব।" আনহাতে, সাধাৰণ সম্পাদক বলোৰাম বৰ্মনে সমল ব্যক্তি তথা বুদ্ধিজীৱীসকলক আহ্বান জনাই কয় যে কোচ ৰাজবংশী জনগোষ্ঠীৰ বিষয়ে লিখা বিভিন্ন আপুৰুগীয়া লিখনি, পুথি আৰু সমলসমূহ এই কেন্দ্ৰত প্ৰদান কৰি অনুষ্ঠানটোক অধিক সমৃদ্ধ কৰিব লাগে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই পদক্ষেপক আদৰণি জনাই কয় যে শৈক্ষিক পৰিৱেশত এনে এক কেন্দ্ৰৰ উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ বিষয়ে জানিবলৈ উৎসাহিত কৰিব। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে বঙাইগাঁও বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই উক্ত গৱেষণা কেন্দ্ৰটোৰ বাবে স্থান দিয়াৰ বাবে তেখেতসকলোলৈ ধন্যবাদ জনায়। অহা ৯ জানুৱাৰীৰ এই ঐতিহাসিক অনুষ্ঠানত জিলাখনৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে সাংস্কৃতিক কৰ্মীসকলকো উপস্থিত থাকিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# কৰ্দৈগুৰি মধ্য ইংৰাজী বালিকা বিদ্যালয়ৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ ডিচেম্বৰ ঃ** ১৯৯৩ চনৰ ২৩ ডিচেম্বৰত বৃহত্তৰ কৰ্দৈগুৰি অঞ্চলটোৰ ৰাইজে ভৱিষ্যত নাৰী প্ৰজন্মৰ শিক্ষাৰ উত্তৰণৰ সপোন দেখি প্ৰতিষ্ঠা কৰিছিল কৰ্দৈগুৰি মধ্য ইংৰাজী বালিকা বিদ্যালয় নামৰ শিক্ষানুষ্ঠানখন। আজি ৩৩ সংখ্যক বৰ্ষত উপনীত হোৱাৰ উপলক্ষে বিদ্যালয়ত অনুপষ্ঠুপীয়াকৈ দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ভাগত পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি জ্যোতিষ নেওগে আৰু স্মৃতি তৰ্পণ কৰে বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ মৰাণে। আবেলি এক বজাৰ পৰা প্ৰদীপ কুমাৰ মৰাণৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাখন ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এটি প্ৰাৰ্থনাৰে আৰম্ভ কৰা হয়। সভাত কাকপথাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ধলা-ছৈখোৱাৰ নিকটৱৰ্তী হাঁহখাটি বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ঔম প্ৰকাশ শৰ্মাই অংশগ্ৰহণ কৰি ছাত্ৰীসকলক উৎসাহিত কৰিব পৰাকৈ ভৱিষ্যতে প্ৰতিগৰাকী ছাত্ৰীয়ে প্ৰথমে ভাল মানুহ হৈ কেনেকৈ সুকৰ্মৰ জৰিয়তে সমাজত নিজকে প্ৰতিষ্ঠা কৰিব পাৰি সেই সম্পৰ্কে বিশদ ভাবে মনোজ্ঞ ব্যাখ্যা আগবঢ়ায়। লগতে বিগত ২৫/৩০ বছৰ পূৰ্বে ভিতৰুৱা গ্ৰামাঞ্চল সমূহত ৰাইজে নিজৰ সন্তানৰ সুনিশ্চিত ভৱিষ্যত জীৱন গঢ় দিয়াৰ আশাৰে ভেঞ্চাৰ শিক্ষানুষ্ঠান সমূহ প্ৰতিষ্ঠা কৰিছিল আৰু সেই সমূহ শিক্ষানুষ্ঠানক বিগত আৰু বৰ্তমানৰ চৰকাৰ সমূহে প্ৰাদেশিকীকৰণৰ নামত 'টিউটৰ' অভিধাৰে নিযুক্তি দি কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষানুষ্ঠানসমূহ সমূলি ধ্বংস কৰাৰ ষড়যন্ত্ৰ কৰিছে, সেই মৰ্মান্তিক দুখ-বেদনাৰ কথাও ক্ষোভেৰে বক্তব্যত প্ৰকাশ কৰে। লগতে কয়, চৰকাৰে এই সকল শিক্ষাগুৰুৰ প্ৰতি অন্যায় আৰু চৰমভাবে অবিচাৰ কৰিলেও কোনো আক্ষেপ নাই, কাৰণ এই ভেঞ্চাৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰিয়েই হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে সমাজত সুপ্ৰতিষ্ঠিত হৈ দেশ আৰু জাতিৰ হকে কাম কৰি আছে। সভাত কৰ্দৈগুৰি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক লীলেশ্বৰ মৰাণে সফল মানৱ হ'বলৈ আধ্যাত্মিক চিন্তাধাৰাৰ প্ৰয়োজনীয়তা আৰু লক্ষ্যপ্ৰাপ্তিৰ বাবে ছাত্ৰী সকলে নিজৰ মাজতে কেনেকৈ সফলতাৰে জীৱন সংগ্ৰামত জয়ী হ'ব পাৰি, সেই বিষয়ে একাধিক সফলতাৰ উদাহৰণ ব্যাখ্যা কৰি ছাত্ৰী সকলৰ মনোযোগ আকৰ্ষণ কৰে। অনুষ্ঠানত ছাত্ৰী সকলে বিহুনাচ, ঝুমুইৰ, আধুনিক সৃষ্টিশীল নৃত্য পৰিৱেশন কৰাৰ লগতে ছাত্ৰী ৰোস্না মৰাণ আৰু অপিজা মৰাণে একোটিকৈ আধুনিক গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰে। উল্লেখ্য যে অতিথি ঔম প্ৰকাশ শৰ্মাই বিদ্যালয়খনৰ 'জ্ঞান মালিনী' পুথিভঁৰাললৈ দুখনি আপুৰুগীয়া গ্ৰন্থ উপহাৰ হিচাপে আগবঢ়ায়।

মৃত্যু হৈছে ৮৯ টাকৈ বনহস্তীৰ; হাতী-মানুহৰ সংঘাতক লৈ উদ্বিগ্ন জনতা

# গোলাঘাটত ২০১০ চনৰ পৰা বৰ্তমানলৈকে বন্যহস্তীৰ আক্ৰমণত ৮৩জন লোক নিহত, ৭৩ আহত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৫ ডিচেম্বৰ ঃ** গোলাঘাট জিলাত অভাৱনীয় হাৰত বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। ২০১০ বৰ্ষৰ পৰা বৰ্তমানলৈকে বিভিন্ন কাৰণত ৮৯ টাকৈ বন্যহস্তীয়ে প্ৰাণ হেৰুৱাব লগীয়া হ'ল। বন্যহস্তী আৰু মানুহৰ সংঘাতৰ লগতে বহু কেইটা কাৰণত এনে শোকাৱহ ঘটনাই হচকিত কৰি তুলিছে গোলাঘাটবাসীক। অসমৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ গোলাঘাট জিলাখনলৈও অশনি সংকেত কঢ়িয়াইছে হাতী আৰু মানুহৰ সংঘাতে। প্ৰতিদিনাই নামবৰ দৈগ্ৰোং বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰা ওলাই অহা শতাধিক বন্যহস্তীৰ জাকে সৰ্বসাধাৰণ লোকৰ ঘৰ-দুৱাৰ ভাঙি তহিলং কৰাৰ লগতে ধান খেতিত প্ৰৱেশ কৰি শ শ বিঘা খেতি নষ্ট কৰি আহিছে। গোলাঘাট জিলাৰ খুমটাই আৰু মৰঙি মৌজাৰ অন্তৰ্গত বহুকেইখন গাঁৱত দৈনিক বন্যহস্তীৰ জাকে তহিলং কৰি আহিছে। গোলাঘাট জিলা বন বিভাগৰ তথ্য অনুসৰি ২০২৪ চনৰ নৱেম্বৰ মাহলৈকে খুমটাই আৰু মৰঙি মৌজাৰ অন্তৰ্গত বিভিন্ন গাঁৱত বন্যহস্তীৰ জাকে ১৬৯ বিঘা ধান খেতি নষ্ট কৰাৰ লগতে ৮৫টা সাধাৰণ পৰিয়ালৰ ঘৰ ভাঙি লণ্ড-ভণ্ড কৰে। এই বৰ্ষতে গোলাঘাট জিলাত মুঠ ১০জন লোক বন্যহস্তীৰ আক্ৰমণত মৃত্যু হয় আৰু ৬ লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ঠিক তেনেদৰে পাঁচটা বন্যহস্তীৰ বিভিন্ন কাৰণত মৃত্যু হয়। বৰ্তমানো এই বন্যহস্তীৰ জাকটো গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ বিভিন্ন অঞ্চলত খেতি পথাৰ নষ্ট কৰি গাওঁবাসীৰ ঘৰ-দুৱাৰ ভাঙি তাণ্ডৱ চলাই আছে। বনকৰ্মীসকলে দৈনিক বন্যহস্তীৰ জাকটো খেদি পঠাবলে চেষ্টা অব্যাহত ৰাখিছে যদিও বৰ্তমানো নিৰাপদ স্থানলৈ নিব পৰা নাই। উল্লেখযোগ্য যে, বন্যহস্তীৰ বাবে পৰ্যাপ্ত পৰিমাণৰ খাদ্যৰ অভাৱ আৰু বনকৰ্মীৰ অভাৱৰ বাবে দৈনিক হাতী-মানুহৰ সংঘাত বৃদ্ধি পাইছে বুলি গোলাঘাট জিলা বন বিষয়া মুকুট চন্দ্ৰ দাসে জানিবলৈ দিয়ে। ইফালে গোলাঘাট জিলা বন বিভাগৰ তথ্য অনুসৰি ২০১০ চনৰ পৰা ২০২৫ চনলৈকে হাতী-মানুহৰ সংঘাতত মুঠ ৮৩ গৰাকী লোকৰ বন্যহস্তীৰ আক্ৰমণত মৃত্যু হোৱাৰ লগতে ৭৩ গৰাকী আহত হয়। তদুপৰি ২৩৬২টা বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰে আৰু ৫, ৪৪৫.৮৩ বিঘা ধান খেতি নষ্ট কৰে বন্যহস্তীয়ে। আনহাতে ২০১০ চনৰ পৰা বৰ্তমানলৈকে ৮৯টা বন্যহস্তীৰ বিভিন্ন কাৰণত মৃত্যু হয়। অৱশ্যে এই ঘটনা গোলাঘাট সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয় অন্তৰ্গত এলেকাৰ। গোলাঘাট বন সংমণ্ডলৰ অন্তৰ্গত এলেকাত ২০১৭ বৰ্ষত ৫৫টা হাতী আছিল আৰু ২০২৪ বৰ্ষৰ হাতী গণনাত ১০১টা বন্যহস্তীৰ অৱস্থিতি পোৱা গৈছিল। বৰ্তমান এই হাতী জাকৰ মাজত বহু পোৱালি হাতী দেখা পোৱা গৈছে। হাতীৰ সংখ্যা বাঢ়িছে কিন্তু খেতিৰ সংখ্যা বঢ়া নাই। হাতীৰ খাদ্যৰ ঠাই নোহোৱা হৈছে যাৰ ফলত কেইদিনমান পূৰ্বে এজন লোকৰ মৃত্যু হৈছে হাতীৰ আক্ৰমণত। বৰ্তমানলৈকে এই বছৰতে দহজন লোকৰ মৃত্যু হৈছে আৰু ছয়জন লোক আঘাতপ্ৰাপ্ত হৈছে। কিছুদিন আগলৈকে মুঠ ৮৫টা বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে ১৭০ বিঘা কৃষিভূমি বিনষ্ট কৰিছে। হাতী দেখাৰ লগে লগে মানুহ বহু উৎসুক হৈ পৰে। উচ্চ ক্ষমতাসম্পন্ন লাইট জ্বলাই হাতীক আমনি কৰা দেখা যায়। বৰ্তমান সময়ত হাতী মানুহৰ সংঘাত নিৰ্মূল কৰিবলৈ বিভিন্নজন আগবাঢ়ি আহিছে। কিন্তু সফল হ'ব পৰা নাই। বিয়াগোম বন বিভাগৰ আধুনিকতাৰ পৰিৱৰ্তে পুৰণিকলীয়া নীতিৰেই বিভাগ পৰিচালিত হৈ আছে বাবেই সমস্যা হৈয়ে ৰৈছে।

# যোৰহাটৰ পিএমশ্ৰী নামগৰুমৰা বাপু বাঢ়ৈ হাইস্কুলত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৫ ডিচেম্বৰ ঃ** যোৰহাটৰ উত্তৰ-পশ্চিম দিশৰ পিএমশ্ৰী নামগৰুমৰা বাপু বাঢ়ৈ উচ্চ মাধ্যমিক বিদ্যালয়ত স্থানীয় ৰাইজৰ সহযোগত ২৪ ডিচেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে ১৯৬০ চনত এম ই, ১৯৬৬ চনত হাইস্কুলখন প্ৰতিষ্ঠাৰ পৰা জড়িতসকলৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, অংশকালীন শিক্ষক-শিক্ষয়িত্ৰী, বিভিন্ন ক্ষেত্ৰত বিদ্যালয়খনলৈ অৱদান আগবঢ়োৱাসকলক সম্বৰ্ধনা জনায়। এই উদ্দেশ্যে পুৱা মৃণাল কলিতা, ইজাউল হুছেইন, যোগেন বৰা, জিণ্টু বৰাই একোটাকৈ গছপুলি ৰোপণ কৰি কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছতে শিক্ষক-শিক্ষয়িত্ৰী, ৩৫০ ৰো অধিক শিক্ষাৰ্থী, অভিভাৱক, স্থানীয় লোকসকলৰ উপস্থিতিত প্ৰধান শিক্ষক বিক্ৰম বৰাই বিদ্যালয়ৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে। তাৰপাছতে বিদ্যালয়খনৰ ভূমিদাতা বাপু বাঢ়ৈৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি ধৰ্নপ্ৰাণ ব্যক্তি উপেন বৰাই ধূপ-দীপ প্ৰজ্বলন কৰাৰ পাছতে শিল্পী জুবিন গাৰ্গ আৰু বহুকেইগৰাকী শিল্পীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ৰাতুল ৰাজে। তাৰপাছতে, ভকত-বৈষ্ণৱ আৰু আইসকলে নাম-প্ৰসংগ কৰে। শিক্ষক আজাহাৰ ইনামুল হুছেইন, লক্ষ্মীনাৰায়ণ বৰাই আঁতধৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী ডিম্বেশ্বৰ বৰা, হেমচন্দ্ৰ বৰা, যোগেশ্বৰ হাজৰিকা, প্ৰমোদ হাজৰিকা, খুদল'ৰা বৰা, মহানন্দ বৰা, গংগাধৰ বৰা, তৰুণ বৰুৱা, হৰেশ্বৰ হাজৰিকা, মিঠাৰাম বাঢ়ৈ, অৰুণ শইকীয়া, দীপক বৰা, অমূল্য কুমাৰ দাস, হেমধৰ কলিতা, অভিজিৎ বৰবৰা, ইজাউল হুছেইন, ৰুবী গুৱালা, সুৰেন্দ্ৰনাথ বৰা, দীৰ্ঘদিন শিক্ষকতা কৰা অনন্ত শৰ্মা, ৰমেশ দত্ত, বিদ্যুৎ বিকাশ বৰবৰা, তৰুণ বৰা, শুভাআশা বৰা, কিছুদিন শিক্ষকতা কৰা বাসৱী হাজৰিকা, প্ৰবীণ বুঢ়াগোহাঁই, অঞ্জুশ্ৰী বৰা, অৰুণিমা হাজৰিকা, বৈকুণ্ঠ বৰা, চিৰঞ্জীৱ বৰবৰা, নাজিফ উদ্দিন আহমেদ, শিক্ষক সহায়ক জয়ন্ত বাঢ়ৈ, জয়শ্ৰী বৰা, নৱনিতা দাস, মনজিল বৰা, ধৰিত্ৰী কলিতা, গীতাঞ্জলি বৰা, মৃণাল কলিতা, চুমি বৰা, প্ৰতিষ্ঠা কালত জড়িত শিক্ষক-কৰ্মচাৰী বিনন্দ বৰা, পানীৰাম বৰা, ঘনকান্ত বৰবৰা, খগেন বৰা, যাদৱ চন্দ্ৰ বৰা, বিপিন হাজৰিকা, কুশেশ্বৰ বৰাক সম্বৰ্ধনা জনায়। ইয়াৰে ভালেকেইগৰাকী ব্যক্তি স্বৰ্গগামী হোৱাত পৰিয়ালৰ লোকক মৰণোত্তৰভাৱে সম্বৰ্ধনা-পত্ৰ আৰু সামগ্ৰী প্ৰদান কৰে। তাৰপাছতে বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হেমধৰ কলিতাই সাংস্কৃতিক কাৰ্যসূচীৰ শুভাৰম্ভণি কৰি বিদ্যালয়খন প্ৰতিষ্ঠাৰপৰা চৰকাৰীকৰণ হোৱালৈকে আৰু তেওঁ অৱসৰ গ্ৰহণ কৰাৰ দিনটোলৈকে সবিস্তাৰে বৰ্ণনা কৰে। সাংস্কৃতিক কাৰ্যসূচীত সুনয়না বৰা, প্ৰিয়ংকা বৰা, হিমাংশু বৰাই বৰগীত পৰিৱেশন কৰাৰ পাছতে দশাৱতাৰ নৃত্য প্ৰদৰ্শন কৰে আকাংক্ষা বৰাই, সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে পূজা বৰাই। মাধৱ দল, গৌৰী দল, পদ্মপ্ৰিয়া দল, ৰাধিকা দল, বিষ্ণুপ্ৰিয়া দলে দিহানাম পৰিৱেশন কৰাৰ পাছতে জিকিৰ পৰিৱেশন কৰে আকাংক্ষা বৰা আৰু সংগীসকলে। এই অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খগেন্দ্ৰনাথ বৰা, জিৱকান্ত কলিতা, অভিজিৎ বৰবৰা, নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অনন্ত বৰা প্ৰমুখ্যে বহুকেইগৰাকীয়ে বক্তব্য আগবঢ়ায়। অঞ্চলটোৰ ভালেসংখ্যক ব্যক্তি বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতে কথাছবি পৰিচালক, অৱসৰপ্ৰাপ্ত অধ্যাপক গোলাঘাটৰ দীনেশ গগৈয়ে শুভাৰম্ভ কৰে 'প্ৰহ্লাদ চৰিত্ৰ' ভাওনাত শিক্ষাৰ্থীসকলে অভিনয় কৰে। পুৱাৰে পৰা নিশালৈকে স্থানীয় অভিভাৱকসকলৰ লগতে স্থানীয় লোকসকল উপস্থিত থাকে। উল্লেখ্য, বিদ্যালয়খনত যোৱা ১৯ ডিচেম্বৰত তিনিগৰাকীগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে যোগদান কৰাৰ লগতে এগৰাকী শিক্ষয়িত্ৰী চিনামৰা হাইস্কুললৈ বদলী হোৱাত তেওঁক বিদায় সম্বৰ্ধনা জনায়।

মাটিয়া ৰাজহ চক্ৰত ভাঙি দিয়া হ'ল এটা অবৈধ ইটা ভাটা

# অবৈধ ইটা ভাটাৰ বিৰুদ্ধে গোৱালপাৰা জিলা প্ৰশাসনৰ কঠোৰ পদক্ষেপ



**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৫ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলা প্ৰশাসনৰ প্ৰয়োজনীয় আপত্তি নথকা প্ৰমাণ পত্ৰ (এনঅচি), সামগ্ৰী সেৱা কৰ (জিএছটি) পৰিশোধৰ ক্ষেত্ৰত নিয়ম উলংঘা কৰা বা অন্য আইন ভংগকাৰী ইটা ভাটাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ হাতত লৈছে গোৱালপাৰা জিলা প্ৰশাসনে। গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুংএ ১১ ডিচেম্বৰত জাৰি কৰা (জি-আৰ-এছ/৩৭/২০২৫/৩৬-এ) নম্বৰৰ নিৰ্দেশনা অনুসৰি আজি মাটিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিভাস মেধীয়ে সংশ্লিষ্ট ৰাজহ চক্ৰটোৰ অন্তৰ্গত ৰণুৱা গাঁৱত থকা এটা ইটা ভাটা(বাংলা ভাটা) ভাঙি দিয়ে। মাটিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ উপস্থিতিত এই বাংলা ইটা ভাটাটো ভাঙি দিয়ে। সেই সময়ত উক্ত স্থানত স্থানীয় ৰাইজো উপস্থিত থাকে আৰু চক্ৰ বিষয়াই ভৱিষ্যতে যেন কোনোৱে এইদৰে যধে মধে ইটা ভাটা বনাবলৈ চেষ্টা নকৰে তাৰ বাবে ৰাইজৰ সহযোগিতা বিচাৰে। উক্ত ইটা ভাটাটো এস্কেভেটৰ লগাই সম্পুৰ্ণভাৱে ভাঙি দিয়া হয়।

# বিজনীত বাংলাদেশৰ সমৰ্থকৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় বজৰংগ দলৰ এজাহাৰ দাখিল

**অসম বাৰ্তা, বিজনী, ২৫ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী আৰক্ষী থানাত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ ৰাষ্ট্ৰীয় বজৰং দলে মঙ্গলবাৰে অভিযোগ দাখিল কৰে। হোজাই জিলাৰ শাজাহান বাদশাহ নামৰ বাংলাদেশৰ সমৰ্থক এজনৰ বিৰুদ্ধে বিজনী থানাত দাখিল কৰে এজাহাৰ। বাংলাদেশত হিন্দু যুৱক দীপু চন্দ্ৰ দাসক নিৰ্মমভাৱে হত্যা কৰাৰ বিৰুদ্ধে বিজনীত ৰাষ্ট্ৰীয় বজৰংগ দলে কৰা প্ৰতিবাদৰ বাতৰিত শাজাহান বাদশাহে বাংলাদেশৰ সমৰ্থনত নিজৰ (B.FগুK) ফেচবুক একাউণ্টত ভিডিঅ' বনাই ৰাষ্ট্ৰীয় বজৰংগ দলৰ বিৰুদ্ধে অশ্লীল ভাষাৰে গালি-গালাছ কৰিছিল শাজাহান বাদশাহ নামৰ যুৱকে। এনে পৰিপ্ৰেক্ষিতত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ ৰাষ্ট্ৰীয় বজৰংগ দলৰ চিৰাং জিলা কমিটিয়ে বিজনী থানাত এজাহাৰ দাখিল কৰি যুৱকজনৰ বিৰুদ্ধে আৰক্ষীক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰে।

# ৰাজ্যত জল জীৱন মিছনৰ ব্যাপক অনিয়ম আৰু দুৰ্নীতিৰ অভিযোগৰে ডুমডুমাত কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ ডিচেম্বৰ ঃ** ৰাজ্যজুৰি জলজীৱন মিছনৰ ব্যাপক অনিয়ম আৰু দুৰ্নীতিৰ অভিযোগৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজিও প্ৰতিবাদ অব্যাহত ৰাখিছে। ৰাজ্যৰ বিভিন্ন ঠাইত কংগ্ৰেছে জলজীৱন মিছন আঁচনিৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ তদন্তৰ দাবীত ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ সমান্তৰালকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ড্ৰীম প্ৰজেক্ট 'জলজীৱন মিছন' আচঁনি ৰাজ্যত একপ্ৰকাৰ প্ৰহসনত পৰিণত হোৱাৰ অভিযোগেৰে ডুমডুমাত আজি ডুমডুমা ব্লক কংগ্ৰেছ কমিটীয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ডুমডুমা ব্লক কংগ্ৰেছ কমিটীয়ে আজি ৰূপাই স্থিত ডুমডুমা সমজিলা কাৰ্যালয়ৰ সন্মুখত এঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। তিনিচুকীয়া জিলা কংগ্ৰেছৰ সভাপতি তথা ডুমডুমা সমষ্টিৰ দুবাৰৰ বিধায়ক দুৰ্গা ভূমিজে উক্ত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যত জলজীৱন মিছনত সংঘটিত হোৱা দুৰ্নীতিৰ বাবে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰাৰ দাবী তোলে। জলজীৱন মিছন আঁচনিত সংঘটিত দুৰ্নীতি বিৰুদ্ধে তদন্ত কৰা, আধৰুৱা হৈ থকা কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা, ৰাজ্যৰ হাজাৰ হাজাৰ থলুৱা ঠিকাদাৰৰ প্ৰাপ্য ধন মোকলাই দিয়াৰ ব্যৱস্থা কৰা, প্ৰতিটো খণ্ডত একোজনকৈ স্থায়ী 'জলমিত্ৰ' নিয়োগ কৰি দৰমহা দিয়াৰ ব্যৱস্থা কৰাৰ দাবী তোলে ডুমডুমা ব্লক কংগ্ৰেছে। শেষত ডুমডুমা সমজিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আজিৰ কাৰ্যসূচীত ডুমডুমা ব্লক কংগ্ৰেছৰ সভাপতি উদয় সিং লিম্বু, কাৰ্যকৰী সভাপতি আচিক বাগ, সাধাৰণ সম্পাদক ৰাজেশ কৰ্মকাৰ (প্ৰশাসনিক) আৰু সটিক মৰাণো (সাংগঠনিক) উপস্থিত থাকে।

# আমগুৰিত চ্যুকাফা ট্ৰফী প্ৰাইজমানি ভলীবল প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ২৫ ডিচেম্বৰ ঃ** বীৰ লাচিত সেনাৰ আমগুৰি আঞ্চলিক সমিতিৰ উদ্যোগত তথা আমগুৰিবাসী ৰাইজৰ সহযোগত বিগত বৰ্ষ সমূহৰ এইবাৰো পঞ্চম বাৰ্ষিক চ্যুকাফা ট্ৰফী প্ৰাইজমণি ভলীবল প্ৰতিযোগিতাখনি আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰিবলৈ লোৱা হৈছে। আমগুৰিৰ অন্যতম আকৰ্ষণীয় এই ভলীবল প্ৰতিযোগিতাখনিত বিজয়ী দলক স্বৰ্গীয় জগন্নাথ ভূএগা সোঁৱৰণী চেম্পিয়ন ট্ৰফী আৰু নগদ ২০, ০০০(বিশ হাজাৰ) টকা আৰু বিজিত দলক স্বৰ্গীয় নন্দলাল ভূএগা সোঁৱৰণী ৰাণাৰ্চ আপ ট্ৰফী আৰু নগদ ১৫,০০০ টকা প্ৰদান কৰা হ'ব। এই বিষয়ে সবিশেষ জানিবৰ বাবে ৯৯৫৭৭০২৬৫২, ৮০১১৫১৫৭০৭ নম্বৰত উদ্দ্যোক্তা সকলৰ সৈতে যোগাযোগ কৰিবলৈ বীৰ লাচিত সেনা আমগুৰি আঞ্চলিক তথা উদ্‌যাপন সমিতিৰ তৰফৰপৰা আহ্বান জনোৱা হৈছে।

# দেওৰজাত বিজেপিৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ উদ্যোগত প্ৰবুদ্ধ নাগৰিক সন্মিলন

## মুখ্যমন্ত্ৰীলৈ পৰামৰ্শ প্ৰেৰণ

**অসম বাৰ্তা, জাঁজী, ২৫ ডিচেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চা চাৰিং মণ্ডলৰ উদ্যোগত আৰু শিৱসাগৰ সমিতিৰ সহযোগত আজি দেওৰজা জনতা মঞ্চত প্ৰবুদ্ধ নাগৰিক সন্মিলন আৰু মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হৈ যায়। মৰ্চাৰ চাৰিং মণ্ডলৰ সভাপতি যোগেন গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত এই সন্মিলনত কেইবাটাও মৌজাৰ অৰ্ধশতাধিক বয়োজ্যেষ্ঠ ব্যক্তি, বিশিষ্ট নাগৰিক, কৃষক, ক্ৰীড়াবিদ তথা সংবাদ জগতৰ লগত জড়িত ব্যক্তি নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল। চাৰিং মণ্ডলৰ সাঃ সম্পাদক প্ৰাঞ্জল প্ৰতীম গগৈয়ে আঁত ধৰা এক মত বিনিময় অনুষ্ঠানত প্ৰবুদ্ধ নাগৰিক সকলৰপৰা বৰ্তমান চৰকাৰৰ কামকাজ সমূহৰ ওপৰত মন্তব্য গ্ৰহণ কৰাৰ উপৰি তেওঁলোকৰ দিহাপৰামৰ্শ মুখ্যমন্ত্ৰীৰ সমীপে প্ৰেৰণৰ সিদ্ধান্ত লোৱা হয়। কেইবাজনো জ্যেষ্ঠ নাগৰিকে কৃষকৰ সমস্যাসমূহ, পথাৰত জলসিঞ্চনৰ ব্যৱস্থা, নামঘৰীয়াৰ দৰমহা, অৰুণোদয় আঁচনিৰ আসোঁৱাহ আদিৰ ওপৰত মন্তব্য প্ৰদান কৰে। মত বিনিময় অনুষ্ঠানত জাঁজী জামুগুৰিস্থিত পূৰ্বৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ পৰা ফুলপানীছিগা পৰ্যন্ত ঐতিহাসিক 'ৰঙাজান'খন চাৰিলেনযুক্ত পথ নিৰ্মাণ কোম্পানীয়ে আধালৈকে পুতি পথ নিৰ্মাণ কৰাত বাৰিষা জানখনৰ পানী পৰিবাহিত ব্যাঘাট হৈ কৃত্ৰিম বানপানী সৃষ্টি হোৱাৰ বিষয়টোও উত্থাপন হয়। আজিৰ সভাত সকলো প্ৰবুদ্ধ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সভাত অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ শিৱসাগৰ জিলা সভাপতি ধ্ৰুৱজ্যোতি চাংমাই, জিলা সাঃ সম্পাদক ডেভিদ খনিকৰ, চাৰিং মণ্ডলৰ প্ৰভাৰী দ্ৰুমিল বৰুৱা, চাৰিং বিজেপি মণ্ডল সভাপতি দেৱজিৎ বৰা, সাঃ সম্পাদক মনোজ গগৈ, ম'ৰাবজাৰ আঞ্চলিক পঞ্চায়তৰ সদস্য ত্ৰৈলোক্য বৰুৱাকে আদি কৰি বিজেপি দলৰ কৰ্মকৰ্তা আৰু স্থানীয় বহু ব্যক্তি উপস্থিত আছিল।

# অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ ১৭ সংখ্যক দ্বিবাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ডিচেম্বৰ ঃ** অসম কলেজ শিক্ষক সংস্থা, মাজুলী মাণ্ডলিক সমিতিৰ দ্বিবাৰ্ষিক অধিৱেশনখনি আজি জেংৰাইমুখ মহাবিদ্যালয়ত সম্পন্ন হয়। এই উপলক্ষে পুৱা ৯ বজাত মাজুলী মাণ্ডলিক সমিতিৰ মূল পতাকা উত্তোলন কৰে মাজুলী মণ্ডলৰ সভাপতি প্ৰশান্ত ভৰালীয়ে। লগতে মণ্ডলৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ শিক্ষক গোটৰ পতাকা উত্তোলন কৰে সংশ্লিষ্ট মহাবিদ্যালয়ৰ শিক্ষক গোটসমূহৰ সভাপতি ক্ৰমে মাজুলী মহাবিদ্যালয়ৰ ড° ব্ৰজেন চন্দ্ৰ নেওগ, জেংৰাইমুখ মহাবিদ্যালয়ৰ বিনোদ দাস, উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ ড° উপেন বৰা, ৰঙাচাহী মহাবিদ্যালয়ৰ বদন চন্দ্ৰ নেওগ, পূব মাজুলী মহাবিদ্যালয়ৰ অৰূপ বৰাই উত্তোলন কৰে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° উপেন বৰাই। পুৱা ১১.০০ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে মাজুলী মাণ্ডলিক সমিতিৰ সভাপতি অধ্যাপক প্ৰশান্ত ভৰালীয়ে। মাজুলী মাণ্ডলিক সমিতিৰ সম্পাদক ডঃ অজিত কোঁৱৰ আৰু জেংৰাইমুখ মহাবিদ্যালয় অভ্যৰ্থনা সমিতিৰ সম্পাদিকা মল্লিকা মৰাণে আঁত ধৰা সভাৰ আৰম্ভণিতে মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ জ্যেষ্ঠ সদস্য ড° ৰাজেন চন্দ্ৰ বৰাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে আদৰণী ভাষণ দিয়ে জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যাপক বিনোদ দাসে। মুকলি সভাখনি উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়- "এখন সমাজে যিকোনো বিষয় সংক্ৰান্তত শিক্ষকসকলৰ মুখলৈ চাই থাকে। গতিকে শিক্ষক হিচাপে আমাৰ সমাজৰ প্ৰতি দায়িত্ব আনসকলতকৈ বহুগুণে বেছি। এই দায়িত্ব স্বীকাৰ কৰি লোৱাটোৱেই আমাৰ প্ৰধান কৰণীয় হোৱা উচিত।" অসম কলেজ শিক্ষক সংস্থাৰ বিত্ত সম্পাদক প্ৰাঞ্জল গগৈ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য দাঙি ধৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম কলেজ শিক্ষক সংস্থা, লখিমপুৰ মণ্ডলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য প্ৰণৱ কুমাৰ হাজৰিকা, পূব মাজুলী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দীপক বৰা, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ নাথ ডেকা, এ চি টি এৰ প্ৰাক্তন সভাপতি তথা মৰাণ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তুলসী দাস, হাৰ্হি মহাবিদ্যালয়ৰ অধ্যাপক অজিত শৰ্মা, জেংৰাইমুখ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ছায়া দত্ত, মাজুলী মণ্ডলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অধ্যাপক তুলসী ৰাজখোৱা আদিয়ে বক্তব্য আগবঢ়ায়। আজিৰ সভাতে ৰাষ্ট্ৰপতিৰ বিশেষ বঁটাপ্ৰাপক মাজুলীৰ বয়নশিল্পী বাপুকণ পায়েং, সদ্য অৱসৰপ্ৰাপ্ত মণ্ডলৰ সদস্য অধ্যাপক ক্ৰমে ৰঙাচাহী মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা লক্ষ্মী বৰুৱা, মাজুলী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকা, জেংৰাইমুখ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক চন্দ্ৰধৰ দত্তক মাণ্ডলিক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অসম কলেজ শিক্ষক সংস্থা, মাজুলী মাণ্ডলিক সমিতিৰ দ্বিবাৰ্ষিক মুখপত্ৰখনি উন্মোচন কৰে জেংৰাইমুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা বিশিষ্ট লেখক সুৰেন্দ্ৰ নাথ মুদৈয়ে। বিয়লি ১.৩০ বজাৰ পৰা অনুষ্ঠিত বিষয় বাছনি তথা প্ৰতিনিধি সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে অসম কলেজ শিক্ষক সংস্থা, লখিমপুৰ মণ্ডলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য প্ৰণৱ কুমাৰ হাজৰিকা। বিষয় বাছনি সভাত আগন্তুক কাৰ্যকালৰ বাবে এখনি কাৰ্যকৰী সমিতি গঠন কৰা হয়।

"শ্ৰী কৃষ্ণৰ বৈকুণ্ঠ পৰায়ণ", পাঞ্চজন্য শিল্পী সমাজ, লখিমপুৰ প্ৰথম শ্ৰেষ্ঠ দল

# নিজম পৰিল শংকৰ-মাধৱ মিলন ক্ষেত্ৰ; অসম শিশু ভাওনা সমাৰোহ ২০২৫ৰ সামৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ডিচেম্বৰ ঃ** মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত তথা মাজুলীবাসীৰ সহযোগত শ্ৰীশ্ৰীআদি বিহিমপুৰ সত্ৰ, ৰাজগুৰুবাৰীৰ শংকৰ-মাধৱ মিলন ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম শিশু ভাওনা সমাৰোহ -২০২৫ ৰ আজি সামৰণি পৰে। ১৪ ডিচেম্বৰৰ পৰা অনুষ্ঠিত শিশু ভাওনা সমাৰোহৰ কালি প্ৰতিযোগিতা ভাওনাৰ অন্ত পৰাৰ পিছতেই নিশাই বিচাৰকে ভাওনা সমাৰোহৰ উদযাপন সমিতিৰ মুখ্য সম্পাদক অমৃত বৰা, সাংস্কৃতিক উপ-সমিতিৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতৰ হাতত ফলাফলৰ তালিকা আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। বিচাৰকে দাখিল কৰা ফলাফলৰ তালিকা অনুসৰি ক্ৰমে প্ৰথম শ্ৰেষ্ঠ দলঃ "শ্ৰী কৃষ্ণৰ বৈকুণ্ঠ পৰায়ণ", পাঞ্চজন্য শিল্পী সমাজ, লক্ষ্মীমপুৰ, দ্বিতীয় শ্ৰেষ্ঠ দলঃ "ভগৱত দৰ্শন", ৰংদৈ দ গাঁও, শিশু ভাওনা দল, যোৰহাট, তৃতীয় শ্ৰেষ্ঠ দলঃ "বিপ্ৰ দামোদৰ আখ্যান, দন্তবক্ৰৰ মুক্তি লাভ", সম্প্ৰীতি সামাজিক সাংস্কৃতিক আৰু ক্ৰীড়া অনুষ্ঠান, বালিচাপৰি, যোৰহাট, চতুৰ্থ শ্ৰেষ্ঠ দলঃ "লক্ষ্মণ বৰ্জন", বকুল বৃন্দাবন নাট্যগোষ্ঠী, থোকামৰা, মৰাণহাট, চৰাইদেউ, পঞ্চম শ্ৰেষ্ঠ দলঃ "সিন্ধুমুনিৰ পিতৃভক্তি, দশৰথৰ স্বৰ্গ উদ্ধাৰ", নজোন সাংস্কৃতিক গোষ্ঠী, বগৰীবাম, দুলিয়াজান, ষষ্ঠ শ্ৰেষ্ঠ দলঃ যুটীয়া ভাৱে "অম্বাৰ দেহত্যাগ", বৰুৱা পুখুৰী শিল্পী সমাজ, মাউংগাঁও, যোৰহাট আৰু "পৰশুৰামৰ মাতৃ হত্যা", মধুসুদন সাংস্কৃতিক নাট্য গোষ্ঠী, শ্ৰীশ্ৰী চিপহা সত্ৰ, হামদৈ, তিতাবৰে লাভ কৰে। ইফালে আজি পুৱা সামূহিক চাফাই আৰু তাৰ পিছতেই অনুষ্ঠিত নাম-প্ৰসঙ্গৰ পিছতেই ১২ বজাৰ পৰা বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। বিশ্বনাথ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তাৰানাথ মহন্তই উদ্বোধন কৰা বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে উদযাপন সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰদীপ দত্তই। বিশিষ্ট ঘোষক দীপক বৰুৱাই আঁত ধৰা উক্ত বঁটা বিতৰণী সভাত ভাওনা সমাৰোহৰ চাৰি বিচাৰক ক্ৰমে জয়ন্ত বৰা, দীনাৰাম বৰা, কেশৱ কাকতি আৰু বাবুল বৰাৰ উপস্থিতিতে স্থান প্ৰাপ্ত দল সমূহক আনুষ্ঠানিকভাৱে পুৰস্কাৰ সমূহ প্ৰদান কৰে। ইফালে পাৰদৰ্শিতাৰ ভিত্তিত নিৰ্বাচিত কৰা ক্ৰমে শ্ৰেষ্ঠ গায়ন - বায়ন, সূত্ৰধাৰ, দোহাৰ, শ্ৰেষ্ঠ বায়ন, শ্ৰেষ্ঠ গায়ন, শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ অভিনেত্ৰী, শ্ৰেষ্ঠ বাঁহী বাদক, শ্ৰেষ্ঠ ভগৱান চৰিত্ৰ, শ্ৰেষ্ঠ নাৰদ চৰিত্ৰ, শ্ৰেষ্ঠ মুখা, শ্ৰেষ্ঠ ৰূপসজ্জা, শ্ৰেষ্ঠ পুৰুষ পাৰ্শ্ব চৰিত্ৰ, শ্ৰেষ্ঠ মহিলা পাৰ্শ্ব চৰিত্ৰ, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলৰ লগতে বিচাৰকৰ বিশেষ বঁটা লাভ কৰা ২০টা চৰিত্ৰকো আনুষ্ঠানিকভাৱে পুৰস্কাৰ প্ৰদান কৰে। বিচাৰকৰ ফালৰ পৰা কেশৱ কাকতি আৰু বাবুল বৰাই স্থান প্ৰাপ্ত দল সমূহক উদ্দেশ্যি উপদেশমূলক বক্তব্য ৰাখে। প্ৰতিযোগিতাৰ দহটা দিনত অসমৰ বিভিন্ন প্ৰান্তৰ মুঠ ২০টা শিশু ভাওনা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। উদযাপন সমিতিৰ মুখ্য সম্পাদক অমৃত বৰাই সভাৰ শলাগৰ শৰাই আগবঢ়ায়। সভাত বিশিষ্ট অতিথি হিচাপে বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰভাত বৰা বুঢ়াভকত, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° আনন্দ হাজৰিকা, আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কৰুণা বৰা, পূব মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অৰূপ কুমাৰ বৰাৰ লগতে সন্মানীয় অতিথি হিচাপে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, আপকুৰ কেন্দ্ৰীয় উপ-সভাপতি জীৱন বৰুৱা উপস্থিত থাকে। ইফালে ৫.৩০ বজাৰ পৰা বৰুৱাবাৰী সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ শিশু শিল্পী সকলে সামৰণী অংকীয়া ভাওনা 'ৰাম বিজয়' অংকীয়া নাট পৰিৱেশন কৰে।

# ঠাকুৰণীপাৰাত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অসম বাৰ্তা, উত্তৰ শালমাৰা, ২৫ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত কাকৈজানা ঠাকুৰণীপাৰাত যোৱা কালি সন্ধিয়া ৭-০০ মান বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। ১৭ং ফৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনাত পশ্চিম ঠাকুৰাণীপাৰাৰ ৰাম বৰ্মন (৩৮) থিতাতে মৃত্যু হয়। কোনো অচিনাকি বাহনে খুন্দিয়াই উক্ত স্থানৰ পৰা পলায়ন কৰে। দুৰ্ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে ঘটনা স্থলীত উত্তৰ শালমাৰা আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ মৃত দেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বঙাইগাঁও অসামৰিক চিকিৎসাল য়ত প্ৰেৰণ কৰে। আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা বাহনখন উদ্ধাৰৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

## সম্পাদকীয়

# ৰাষ্ট্ৰীয় সম্পদৰ সৈতে পৰিৱেশৰ সুস্থ ভৱিষ্যতৰ সন্ধাৰ্ষণ

কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰালয়ে ৰাজস্থান, হাৰিয়ানা আৰু গুজৰাটৰ মুখ্য সচিবলৈ প্ৰেৰণ কৰা নিৰ্দেশনা এখনৰ জৰিয়তে আৰাৱল্লী পৰ্বতমালাত নতুন খনন পট্টা প্ৰদান স্থগিত ৰখাৰ সিদ্ধান্তে এক ডাঙৰ ৰাষ্ট্ৰীয় পদক্ষেপ হিচাপে চিহ্নিত হৈছে। এই পৰ্বতশ্ৰেণী কেৱল ভূ-প্ৰাকৃতিক সীমাহে নহয়, উত্তৰ ভাৰতৰ বাবে এক অতি গুৰুত্বপূৰ্ণ পৰিৱেশগত ঢাল হিচাপে কাম কৰে। গতিকে নতুন "বহনক্ষম খনি ব্যৱস্থাপনা পৰিকল্পনা" (এমপিএছএম) চূড়ান্ত নোহোৱালৈকে এই স্থগিতাদেশে এক বিজ্ঞানসন্মত, দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই নিৰ্দেশনাৰ প্ৰধান উদ্দেশ্য হৈছে এক "বিস্তৃত আৰু বিজ্ঞানভিত্তিক পৰিচালনা পৰিকল্পনা" প্ৰস্তুত কৰা, যাৰ জৰিয়তে খননৰ পৰিৱেশগত প্ৰভাৱ, অঞ্চলটোৰ স্থিতিস্থাপকতা মূল্যায়ন কৰি সংবেদনশীল আৰু সংৰক্ষণৰ অঞ্চলবোৰ চিনাক্ত কৰিব পৰা যাব। ইয়াৰ অৰ্থ হৈছে যে ভৱিষ্যতৰ কোনো খনন কাৰ্য্য অনিয়ন্ত্ৰিতভাৱে নহয়, এক সুস্পষ্ট আৰু দায়বদ্ধ কাঠামোৰ মাজতহে চলিব। ই এক পৰিৱেশ সচেতনতাৰ সৈতে অৰ্থনৈতিক কাৰ্য্যকলাপৰ সমন্বয় সাধনৰ প্ৰয়াস। বিভিন্ন প্ৰান্তত ট্ৰেক্টৰ-ট্ৰলী, ল'ডাৰ, জেচিবি আদিৰে চলোৱা অবৈধ খননৰ ঘটনা সাধাৰণ কথা। কিছুক্ষেত্ৰত ই এতিয়াৰ পৰা 'খনন মাফিয়া'ৰ ৰূপ ধাৰণ কৰি সামাজিক সংঘাত, প্ৰশাসনিক বিৰোধ আৰু জীৱনহানিৰ দৰে গুৰুতৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। অবৈধ খননক উৎসাহিত কৰি সাধাৰণ নাগৰিকক পুৰস্কাৰ প্ৰদানৰ দৰে ব্যৱস্থাও দেখা গৈছে। গতিকে, আৰাৱল্লীৰ দৰে এক গুৰুত্বপূৰ্ণ অঞ্চলত কেন্দ্ৰই এই স্পষ্ট নীতি আগবঢ়োৱাটো এক সক্ৰিয় প্ৰতিৰোধমূলক কৌশল। কেন্দ্ৰৰ এই সিদ্ধান্তে জনসাধাৰণৰ মনত কিছুমান যুক্তিসংগত প্ৰশ্নৰ সৃষ্টি কৰিছে: খননকাৰ্য্য স্থগিত ৰখাত স্থানীয় স্তৰত কৰ্মৰত বা এনে কামৰ সৈতে জড়িত লোকসকলৰ জীৱিকাৰ ওপৰত প্ৰভাৱ পৰিব নেকি? চৰকাৰে বিকল্প জীৱিকাৰ সুবিধাৰ কথা চিন্তা কৰিব নেকি? "বহনক্ষম খনি ব্যৱস্থাপনা পৰিকল্পনা" প্ৰস্তুত কৰিবলৈ কিমান সময় লাগিব? এই সময়ছোৱাত পূৰ্বৰ অনুমোদনসমূহৰ ম্যাদ উকলি গ'লে কি হ'ব? নতুন অনুমতি বন্ধ ৰখাৰ লগে লগে বৰ্তমানেও চলি থকা খননকাৰ্য্য আৰু সম্ভাব্য অবৈধ খননক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কিমান কাৰ্যকৰী হ'ব? আন ৰাজ্যৰ দৰে ইয়াতো ট্ৰেক্টৰ, জেচিবি আদিৰে অবৈধ কাৰ্য্য চলিব নেকি? এই সিদ্ধান্তে ভৱিষ্যতৰ বাবে এক সামঞ্জস্যপূৰ্ণ বিকাশৰ মডেল সৃষ্টি কৰিব পাৰিব নেকি? ইয়াত পৰিৱেশ ৰক্ষা, অৰ্থনৈতিক লাভ আৰু স্থানীয় জনসাধাৰণৰ স্বাৰ্থ— এই তিনিটা দিশৰ মাজত সমতা ৰক্ষা কৰাটোৱে মুখ্য হ'ব। নিৰ্দেশনা কেৱল এখন কাগজ নহয়। ইয়াৰ সফলতা নিৰ্ভৰ কৰিব কাৰ্যকৰী প্ৰক্ৰিয়াৰ ওপৰত। পৰিৱেশ সুৰক্ষা নিশ্চিত কৰিবলৈ বৰ্তমানৰ খনন কাৰ্য্য "কঠোৰভাৱে নিয়ন্ত্ৰিত" কৰাৰ কথাটো উল্লেখ আছে। ইয়াৰ বাবে পাৰদৰ্শিতা, বিজ্ঞানভিত্তিক মূল্যায়ন, নিৰ্ধাৰিত নীতি মানি চলাটো নিশ্চিত কৰা স্থানীয় প্ৰশাসনৰ সক্ষমতা আৰু সদিচ্ছাৰ প্ৰয়োজন। বাহ্যিক নিয়ন্ত্ৰণৰ লগতে সামাজিক দায়বদ্ধতা আৰু সজাগতাও ইয়াত গুৰুত্বপূৰ্ণ। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তে আৰাৱল্লী পৰ্বতমালাক ৰাষ্ট্ৰীয় সম্পদ হিচাপে পৰিচয় দিয়াৰ লগতে ইয়াৰ সুৰক্ষাৰ প্ৰতি এক দায়বদ্ধতা প্ৰকাশ কৰিছে। ইয়াত থকা প্ৰাকৃতিক সম্পদ আহৰণৰ দৰকাৰ আছে, কিন্তু ইয়াৰ দীৰ্ঘম্যাদী পৰিৱেশগত ভূমিকাক অগ্ৰাহ্য কৰি নহয়। ভাৰতৰ দৰে এক বিকাশশীল দেশৰ বাবে ই এক জটিল সন্ধিক্ষণ- অৰ্থনৈতিক বিকাশৰ আহ্বান আৰু প্ৰাকৃতিক ঐতিহ্য ৰক্ষাৰ দায়িত্বৰ মাজত সমতা স্থাপন। স্থগিতাদেশটোৱে এই সমতা স্থাপনৰ বাবে চিন্তাৰ সময় দিয়ে। ইয়াক সমস্যাৰ অন্তিম সমাধান হিচাপে নোচোৱাকৈ, এক সুচিন্তিত, বিজ্ঞানভিত্তিক আৰু দীৰ্ঘম্যাদী ব্যৱস্থাপনা আৰু নীতি প্ৰণয়নৰ প্ৰথম পদক্ষেপ হিচাপে গণ্য কৰিলে আৰু সাধাৰণ নাগৰিকৰ যুক্তিসংগত প্ৰশ্নসমূহৰ প্ৰতি গুৰুত্ব দিলেহে এই সিদ্ধান্তৰ সফল ৰূপায়ণ সম্ভৱ হ'ব।

◀◀ অৰ্থনীতিত মিডিয়াই সৃষ্টি কৰা খ্যাতিয়ে ভোগবাদ বৃদ্ধি কৰিছে। সাধাৰণ মানুহে কৃত্ৰিম ভাৱে বিখ্যাত মানুহবোৰৰ দৰে জীৱন যাপন কৰিব খোজে, যাৰ ফলত অপচয় বাঢ়ি যায়। ৰাজনীতিত এই প্ৰভাৱ অধিক স্পষ্ট। কৃত্ৰিম ভাৱে বিখ্যাত মানুহবোৰে ৰাজনীতিত প্ৰৱেশ কৰি ভোট লাভ কৰে, কিন্তু নীতি নিৰ্ধাৰণত অক্ষম হয়। এই ফলত ৰাজনৈতিক ব্যৱস্থা দুৰ্বল হৈ পৰিছে। পৰিয়ালতো এই মানসিকতাই প্ৰভাৱ পেলাইছে। পিতৃ-মাতৃয়ে সন্তানক বিখ্যাত কৰিব খোজে, যাৰ ফলত পৰিয়ালৰ সম্পৰ্ক দুৰ্বল হয়। যুৱ সমাজত এই সমস্যা অধিক। তেওঁলোকে খ্যাতিৰ পিছে পিছে দৌৰে, কিন্তু প্ৰকৃত উন্নয়নত মনোনিৱেশ নকৰে। মহিলাৰ ক্ষেত্ৰত মিডিয়াই সৌন্দৰ্যক খ্যাতিৰ মাপকাঠী কৰিছে, যাৰ ফলত মানসিক চাপ বাঢ়ি যায়। বৃদ্ধসকলক অৱহেলা কৰা হয়, কিয়নো তেওঁলোক বিখ্যাত নহয়। ▶▶

# খ্ৰীষ্টীয়ান ধৰ্ম আৰু বড়দিন

ড° আৰ কে বেজবৰুৱা

তেতিয়া হয়তো সময় অথবা বৰ্ষ গণনাৰ কথা কোনেও ভবা (এক মাত্ৰ ভাৰতীয়সকলৰ বাহিৰে) নাছিল। সময়বোৰ বছৰ হৈ মানুহৰ ওপৰেৰে পাৰ হৈ গৈছিল পল অনুপলকৈ। জুদীয়াৰ ৰোমাণ প্ৰদেশৰ অন্তৰ্গত জেৰুজালেম নামৰ এখন ঠাই আছিল। তেনেকুৱা সময়তেই তাৰ বেথেলহেম নামৰ গাঁৱৰ এটা ঘোঁৰা বন্ধা ঘৰত এটি মানৱ শিশুৰ জন্ম হৈছিল। তেওঁৰ জন্মৰ দিনটো পৃথিৱীৰ ইতিহাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিন। পৰৱৰ্তী কালত সেই দিনটো সময়ৰ ইটো পাৰ আৰু সিটো পাৰৰ মাজত এটা ধ্ৰুৱক হৈ ৰ'ল। তাৰ আগৰ দিনবোৰ যেন স্থবিৰ হৈ গ'ল এই দিনটোৰ সিটো পাৰে 'খ্ৰীষ্টপূৰ্ব' নামেৰে। ইটো পাৰে প্ৰবাহিত হৈ থাকিল সময়ৰ নীৰৱচ্ছিন্ন গতি আজিৰ তাৰিখলৈ। বছৰবোৰক নামকৰণ কৰা হ'ল 'খ্ৰীষ্টাব্দ' বা 'চন' হিচাপে। সেই দিনটো এতিয়া সময়ৰ গণনাত পৃথিৱীৰ প্ৰায় সকলো ঠাইতে ধ্ৰুৱক হিচাপে পৰিগণিত হৈ পৰিল। সেই দিনটো হৈছে বড়দিন।

কিন্তু তাৎপৰ্য পূৰ্ণ কথা হ'ল, শিশুটিৰ মাতৃগৰাকী আছিল কুমাৰী। তেওঁ নাম মৰিয়ম। শিশুটিৰ পিতৃত্ব দায়িত্ব ল'লে যোচেফ নামৰ লোক এজনে। কুমাৰী মাতৃৰ গৰ্ভত জন্মা সেই শিশুৰ নাম ৰখা হ'ল যীশু। কালক্ৰমত সেই শিশু এদিন যীশুখ্ৰীষ্ট নামেৰে জনাজাত হৈ পৰিল আৰু তেওঁ মানুহক পাপৰ বিপৰীতে পোহৰৰ পথ দেখুৱালে। এই দিনটোৰ পৰা ধৰি শতিকাটোৰ মাজ ভাগত জেৰুজালেমত জুদীয় মতবাদৰ মাজৰ পৰা খ্ৰীষ্টীয় মতবাদৰ উদ্ভৱ হ'ল ( Christianity developed out of Judaism in the 1st century C.E. It is founded on the life, teachings, death, and resurrection of Jesus Christ, and those who follow him are called 'Christians.' )।

তেওঁৰ অনুসৰণকাৰী সকলৰ মতে যীশু ঈশ্বৰৰ পুত্ৰ। আজিৰ পৰা দুহেজাৰ পচিশ বছৰৰ আগত পৃথিৱীৰ এটা অংশত মানুহ পাপত নিমজ্জিত হৈ আছিল। তেওঁলোকৰ উদ্ধাৰৰ বাবে জেৰুজালেমৰ বেথেলহেমত আস্তাৱলত যীশুখ্ৰীষ্টৰ জন্ম হৈছিল। তেওঁ মানুহৰ মাজত প্ৰেমৰ বাণী প্ৰচাৰ কৰিছিল। কিন্তু আচৰিত কথা - যীশুখ্ৰীষ্ট নিজেই এদিন মানুহৰ হিংসা-দ্বেষৰ বলি হৈছিল। যীশুখ্ৰীষ্টৰ অনুগামী পিতৰ নামৰ অতি ঘনিষ্ঠ শিষ্য এজনেই তেওঁৰ হত্যাৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল।

**যীশুখ্ৰীষ্টক হত্যা কৰি কাৰ কি লাভ হ'ল?**

লাভ কাৰো একো নহ'ল। কিন্তু যীশুৰ হত্যাই মানুহৰ মনত অনুশোচনাৰ সৃষ্টি কৰিলে। অনুশোচনাত দগ্ধ হৈ এচামে যীশোৱে আগবঢ়োৱা সজ কথাবোৰ বা তেওঁৰ মতাদৰ্শ নিজৰ জীৱনত প্ৰতিফলিত কৰাৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে। সেই কথাবোৰকে আকৌ যীশুৰ দুই-এজন অনুগামীয়ে জন-সমুদায়ৰ ওচৰলৈ লৈ যোৱাৰ প্ৰচেষ্টা আৰম্ভ কৰিলে। কালক্ৰমত তেওঁ কৈ যোৱা কথা, সজ উপদেশ বা জ্ঞানৰ বাণীসমূহৰ (life, teachings, death, and resurrection) দ্বাৰা অনুপ্ৰাণিত হৈ অল্পসংখ্যক অনুগামীৰে খ্ৰীষ্টীয়ান সংঘ (Christian Community) এটা গঢ়ি উঠিল। কিন্তু সেই আৰম্ভণি কালত চাৰ্চ (গীৰ্জা) বা মন্দিৰৰ ধাৰণাটো উদ্ভৱ হোৱা নাছিল। খ্ৰীষ্টীয়ান সংঘৰ পৰিচালনাৰ ভাৰ যীশুৰ শিষ্য ছেইণ্ট পিঠাৰে কান্ধ পাতি ল'লে। পৰৱৰ্তী সময়ত ছেইণ্ট পিটাৰ ৰোমৰ এগৰাকী বিচপ হিচাপে নিযুত হয় আৰু প্ৰথম শতিকাৰ ভিতৰতে তেওঁ এজন ধৰ্মীয় সঞ্চালক হৈ উঠিল। এই পিটাৰৰ হাতত খ্ৰীষ্টীয়ান ধৰ্মই নতুন ৰূপ আৰু গতি লাভ কৰিছিল।

সময়ৰ লগে লগে ৰোমৰ বিচপৰ দায়িত্ব আৰু গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিলে। তেনেকুৱা সময়তে খ্ৰীষ্টীয়ান ধৰ্মই জাৰ্মানীত প্ৰৱেশ কৰিলে। দ্বিতীয় শতিকাত ৰোমৰ বিচপে 'চাইন'ড' বা কাউন্সিল আহ্বান কৰিব পৰাৰ ক্ষমতা (power) আহৰণ কৰিলে। তাৰ পিছৰ পৰাই ৰোমৰ বিচপে খ্ৰীষ্টীয়ান মতাদৰ্শৰ ধৰ্মীয় নিয়ম-নীতি আৰু আইন-কানুনৰ গতি-প্ৰকৃতি নিৰূপণ কৰিবলৈ আৰম্ভ কৰিলে।

সেয়া তৃতীয় শতিকাৰ কথা! সেই সময়ত ৰোমৰ বিচপজন ইমানেই শক্তিশালী হৈ উঠিল যে ধৰ্মীয় সকলো কাম-কাজ তেওঁৰ দ্বাৰা পৰিচালিত হ'বলৈ ধৰিলে। বিচপে দেশৰ অভ্যন্তৰীণ শাসন-ব্যৱস্থা আৰু আইনী প্ৰক্ৰিয়াতো সোমাই পৰিল। তেৰেঁই ধৰ্মৰ গুৰি ধৰোঁতা, তেৰেঁই প্ৰশাসক, তেৰেঁই চাৰ্চ! তেতিয়ালৈকে সমগ্ৰ ৰোমান সাম্ৰাজ্যত খ্ৰীষ্টীয়ান ধৰ্মৰ খোপনি মজবুতকৈ শিপাই গৈছিল যদিয়ো অ'ত-ত'ত ধৰ্মৰ বাবে যুঁজ-বাগৰ চলি আছিল।

সেয়া ৩১৩ খ্ৰীষ্টাব্দ। ৰোমৰ বিচপ পদটোৰ অৱলুপ্তি ঘটাই 'পোপ' কৰা হ'ল আৰু এই পোপৰ হাততেই ৰোমৰ শাসন ব্যৱস্থাও কেন্দ্ৰীভূত হ'ল। ঠিক সেই সময়তে সম্ৰাট কনষ্টাণ্টিনে খ্ৰীষ্টীয়ান ধৰ্ম গ্ৰহণ কৰি এই ধৰ্মক ন্যায়িক সিদ্ধতা (Ligalisation of Christianity) প্ৰদান কৰিলে।

৩৮০ খ্ৰীষ্টাব্দত সম্ৰাট থিয়'ডচিয়াচে এখন আধ্যাদেশ জাৰি কৰিলে। তাত কোৱা হ'ল যে সমূহ প্ৰজাই খ্ৰীষ্টীয়ান ধৰ্মক নিজৰ ধৰ্ম হিচাপে গ্ৰহণ কৰিব লাগিব। তেতিয়াৰ পৰাই খ্ৰীষ্টীয়ান ধৰ্ম ৰাজধৰ্ম হিচাপে



পৰিগণিত হ'ল।

আৰ্কিওল'জিকেল হিষ্ট্ৰীৰ মতে পোনপ্ৰথমে পূৰ্ণাংগ গীৰ্জা- Dura Europo স্থাপন হৈছিল ছিৰিয়াৰ জৰ্ডানত, খৃষ্টৰ জন্মৰ ২৩০ বছৰ আগতেই। কিন্তু সেয়া বৰ্তমান কালৰ গৰ্ভত। আন এটা সিদ্ধান্ত মতে, প্ৰথম গীৰ্জাৰ ঘণ্টা ধ্বনিত হৈছিল এণ্টিয়কত (টাৰ্কী)। 'Christian at Antioch' - বুলি অভিহিত কৰা হৈছিল সেই গীৰ্জাক। কিন্তু এয়াও সত্য যে, প্ৰথম গীৰ্জাৰ ঘণ্টা ধ্বনি শুনা গৈছিল জেৰুজালেমৰ পৰা, যি ঠাইত যীশোৱে 'লাষ্ট চাপাৰ' বা শেষ আহাৰ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত যীশুৰ হত্যাই সেই ঠাইলৈ শ্মশানৰ নীৰৱতা নমাই আনিছিল। সেই নীৰৱতা ভঙা নাছিল তাৰ বহু বছৰলৈ পিছলৈয়ো। তাৰ পৰিবৰ্তে খ্ৰীষ্টীয়ান ধৰ্মই পোখা মেলিছিল অন্যান্য দূৰ দূৰণিৰ ঠাইত। আনকি খ্ৰীষ্টীয় ৫২ চনতেই ভাৰতৰ দক্ষিণ উপকূলৰ কোঙ্কান উপত্যকাত খ্ৰীষ্টীয়ান ধৰ্মই গজালি মেলিছিল। ত্ৰিশুৰত 'টমাচ দ্য এপষ্টল'-এ গীৰ্জাৰ ধ্বনিৰে জগাই তুলিব খুজিছিল সমগ্ৰ উপত্যকা। আনকি ইয়াকো কোৱা হৈছে যে যীশুখ্ৰীষ্ট পঞ্জাৱৰ সিন্ধ প্ৰদেশৰ মাজেৰে নালন্দালৈ আহিছিল। ইয়াৰ বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছিল। আকৌ তেওঁ উৰিষ্যা আৰু কাশ্মীৰো ভ্ৰমণ কৰিছিল। সেয়া বিভিন্ন জনৰ বিভিন্ন অধ্যয়ন আৰু মতামতৰ কথা।

মধ্যযুগীয় বিলাসিতা ভৰা সমাজ ব্যৱস্থাত খ্ৰীষ্টীয়ান ধৰ্মই পূব-পশ্চিম দিশত আগবাঢ়ি গৈ থাকিল।

ষোড়শ শতিকাত গীৰ্জাৰ দুৱাৰত প্ৰটেষ্টাণ্টৰ হাতুৰি পৰিল। দুভাগত বিভক্ত হ'ল খ্ৰীষ্টীয়ান ধৰ্ম আৰু গীৰ্জা। ধৰ্মৰ ভিতৰ চ'ৰাত বিলাসিতা, দুৰ্নীতিয়ে যীশু খ্ৰীষ্টৰ দ্বাৰা প্ৰৱৰ্তিত মতবাদত প্ৰশ্ন উত্থাপন কৰিলে। কালক্ৰমত খ্ৰীষ্টীয়ান ধৰ্মত বিভাজনৰ পোষকতা অত্যন্ত জৰুৰী হৈ পৰিল। এটা এটাকৈ মুখ্য ছয়টা ভাগত ই বিভক্ত হ'ল - চাৰ্চ অৱ ইষ্ট, অ'ৰিয়েণ্টেল অ'ৰ্থ'ডক্সি, ইষ্টাৰ্ণ অ'ৰ্থ'ডৰ্ী, ৰোমান কেথ'লিক, প্ৰচেষ্টাণ্ট আৰু ৰেষ্ট'ৰেচনেল। পৰৱৰ্তী সময়ত প্ৰটেষ্টাণ্ট ধৰ্মৰো আৰু কেইটামান ভাগ হ'ল।

১৭৯৩ চনত নতুনকৈ খ্ৰীষ্টীয়ান মতবাদ আহি ভাৰতত উপস্থিত হ'ল।

১৭৯২ চনৰ ৩০ মে'ত এখন মন্ত্ৰী পৰ্য্যায়ৰ অনুষ্ঠানত উইলিয়াম কেৰীয়ে কথা এটা উত্থাপন কৰিছিল- "Excpect great things from God: attempt great things for God."

"যদি তুমি ভগৱানৰ পৰা কিবা বিচৰা, ভগৱানৰ প্ৰতিয়ো তুমি কিবা কৰিব লাগিব।"

১৭৯২ চনৰ ২ অক্টোবৰত ইংলেণ্ডৰ এগৰাকী বিধবা মহিলাৰ ঘৰত 'ব্যাপ্টিষ্ট মিছনেৰী চচাইটি' গঠিত হৈছিল, ইংলেণ্ডৰ বাৰজন সামন্তও তাত উপস্থিত আছিল। ৰেভাৰেণ্ড মিষ্টাৰ ফুলাৰ তাৰ চেক্ৰেটাৰী নিযুক্ত হৈছিল আৰু উইলিয়াম কেৰী সেই চ'চায়েটিৰ প্ৰথমজন মিছনেৰী হিচাপে অন্তৰ্ভুক্ত হৈছিল।

বেপ্টিষ্ট মিছনেৰী চ'চায়েটি গঠনৰ কথাটো সেই সময়ত ইংলেণ্ডত ৰাষ্ট্ৰ হৈ পৰিছিল। ইংলেণ্ডৰ মন্ত্ৰীমণ্ডলীয়ে পিছত কিন্তু তাৰ বিপৰীতে ভাষ্য দিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকৰ হয়তো ভয় হৈছিল, ইউৰোপলৈ পূৰ্বৰ ৰাজনৈতিক পৰিস্থিতি পুনৰ ঘূৰি আহিব পাৰে বুলি; য'ত দেশৰ ৰাজনৈতিক কৰ্ম-কাণ্ডত গীৰ্জাই সৰ্বেসৰ্বা হৈ উঠিছিল। কিন্তু ইংলেণ্ডৰ ধৰ্মীয় পুৰোহিতসকলে বিষয়টোত হস্তক্ষেপ কৰিলে। তেওঁলোকেই ধন সংগ্ৰহৰো পৰিকল্পনা কৰিলে। তেওঁলোকৰ প্ৰচেষ্টাত ১৭৯৩ চনৰ মাৰ্চ মাহত আঠ শ পাউণ্ড ধন বেঙ্কত জমা হ'ল।

টকাৰ যোগাৰ হৈ গ'ল।

এতিয়া প্ৰশ্ন হ'ল, কোন ঠাই বাচি ল'ব তেওঁলোকৰ কৰ্মক্ষেত্ৰ হিচাপে? সকলোতেই আৱশ্যক যীশুৰ প্ৰেম, যীশুৰ কোমল হাতৰ পৰশ!

পৃথিৱীখনেই পৰি আছে কাম কৰিবলৈ এখন বৃহৎ ক্ষেত্ৰ হৈ।

মিষ্টাৰ ফুলাৰে প্ৰস্তাৱ দিলে, "It is clear that there is a rich mine of gold in India; if you will go down I will hold the ropes."

তেতিয়া ইংলেণ্ডত এনে এটা পৰিস্থিতি চলি আছিল যে কোনো কাৰণতে ইংলেণ্ডৰ চৰকাৰে ব্যপ্টিষ্ট মিছনেৰী চ'চায়েটিৰ কাম-কাজত সমৰ্থন নিদিয়ে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে শাসন কৰা ভাৰতত খ্ৰীষ্টীয়ান ধৰ্মৰ প্ৰচাৰ অসম্ভৱ। ইণ্ডিয়ালৈ আহিবলৈ কেৰীৰ দেশীয় চৰকাৰৰ অনুমতি নাছিল। কিন্তু চ'চায়েটি বদ্ধপৰিকৰ যে তেওঁলোকে 'Heathen' সকলৰ মাজত যীশুখ্ৰীষ্টৰ বাণী প্ৰচাৰ কৰিবই। 'Heathen'ৰ অৰ্থ হৈছে পাপী আৰু যিয়ে যীশুখ্ৰীষ্টৰ ধৰ্ম গ্ৰহণ কৰা নাই, তেওঁ পাপী। গতিকে, ভাৰতৰ পাপীসকলক উদ্ধাৰ কৰিবলৈ কলিকতা চহৰৰ পৰা ১৪ মাইল দূৰত হুগলী নদীৰ পশ্চিম পাৰত চেডৰামপুৰ (শ্ৰীৰামপুৰ)ৰ গভৰ্ণৰ, ক'লনেল বী-ৰ তত্ত্বাৱধানত থকা ডাচ্চ ব্যৱসায়িক কোম্পানীৰ জাহাজ, Kron Princessa Maria-ত উঠি উইলিয়াম কেৰীয়ে যাত্ৰা আৰম্ভ কৰিলে।

তেওঁ আহি শ্ৰীৰামপুৰত উপস্থিত হ'ল ১৭৯৩ চনৰ ৮ নবেম্বৰত। আৰম্ভ হ'ল তেওঁৰ ধৰ্ম প্ৰচাৰৰ অভিযান। তেওঁ শ্ৰীৰামপুৰত ডাচ্চ গৱৰ্ণৰৰ ছত্ৰছায়াত তেওঁ এটা গীৰ্জা স্থাপন কৰিবলৈ সক্ষম হ'ল। তাতে তেওঁ আৰম্ভ কৰিলে এখন স্কুল। এদিন তাৰ স্থানীয় কৃষ্ণ পাল নামৰ অতি দুখীয়া মানুহ এজনক তিস্তা নদীত ডুব মৰাই খ্ৰীষ্টীয়ান ধৰ্মত দীক্ষিত কৰিলে।

ভাৰতত খ্ৰীষ্টীয়ান ধৰ্মৰ এনেকৈয়ে আৰম্ভণি ঘটিছিল। পৃথিৱীত আজি দুই বিলিয়ন লোকে খ্ৰীষ্টীয় ধৰ্ম অনুসৰণ কৰে। দুই বিলিয়ন সংখ্যাটো কিমান আমি হয়তো ধাৰণা কৰিব নোৱাৰিম। আধুনিক যুগত পৃথিৱীৰ আটাইতকৈ বেছি অনুগামী থকা ধৰ্ম হৈছে - খ্ৰীষ্টীয়ান। যোৱা কেইটামান শতিকাত এই ধৰ্মই পূব-পশ্চিম, উত্তৰ- দক্ষিণ দিশ সামৰি চীন, দক্ষিণ ক'ৰিয়া, আফ্ৰিকাতো প্ৰভাৱ বিস্তাৰ কৰিছে।

কিন্তু গীৰ্জা আৰু ধৰ্মই সলনি কৰিবলৈ সক্ষম হৈছে জানো - মানুহৰ মন? ৰোধ কৰিবলৈ সক্ষম হৈছে জানো মানুহৰ আকাংক্ষাৰ দৌৰ? দেখা গৈছে পৃথিৱীৰ বেছি ভাগ খ্ৰীষ্টীয় ধৰ্ম অনুসৰণ কৰা দেশতেই আজি অশান্তি। শাসনৰ চকীত বহি থকাসকলে আধ্যাত্মিকতাৰ বিপৰীতে শক্তি বৃদ্ধি কৰিছে বিভিন্ন যুদ্ধাস্ত্ৰ ক্ৰয় কৰি। গৃহযুদ্ধ, উগ্ৰপন্থা, ইখন দেশে সিখন দেশৰ ওপৰত কৰা আক্ৰমণে মানুহৰ জীৱনৰ মূল্য পৰুৱাতকৈয়ো নিম্ন মানৰ কৰি তুলিছে। নিশেঃষ হৈছে প্ৰাকৃতিক সম্পদ। শান্তি বিঘ্নিত হৈছে। অৰ্থ নাশ হৈছে। ক'ত হেৰাল যীশু খ্ৰীষ্টৰ প্ৰেমৰ বাণী? ধৰ্মক মানুহে প্ৰদৰ্শনৰ বস্তু হিচাপে গ্ৰহণ কৰিছে নেকি? গীৰ্জা অথবা ধৰ্ম আৰু বড়দিনৰ প্ৰাসংগিকতা আজি যেন দেশ আৰু মানুহ মাজত এক অৰ্থহীন প্ৰতীকমাত্ৰ হৈ ৰৈ গৈছে। আজি আটাইতকৈ বেছি খ্ৰীষ্টীয়ান ধৰ্মীয় লোকৰ বসতি থকা দেশবোৰেই ৰণোন্মাদ হৈ উঠিছে। বিভিন্ন ধৰণৰ ঘাতক অস্ত্ৰ-শস্ত্ৰ মজুত ৰাখি সেই দেশ সমূহে বিভিন্ন শক্তিহীন ৰাষ্ট্ৰক ভাবুকি দি আহিছে। তথাপি সাধাৰণ মানুহৰ মাজত খ্ৰীষ্টীয়ান ধৰ্মৰ প্ৰাসংগিকতা হেৰাই যোৱা নাই। ৰোমৰ ঐতিহাসিক ভেটিকান চিটিয়ে এই ক্ষেত্ৰত নতুন ভূমিকা পালন কৰাৰ চেষ্টা কৰিছে যদিয়ো সফলতা বহুত দূৰত। এই ক্ষেত্ৰত ভেটিকান চিটি তথা প্ৰচেষ্টাণ্ট ধৰ্মৰ গুৰিয়ালসকলে পৃথিৱীৰ সন্মুখত নতুন পথৰ সন্ধান দিব লাগিব। নতুনকৈ গীৰ্জা স্থাপন কৰা বা নতুনকৈ মানুহক ধৰ্মীয় দীক্ষা প্ৰদান কৰাতেই কৰ্তব্য পালন কৰা বুলি আত্ম সন্তুষ্টি লভিলে নহ'ব। একৈশ শতিকাৰ পৃথিৱীখন মানুহৰ বাসৰ উপযোগী কৰি ধৰি ৰখাতহে আজিৰ বড়দিনৰ পৰিপূৰ্ণতা আৰু প্ৰাসংগিকতা নিৰ্ভৰ কৰিছে।

# বৰদিনত কিয় সজোৱা হয় খ্ৰীষ্টমাছ গছজোপা?

পদ্ম মৰাণ

খ্ৰীষ্টমাছ অৰ্থাৎ বৰদিন খ্ৰীষ্টান ধৰ্মৰ মূল উৎসৱ। সমগ্ৰ বিশ্বতে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে প্ৰতি বছৰে ২৫ ডিচেম্বৰত এই উৎসৱ পালন কৰি আহিছে। এই দিনটোত খ্ৰীষ্টান ধৰ্মৰ লোকসকলে পৰম্পৰাগত নীতি-নিয়ম পালন কৰি আনন্দ উদযাপনেৰে বৰদিনৰ শুভেচ্ছা জনায়। লগতে এই উৎসৱত কেক কাটি ইজনে সিজনক খুৱাই আনন্দ প্ৰকাশ কৰাৰ সমান্তৰালকৈ উপহাৰো দিয়ে। কেক আৰু উপহাৰৰ বাহিৰেও এই উৎসৱত আন এক বিশেষ পৰম্পৰা আছে। বৰদিনৰ এই পৰম্পৰাও অতি গুৰুত্বপূৰ্ণ। বৰদিন উৎসৱত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে ঘৰত এজোপা গছ ৰোপণ কৰি ৰঙীন ৰূপত সজাই তোলে। এই গছজোপাক খ্ৰীষ্টমাছ গছ বুলি কোৱা হয়। বৰদিনৰ দিনটোত খ্ৰীষ্টমাছ গছজোপা বিশেষ ধৰণেৰে সজাই তোলা হয়। কিন্তু বৰদিনৰ দিনটোত এই গছজোপা কিয় সজাই তোলা হয় আৰু এই পৰম্পৰা কিদৰে আৰম্ভ হ'ল জানেনে? বৰদিনৰ এই গছজোপাৰ পৰম্পৰাৰ ইতিহাস আৰু গুৰুত্বৰ বহুখিনি সাৱলীল যুক্তি পোৱা যায় - সাধাৰণতে বৰদিন উৎসৱৰ সন্দৰ্ভত বহুসাধাৰণতে বৰদিন উৎসৱৰ সন্দৰ্ভত বহু ধৰণৰ লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। এনে এক বিশ্বাস অনুসৰি ষোড়শ শতিকাৰ খ্ৰীষ্টান ধৰ্মৰ সংস্কাৰক মাৰ্টিন লুথাৰে বৰদিনৰ গছ ৰোপণ কৰিবলৈ আৰম্ভ কৰিছিল। মাৰ্টিন লুথাৰে ২৪ ডিচেম্বৰৰ সন্ধিয়া এখন অৰণ্যৰ মাজেৰে পাৰ হৈ গৈ আছিল। অৰণ্যখন সেই সময়ত বৰফাবৃত হৈ আছিল। মাৰ্টিন লুথাৰৰ চকু হঠাতে অৰণ্যৰ মাজত থকা চিৰসেউজ গছ এজোপাৰ ওপৰত পৰিল। সেই গছৰ ডালবোৰ চন্দ্ৰৰ পোহৰত জিলিকি আছিল। ইয়াৰ পিছত তেওঁ এই চিৰসেউজ গছজোপা নিজৰ ঘৰত ৰোপণ কৰিলে। লগতে সৰু সৰু মমবাতিৰে সজাই তোলে। তেওঁ লগতে এই চিৰসেউজ গছজোপা যীচু খ্ৰীষ্টৰ জন্মদিনত সজাই-পৰাই মমবাতি জ্বলাই পোহৰে ৰঙীন কৰি তোলে। বিশ্বাস অনুসৰি বৰদিনৰ গছ ৰোপণৰ প্ৰথা ইয়াৰ পিছতেই আৰম্ভ হৈছিল।

খ্ৰীষ্টমাছ গছৰ লগত জড়িত আন এক কাহিনীও প্ৰচলিত হৈ আহিছে। এই লোকবিশ্বাস অনুসৰি জাৰ্মানীয়ে প্ৰথমে বৰদিনৰ গছ ৰোপণ আৰু সজ্জা আৰম্ভ কৰিছিল। এবাৰ জাৰ্মানীৰ চেণ্ট বনিফেচে কিছুমান মানুহে এটি শিশুক বলি দিবলৈ সাজু হৈছে বুলি জানিব পাৰিলে। এজোপা প্ৰকাণ্ড ওক গছৰ তলত শিশুটিক বলি দিব বুলি খবৰ লাভ কৰাৰ লগে লগে চেণ্ট বনিফেচে শিশুটিক বচাবলৈ ওক গছজোপা কাটি পেলালে।

চেণ্ট বনিফেচে কাটি পেলোৱা গছজোপাৰ ঠাইত ফাৰ গছ বা পাইন গছ গজি উঠিল। মানুহে এই গছজোপাল অলৌকিক গছ বুলি ক'বলৈ ধৰিলে। চেণ্ট বনিফেচেও সকলোকে এই গছজোপা ঐশ্বৰিক আৰু ইয়াৰ ডালবোৰে স্বৰ্গৰ ফালে আঙুলিয়াইছে বুলি কয়। বিশ্বাস কৰা হয় যে তেতিয়াৰ পৰাই যীশুৰ জন্মদিনত খ্ৰীষ্টান ধৰ্মৰ লোকসকলে এইদৰে গছজোপা সজাই তোলাৰ পৰম্পৰা আৰম্ভ কৰিছিল। আৰু এইদৰেই সুন্দৰ বৰদিন এটা উৎসৱ হিচাপে পালন কৰি আহিছে। বৰদিনৰ উৎসৱ পৰাই অতি বেছি মানুহৰ মনত পাৰস্পৰিক উৎসৱ সমূহ বৃদ্ধি পালে।

# বৰদিন ঃ এক বিশেষ ধৰ্মীয় উৎসৱ

নিবেদিতা হাজৰিকা



প্ৰতি বছৰে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে অতি উলহ-মালহেৰে পালন কৰা ধৰ্মীয় উৎসৱৰ অন্যতম হৈছে বৰদিন বা খ্ৰীষ্টমাছ। ইংৰাজী দুটা শব্দৰে গঠিত 'christ' আৰু 'mass' শব্দৰ অৰ্থ হৈছে নিজেই বিচাৰি ল'ব নোৱাৰা সকলৰ প্ৰয়োজন সমূহ পূৰণ কৰা তথা যত্ন লোৱা। বিশ্ব ব্যাপী খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে ২৫ ডিচেম্বৰ দিনটোৰ বাবে অধিৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে আৰু প্ৰায় ১ মাহ মানৰ আগৰে পৰাই ইয়াৰ বাবে প্ৰস্তুতি চলায়।

বৰদিনৰ দিনা পুৱা সকলোৱে গা-পা ধুই নতুন কাপোৰ পিন্ধি গীৰ্জা ঘৰলৈ গৈ খ্ৰীষ্টস্তুতি গীত গায়, বাইবেল পাঠ কৰে। প্ৰধান পুৰোহিতে সকলোৱে শান্তি কামনা কৰি আশীৰ্বাদ দিয়ে। ইয়াৰ পাছত গোটেই দিন আনন্দ উৎসৱ হয়। ইজনে সিজনক হিয়া উবুৰিয়াই মৰম যাচে, শুভেচ্ছামূলক কাৰ্ড আদি বিনিময় কৰে, বিভিন্ন ধৰণৰ পিঠা-পনা আদিৰো বিনিময় কৰে।

ৰাজহুৱা বন্ধৰ দিন হিচাপে পালন কৰা এই উৎসৱত দুখীয়াৰ মাজত উপহাৰ তথা অন্যান্য সামগ্ৰী বিতৰণ কৰাৰ লগতে প্ৰীতি ভোজ আদিৰো আয়োজন কৰা হয়। যদিও বৰদিনত ঈশ্বৰৰ পুত্ৰ যীশুখ্ৰীষ্টৰ জন্ম দিৱস হিচাপে পালন কৰা হয়, অৱশ্যে এই উৎসৱৰ মূল হৈছে আত্মাদান আৰু ভাগ -বতৰাত নিহিত হৈ আছে। সেই বাবেই দুখীয়া লোকক খুওৱা, উপহাৰ বিনিময় কৰা তথা আনন্দ -স্ফূৰ্তি কৰাৰ দৰে পৰম্পৰা এটা চলি আহিছে।

খ্ৰীষ্টমাছৰ খ্যাতি পৃথিৱীৰ প্ৰতিটো কোণতে দেখা যায়। বৰদিন মানেই হ'ল বৰ্ণাঢ্য আয়োজন। য'ত পৰিপূৰ্ণ হৈ থাকে কেক, ম'ম, কেৰল তথা বিভিন্ন উপহাৰ। কেক কাটি, গীত গাই(কেৰল গীত), নৃত্য কৰি তথা সমজুৱা ভাৱে সুস্বাদু ব্যঞ্জন উপভোগৰ অন্তত সৰু ল'ৰা- ছোৱালীবোৰে 'চাণ্টা ক্লজ' লৈ অপেক্ষা কৰে। সেই সমজুৱা সকলৰ মাজৰে এজনে 'চাণ্টাক্লজ' হৈ পাৰ্টিত সমবেত হোৱা ল'ৰা-ছোৱালী সমূহক একোটাকৈ উপহাৰ প্ৰদান কৰে। উল্লেখযোগ্য যে বৰদিনত 'খ্ৰীষ্টমাছ ট্ৰি' আৰু চাণ্টাক্লজ' এই দুয়োটাই বিশেষ ভাৱে জনপ্ৰিয়। উপহাৰ প্ৰদান, সংগীত, খ্ৰীষ্টমাছ কাৰ্ডৰ বিনিময়, গীৰ্জাত ধৰ্মোপাসনা, ভোজ তথা খ্ৰীষ্টমাছ বৃক্ষ, আলোক সজ্জা, মালা, যীশুৰ জন্ম দৃশ্য আদিৰ সমন্বিত এক বিশেষ ধৰণৰ সাজ-সজ্জাৰ প্ৰদৰ্শনী আধুনিক যুগৰ বৰদিন উৎসৱ উদ্‌যাপনৰ এক বিশেষ অংগ হৈ পৰিছে।

খ্ৰীষ্টান লোকসকলে অতি আন্তৰিকতা আৰু উলহ-মালহেৰে এই উৎসৱ পালন কৰে। পৃথিৱীত শান্তি স্থাপন আৰু সমভাব প্ৰকাশ কৰাই এই উৎসৱ পালনৰ মূল কথা বা মূল উদ্দেশ্য। বৰদিন খ্ৰীষ্টান ধৰ্মাৱলম্বী লোক সকলৰ বাবে সঁচাকৈয়ে এক আনন্দদায়ক আৰু পবিত্ৰ উৎসৱ। যিয়ে সকলোৱে মাজত মৰম-চেনেহ আৰু ভাতৃত্ববোধৰ ভাৱ গঢ়ি তোলে। এই উৎসৱে কেৱল ধৰ্মীয় দৃষ্টিকোণৰ পৰাই নহয়, বৰঞ্চ প্ৰেম, শান্তি আৰু পৰিয়ালৰ মিলনৰ প্ৰতীক হিচাপেও পৰিগণিত, পৰিচিত। ২৫ ডিচেম্বৰ তাৰিখে যীশুৰ জন্মদিন উদ্‌যাপন কৰা সম্পৰ্কে ঐতিহাসিক মত পাৰ্থক্য থাকিলেও এই দিনটোৱে বিশ্বজুৰি খ্ৰীষ্টান সম্প্ৰদায়ৰ বাবে এক বিশেষ ধাৰ্মিক তথা সাংস্কৃতিক গুৰুত্ব বহন কৰে। উল্লেখ্য যে, বৰদিন সাম্প্ৰতিক সময়ত কেৱল এক ধৰ্মীয় উৎসৱেই হৈ থকা নাই, ই এক বিশ্বজনীন উৎসৱলৈ পৰিণত হৈছে। ইয়াৰ বাবে বিভিন্ন গীত(Christmas Carols), চলচ্চিত্ৰ আৰু অন্যান্য বিভিন্ন ধৰণৰ সাংস্কৃতিক কাৰ্যসূচী জনপ্ৰিয় হৈ পৰিছে। Merry Christmas সম্ভাষণটি বিশ্বজুৰি প্ৰচলিত আৰু জনপ্ৰিয় হৈ পৰিছে। বিশ্বজুৰি মানুহৰ মাজত সম্প্ৰীতি, শান্তি আৰু আনন্দ বিলাই দিয়া এই উৎসৱে সকলো ধৰ্মৰ মানুহক একত্ৰ কৰে আৰু প্ৰেম তথা বিশ্বাসৰ এক ইতিবাচক বাৰ্তা প্ৰদান কৰে। বৰদিন কেৱল এক বন্ধৰ দিন বা আনন্দ কৰাৰ উৎসৱ নহয়, বৰঞ্চ ই আধ্যাত্মিকতা, সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধ প্ৰচাৰৰ এক উৎসৱ। প্ৰেম আৰু দয়াৰ পূজাৰী যীশুৰ মানৱ প্ৰেম, সমাজ প্ৰেম তথা দয়া-মৰমৰ কথা সোঁৱৰাই দিয়া এই উৎসৱে যুদ্ধৰ পৰিৱৰ্তে শান্তিৰ বাণী আৰু বিশ্বজুৰি মানৱতাৰ জয় গান গায়।

## ১৭ বছৰীয়া নিৰ্বাসনৰ অন্ত

সৃষ্টি কৰিছে, কিয়নো আগন্তুক সংসদীয় নিৰ্বাচনত বি এন পিৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে তেওঁক বিবেচনা কৰা হৈছে। তাৰেক ৰহমানৰ সৈতে তেওঁৰ পত্নী ডা. জুবাইদা ৰহমান আৰু কন্যা বেৰিষ্টাৰ জাইমা ৰহমানো লণ্ডনৰ হিথ্ৰো বিমানবন্দৰৰ পৰা একেখন বিমানতে ঢাকা অভিমুখে যাত্ৰা কৰে। যাত্ৰাৰ পূৰ্বে লণ্ডনত তোলা তেওঁলোকৰ ফটো ছ'চিয়েল মিডিয়াত ব্যাপকভাৱে ভাইৰেল হৈ পৰে। কন্যা জাইমা ৰহমানে নিজৰ ফেচবুকত এখন আৱেগিক ফটো শ্বেয়াৰ কৰি লিখে, "দীৰ্ঘদিনৰ পিছত নিজ মাতৃভূমি বাংলাদেশলৈ উভতি আহিছোঁ!" বিমানবন্দৰত অৱতৰণৰ লগে লগে তাৰেক ৰহমানক বি এন পিৰ জ্যেষ্ঠ নেতৃত্বই অভ্যৰ্থনা জনায়। তেওঁ বিমানবন্দৰৰ পৰা ওলাই আহি খালি ভৰিৰে বাংলাদেশৰ মাটিত ভৰি দি এমুঠি মাটি তুলি লৈ প্ৰতীকী অৰ্থত স্বদেশভূমিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পিছত তেওঁ বুলেটপ্ৰুফ বাহনত আৰোহণ কৰি পূৰ্বাচলৰ ৩০০ ফুট সড়কৰ গণসংবৰ্ধনা স্থলীলৈ ৰাওনা হয়। পুৱাৰে পৰাই হাজাৰ হাজাৰ বি এন পি সমৰ্থক আৰু দলীয় কৰ্মীয়ে বেনাৰ, প্লেকাৰ্ড, দলীয় পতাকা আৰু ফুল লৈ বিমানবন্দৰ অভিমুখে খোজকাঢ়ি যায়। বনানীৰ পৰা বিমানবন্দৰলৈকে সমগ্ৰ পথটোত সমৰ্থকসকলৰ বিপুল উত্তেজনা আৰু উৎসাহ পৰিলক্ষিত হয়। দলীয় সূত্ৰৰ মতে, এই সংবৰ্ধনাত প্ৰায় ৫০ লাখ লোকে অংশগ্ৰহণ কৰে বুলি আশা কৰা হৈছিল। সমগ্ৰ ঢাকাত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু বিশেষ ট্ৰেইনৰ ব্যৱস্থা কৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা সমৰ্থকসকলক ৰাজধানীলৈ অনা হৈছে। উল্লেখযোগ্য যে, ২০০৮ চনত চিকিৎসাৰ বাবে লণ্ডনলৈ গুচি যোৱা তাৰেক ৰহমানৰ বিৰুদ্ধে পূৰ্বৰ শ্বেখ হাছিনা চৰকাৰৰ দিনত একাধিক গুৰুতৰ গোচৰ ৰুজু কৰা হৈছিল। কিন্তু ২০২৪ চনত ছাত্ৰ-নেতৃত্বাধীন গণ-অভ্যুত্থানৰ জৰিয়তে হাছিনা চৰকাৰৰ পতনৰ পিছত আদালতে তেওঁক সকলো গোচৰত খালাচ কৰি দিয়ে। ২০২৫ চনৰ মে' মাহলৈকে তেওঁৰ বিৰুদ্ধে থকা সকলো গোচৰৰ পৰা মুক্তি লাভ কৰে, যাৰ ফলত তেওঁৰ স্বদেশ প্ৰত্যাৱৰ্তনৰ পথ মুকলি হয়। গণসংবৰ্ধনা সমাবেশত ভাষণ দি তাৰেক ৰহমানে দেশৰ জনতাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে আৰু গণতান্ত্ৰিক অধিকাৰ পুনৰুদ্ধাৰৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ সকলো জাতি-ধৰ্মৰ লোকক সংগে লৈ এখন নিৰাপদ, সুৰক্ষিত আৰু গণতান্ত্ৰিক বাংলাদেশ গঢ়ি তোলাৰ সংকল্প ব্যক্ত কৰে। তেওঁৰ ভাষণত আমেৰিকাৰ কৃষ্ণাংগ নেতা মাৰ্টিন লুথাৰ কিঙৰ শৈলীৰ প্ৰভাৱ পৰিলক্ষিত হয়, য'ত তেওঁ কয়, "দেশৰ বাবে মোৰ এটা বিশেষ সপোন আৰু পৰিকল্পনা আছে।" সমাবেশৰ অন্তত তাৰেক ৰহমান এভাৰকেয়াৰ হাস্পতাললৈ ৰাওনা হয়, য'ত তেওঁৰ অসুস্থ মাতৃ খালেদা জিয়া চিকিৎসাধীন হৈ আছে। প্ৰায় দেড় ঘণ্টা হাস্পতালত কটোৱাৰ পিছত তেওঁ গুলশানৰ নিজা বাসগৃহলৈ যায়। এই সাক্ষাৎ ১৭ বছৰৰ পিছত বাংলাদেশৰ মাটিত মাক-পুত্ৰৰ প্ৰথম মিলন। তাৰেক ৰহমানৰ এই প্ৰত্যাৱৰ্তনে বাংলাদেশৰ ৰাজনীতিত নতুন অধ্যায়ৰ সূচনা কৰিছে বুলি ৰাজনৈতিক বিশে-ষকসকলে মন্তব্য কৰিছে।

## চিলাপথাৰত নাথ যোগী

জিলাৰ চিলাপথাৰত বুধবাৰে সন্ধিয়া এক বিশাল জোঁৰ সমদল অনুষ্ঠিত হয়। অসম প্ৰাদেশিক যোগী সন্মিলনী আৰু নাথ যোগী ছাত্ৰ সংস্থাৰ যৌথ উদ্যোগত আয়োজিত এই সমদলত নাথ যোগী যুৱ পৰিষদ, নাথ যোগী জাতীয় পৰিষদ, নাথ যোগী পুৰোহিত সন্মিলনী, নাথ যোগী মহিলা সন্মিলনী আৰু নাথ যোগী স্বায়ত্ত্ব শাসিত পৰিষদ দাবী সমিতিৰ ধেমাজি জিলা সমিতিয়ে সহযোগিতা আগবঢ়ায়। সন্ধিয়া পাল পট্টিৰ পৰা আৰম্ভ হোৱা এই জোঁৰ সমদল চিলাপথাৰ নগৰৰ মাজেৰে পাৰ হৈ যায়। হাতে হাতে জোঁৰ, বেনাৰ আৰু পে-কাৰ্ড লৈ পাঁচ হাজাৰৰো অধিক নাথ যোগী পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। "খিলঞ্জীয়া নাথ যোগীক পূৰ্ণাঙ্গ সংৰক্ষিত শ্ৰেণীৰ মৰ্যাদা দিয়ক", "নাথ যোগী উপগোষ্ঠীয় স্বায়ত্ত্ব শাসিত পৰিষদ গঠন কৰক", "নাথ যোগীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰক", "জনজাতীয় স্বায়ত্ত্ব শাসিত এলেকাত বসবাস কৰা নাথ যোগীক ভূমি অধিকাৰ দিয়ক", "মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰক", "হৰ হৰ মহাদেৱ" আদি শ্ল'গানেৰে সমদলটোৱে চিলাপথাৰৰ আকাশ-বতাহ কঁপাই তুলিছিল। আয়োজকসকলে জনোৱা অনুসৰি, উজনি অসমৰ কেইবাখনো জিলাৰ লগতে ধেমাজি জিলাতো নাথ যোগী সমাজৰ মাজত এই দাবীসমূহক লৈ তীব্ৰ অসন্তোষ বাঢ়ি আহিছে। অসমৰ মুখ্যমন্ত্ৰীয়ে পূৰ্বে জনগোষ্ঠীটোক দিয়া প্ৰতিশ্ৰুতি ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে পালন কৰিবলৈ সমদলত অংশগ্ৰহণকাৰীসকলে জোৰদাৰ দাবী উত্থাপন কৰে। অন্যথা অসমত বসবাস কৰা ৪০ লক্ষাধিক শান্তিপ্ৰিয় নাথ যোগী লোকে নিজৰ সাংবিধানিক অধিকাৰৰ বাবে সমগ্ৰ ৰাজ্যতে অধিক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি সকীয়াই দিয়ে আয়োজকসকলে। সমদলৰ অন্তত চিচিবৰগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ উদ্দেশ্যে এখন ২১ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। নাথ যোগী সমাজৰ নেতাসকলে জানিবলৈ দিয়ে যে, তেওঁলোকৰ সমাজ অসমৰ এক প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী হোৱা সত্ত্বেও এতিয়াও সাংবিধানিক সুৰক্ষা আৰু স্বায়ত্ত্ব শাসনৰ পৰা বঞ্চিত হৈ আছে। এই দাবীসমূহ পূৰণ নোহোৱালৈকে শান্তিপূৰ্ণ আন্দোলন অব্যাহত ৰখাৰ সিদ্ধান্ত লোৱা হৈছেবুলি তেওঁলোকে স্পষ্ট কৰিছে। এই সমদলে চিলাপথাৰ অঞ্চলত নাথ যোগী সমাজৰ ঐক্য আৰু সংগঠিত শক্তিৰ এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে।

## আৰৱল্লী পৰ্বতমালাত নতুন

আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে। এই নিৰ্দেশ হাৰিয়ানা, ৰাজস্থান, গুজৰাট আৰু দিল্লীকে ধৰি আৰৱল্লী পৰ্বতমালাৰ অঞ্চল থকা সকলো ৰাজ্যতে জাৰি কৰা হৈছে। বুধবাৰে মন্ত্ৰালয়ে প্ৰকাশ কৰা এক বিবৃতিত কোৱা হৈছে যে, দিল্লীৰ পৰা গুজৰাটলৈকে বিস্তৃত এই প্ৰাচীন পৰ্বতমালাটোত অবৈধ আৰু অনিয়ন্ত্ৰিত খনন কাৰ্যকলাপ ৰোধ কৰাৰ বাবেই এই কঠোৰ সিদ্ধান্ত লোৱা হৈছে। আৰৱল্লী পৰ্বতমালা উত্তৰ-পশ্চিম ভাৰতৰ বাবে এক গুৰুত্বপূৰ্ণ পৰিৱেশ তন্ত্ৰ— ই থৰ মৰুভূমিৰ প্ৰসাৰ ৰোধ কৰে, জৈৱবৈচিত্ৰ্য্য সংৰক্ষণ কৰে, ভূগৰ্ভস্থ পানীৰ উৎস পুনৰ ভৰাই তুলিবলৈ সহায় কৰে আৰু অঞ্চলটোৰ জলবায়ু সন্তুলন ৰক্ষা কৰে। এই সিদ্ধান্তৰ পটভূমি হৈছে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ। গত নৱেম্বৰ মাহত উচ্চতম ন্যায়ালয়ে আৰৱল্লী পৰ্বতমালাৰ এক সুসংগত সংজ্ঞা গ্ৰহণ কৰিছে আৰু সমগ্ৰ অঞ্চলটোৰ বাবে এক বৈজ্ঞানিক 'টেকসই খনন ব্যৱস্থাপনা পৰিকল্পনা' (Management Plan for Sustainable Mining) প্ৰস্তুত নোহোৱালৈকে কোনো নতুন খনন ইজাৰা প্ৰদান নকৰিবলৈ নিৰ্দেশ দিছে। সেই নিৰ্দেশ অনুসৰি কেন্দ্ৰীয় মন্ত্ৰালয়ে এতিয়া এই নিষেধাজ্ঞা কাৰ্যকৰী কৰিছে। লগতে, ইণ্ডিয়ান কাউন্সিল অৱ ফৰেষ্ট্ৰী ৰিচাৰ্চ এণ্ড এডুকেশ্যন (ICFRE)-ক নিৰ্দেশ দিয়া হৈছে যে, আৰৱল্লীৰ সমগ্ৰ অঞ্চলত অতিৰিক্ত পৰিৱেশ সংবেদনশীল অঞ্চলসমূহ চিনাক্ত কৰক আৰু তাত খনন সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ প্ৰস্তাৱ দিয়ক। এই কামৰ জৰিয়তে ইতিমধ্যে সুৰক্ষিত অঞ্চলৰ বাহিৰেও অধিক অঞ্চলক খননৰ পৰা মুক্ত কৰা হ'ব বুলি মন্ত্ৰালয়ে জানিছে। বৰ্তমান চলি থকা খনন কাৰ্যকলাপসমূহৰ ক্ষেত্ৰতো কঠোৰ নিয়মাৱলী পালন কৰিবলৈ ৰাজ্য চৰকাৰসমূহক নিৰ্দেশ দিয়া হৈছে। যিকোনো নিয়ম উলংঘা হ'লে সেই খনন বন্ধ কৰাৰো অধিকাৰ থাকিব। উল্লেখ্য যে, শেহতীয়াকৈ আৰৱল্লী পৰ্বতমালাৰ সংজ্ঞা সলনিৰ বাবে তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছিল। পৰিৱেশকৰ্মীসকলে আশংকা প্ৰকাশ কৰিছিল যে নতুন সংজ্ঞাই পৰ্বতমালাৰ বহু অংশক সুৰক্ষাৰ বাহিৰত ৰাখি খননৰ দুৱাৰ মুকলি কৰিব পাৰে। কিন্তু কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰিছে যে এই নিষেধাজ্ঞাই সমগ্ৰ আৰৱল্লী লেণ্ডস্কেপক সুৰক্ষিত কৰিব আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা প্ৰমাণ কৰে। এই সিদ্ধান্তক পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি বুলি অভিহিত কৰিছে বিশেষজ্ঞসকলে। আৰৱল্লীৰ দৰে প্ৰাচীন আৰু সংবেদনশীল পৰিৱেশ তন্ত্ৰক ৰক্ষা কৰাটো ভৱিষ্যত প্ৰজন্মৰ বাবে অতি জৰুৰী বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে।

## ৰাজ্যত প্ৰশাসনিক বিভাগত

কৰিছে। বুধবাৰে কৰ্মচাৰী বিভাগৰ জৰিয়তে জাৰি কৰা এখন জাননীত মুঠ ১৪ গৰাকী আই.এ.এছ. আৰু এ.চি.এছ. বিষয়াক বিভিন্ন জিলা আৰু বিভাগত বদলি কৰা হৈছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত এই বদলিৰ ফলত প্ৰশাসনিক ক্ষেত্ৰত নতুন গতি সঞ্চাৰ হ'ব বুলি আশা কৰা হৈছে। বদলিৰ তালিকাত কেইবাগৰাকীও জিলা আয়ুক্তৰ পদত পৰিৱৰ্তন ঘটা দেখা গৈছে। কামৰূপ (মেট্ৰ')ৰ জিলা আয়ুক্ত সুমিত সাত্তৱানক তিনিচুকীয়া জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। তেওঁৰ ঠাইত তিনিচুকীয়াৰ পৰা স্বপ্নীল পালক কামৰূপ (মেট্ৰ')লৈ অহাৰ লগতে শিৱসাগৰৰ জিলা আয়ুক্ত আয়ুশ গাৰ্গক কাছাৰলৈ আৰু কাছাৰৰ জিলা আয়ুক্ত মৃদুল যাদৱক শিৱসাগৰলৈ বদলি কৰা হৈছে। ধুবুৰী জিলা আয়ুক্ত দিৱাকৰ নাথক বঙাইগাঁৱলৈ বদলি কৰা হৈছে, আনহাতে বঙাইগাঁৱৰ জিলা আয়ুক্ত নৱদীপ পাঠকক ধুবুৰীলৈ অনা হৈছে। কোকৰাঝাৰৰ জিলা আয়ুক্ত মাচান্দা মাগদালিন পাৰ্টিনক বিত্ত বিভাগৰ যুটীয়া আয়ুক্ত হিচাপে বদলি কৰা হৈছে। তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীক কোকৰাঝাৰৰ জিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। পৰিৱেশ আৰু বন বিভাগৰ যুটীয়া আয়ুক্ত চিমি কৰণক তামুলপুৰৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। মুখ্য সচিবৰ ষ্টাফ অফিচাৰ আৰণ্যক শইকীয়াক কাৰ্বি আংলঙৰ জিলা আয়ুক্ত হিচাপে নিযুক্ত কৰা হৈছে, যাৰ ফলত কাৰ্বি আংলঙৰ বৰ্তমানৰ জিলা আয়ুক্ত নিৰলা ফাংচপিক পাহাৰীয়া ক্ষেত্ৰ বিভাগৰ অতিৰিক্ত সচিব পদলৈ স্থানান্তৰ কৰা হৈছে। ইয়াৰ উপৰি আই.জি. (প্ৰিজন) পুৰালী গোহাঁইক দৰঙৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তক আই.জি. (প্ৰিজন) পদলৈ বদলি কৰা হৈছে। দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিক গোলাঘাটৰ জিলা আয়ুক্ত হিচাপে নিযুক্ত কৰা হৈছে। এই ব্যাপক বদলিৰ ফলত ৰাজ্যৰ বিভিন্ন জিলাত নতুন জিলা আয়ুক্তসকলে দায়িত্ব গ্ৰহণ কৰিবলৈ ওলাইছে। চৰকাৰৰ এই পদক্ষেপে প্ৰশাসনিক কাৰ্যক্ষমতা বৃদ্ধি কৰাৰ লগতে জনসেৱাৰ মান উন্নত কৰিব বুলি বিশ্বাস কৰা হৈছে। আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত এই ৰদবদলে বিশেষ তাৎপৰ্য বহন কৰিছে বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে। এই বদলিৰ জৰিয়তে চৰকাৰে প্ৰশাসনিক ব্যৱস্থাত নতুন শক্তি সঞ্চাৰ কৰাৰ প্ৰয়াস কৰিছে বুলি জানিব পৰা গৈছে। আগন্তুক দিনত এই বিষয়াসকলে নিজ নিজ পদত যোগদান কৰি কাৰ্যভাৰ গ্ৰহণ কৰিব।

## বৰদিনৰ সাজ-সজ্জা নষ্ট

লণ্ডভণ্ড কৰাৰ অভিযোগ উঠাৰ পিছত বিশ্ব হিন্দু পৰিষদ (ভি এইচ পি) আৰু বজৰং দলৰ চাৰিগৰাকী নেতাক বেলশৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাই সমগ্ৰ অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু ধৰ্মীয় সহিষ্ণুতাৰ প্ৰশ্ন উত্থাপন কৰিছে। ধৃত নেতাকেইজন হৈছে বিশ্ব হিন্দু পৰিষদৰ নলবাৰী জিলা সমিতিৰ সম্পাদক ভাস্কৰ ডেকা, উপ-সভাপতি মানস পাটগিৰি, সহ-সম্পাদক বিজু দত্ত আৰু বজৰং দলৰ নলবাৰী জিলা সংযোজক নয়নমণি তালুকদাৰ। তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ বিভিন্ন ধাৰাৰ অধীনত বেলশৰ থানাত গোচৰ ৰুজু কৰা হৈছে (কে'চ নম্বৰ ১১৬/২০২৫, ধাৰা ৩২৯(৩), ৩২৬(ফ), ১৮৯(২), ৩৫১(২), ৩২৪(৩), ৩২৪(৪) আৰু ৬১(২))। উল্লেখ্য যে, বুধবাৰে (২৪ ডিচেম্বৰ) নলবাৰী চহৰৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান আৰু শ্বপিং মলত মজুত থকা খ্ৰীষ্টমাছৰ সামগ্ৰী নষ্ট কৰাৰ লগতে পশ্চিম নলবাৰীৰ পানীগাঁওস্থিত ছেণ্ট মেৰিজ ইংলিছ স্কুলত সজাই থোৱা সাজ-সজ্জা ধ্বংস কৰাৰ অভিযোগ উঠিছে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে উলহ-মালহেৰে খ্ৰীষ্টমাছ আৰু নৱবৰ্ষ উদযাপনৰ বাবে প্ৰস্তুতি চলাই থকাৰ মাজতে এটা দলে বিদ্যালয়ত সোমাই 'জয় শ্ৰীৰাম' আৰু 'জয় বজৰং দল' ধ্বনি দি সকলো সামগ্ৰী নষ্ট কৰি দাহ কৰাৰ অভিযোগ উঠিছে। বিদ্যালয়খনৰ অধ্যক্ষ বাইজু চাপাঝীয়ে জনোৱা মতে, তেওঁ সেইদিন বিদ্যালয়ত নাছিল যদিও এগৰাকী ছিষ্টাৰ উপস্থিত আছিল। প্ৰায় ১৫-২০ জনীয়া এটা দলে গেটৰে সোমাই প্ৰথমে অধ্যক্ষক বিচাৰিছিল। তেওঁক নাপাই ছাত্ৰ-ছাত্ৰীয়ে সৰু সৰু লাইটেৰে সজোৱা সকলো সামগ্ৰী নষ্ট কৰি জ্বলাই দিয়ে। লগতে বিদ্যালয়ৰ নামভৰ্তি বেনাৰ ফালি পেলোৱা আৰু গেটত শিল মাৰাৰো অভিযোগ উঠিছে। অধ্যক্ষগৰাকীয়ে এই কাৰ্যক গৰিহণা দি কয় যে, ভাৰত এখন ধৰ্মনিৰপেক্ষ দেশ আৰু সকলোৰে নিজৰ ধৰ্ম পালনৰ অধিকাৰ আছে। তেওঁ চৰকাৰক উচিত তদন্তৰ আহ্বান জনাইছে। ঘটনাৰ পিছত বৃহস্পতিবাৰে আৰক্ষীৰ এটা শীৰ্ষ দল বিদ্যালয়ত উপস্থিত হৈ নষ্ট হোৱা সামগ্ৰী উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰে। নলবাৰী চহৰতো খ্ৰীষ্টমাছৰ সামগ্ৰী বিক্ৰী কৰা দোকানত হস্তক্ষেপ কৰি সামগ্ৰী ৰাজপথত জ্বলাই দিয়াৰ অভিযোগ উঠিছে। হিন্দুত্ববাদী সংগঠনকেইটাৰ সদস্যই কেৱল ভাৰতীয় মূলৰ সংস্কৃতিৰ অনুষ্ঠানহে আয়োজন কৰা হ'ব বুলি হুংকাৰ দিয়াৰ কথাও প্ৰকাশ পাইছে। এই ঘটনাক লৈ বিজেপিৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাই তীব্ৰ গৰিহণা প্ৰকাশ কৰিছে। তেওঁ কয় যে, এনে কাৰ্যই নলবাৰীবাসীক লজ্জিত কৰিছে আৰু সংবিধানে সকলো ধৰ্মক সমান অধিকাৰ দিয়াৰ কথা আওকাণ কৰা হৈছে। বিজেপিৰ পঞ্চশীল নীতিৰ তৃতীয় নীতি 'সৰ্ব ধৰ্ম সমভাৱ'কো এই কাৰ্যই উলংঘা কৰিছে বুলি তেওঁ মন্তব্য কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও এই কাৰ্যক দুখজনক বুলি গৰিহণা দিছে। তেওঁলোকে কয় যে, অইন ধৰ্মক আঘাত দিয়াৰ এনে আচৰণ গুণ্ডাগিৰিৰ সমতুল্য আৰু ভাৰতত সকলোৱে মিলিজুলি নিজৰ ধৰ্ম উদ্‌যাপন কৰিব পাৰে। এই ঘটনাই অসমৰ ধৰ্মীয় সম্প্ৰীতিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে আৰু বিভিন্ন মহলে শান্তি আৰু সহাৱস্থানৰ আহ্বান জনাইছে। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণত ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

## কোনে ক'ৰ পৰা

বঙাইগাঁৱত সাংসদ তথা অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা ফণীভূষণ চৌধুৰীয়ে সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। বিজেপিৰ সৈতে মিত্ৰতা অব্যাহত ৰখাৰ লগতে আসন ভাগ-বতৰাৰ ক্ষেত্ৰত পাৰদৰ্শিতাক মাপকাঠী হিচাপে লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে চৌধুৰীয়ে। চৌধুৰীয়ে স্পষ্টভাৱে ঘোষণা কৰে যে, ২০২৬ চনৰ নিৰ্বাচনত বঙাইগাঁও সমষ্টিৰ পৰা অসম গণ পৰিষদেই প্ৰতিদ্বন্দ্বিতা কৰিব আৰু এই কথা শতভাগ নিশ্চিত। তেওঁ নিজে বিধায়ক পদৰ বাবে প্ৰতিদ্বন্দ্বিতা নকৰিব বুলিও জনায়। লগতে তেওঁৰ পত্নী দ্বীপ্তিময়ী চৌধুৰীয়েও টিকট নোপোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি কয় যে, প্ৰাৰ্থী নিৰ্বাচনৰ সিদ্ধান্ত সম্পূৰ্ণৰূপে অগপৰ হ'ব আৰু পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰিয়েই প্ৰাৰ্থিত্ব প্ৰদান কৰা হ'ব। আসন ভাগ-বতৰাৰ প্ৰসংগত চৌধুৰীয়ে কয় যে, বিজেপিৰ শক্তি অগপতকৈ যথেষ্ট বেছি। বৰ্তমান বিধানসভাত বিজেপিৰ প্ৰায় ৬০ গৰাকী বিধায়ক আছে, আনহাতে অগপৰ মাত্ৰ ৯ গৰাকী। সেয়েহে আসন ভাগ-বতৰাৰ ক্ষেত্ৰত বিজেপিৰ সৈতে চলি থকা আলোচনাৰ ফলত পৰৱৰ্তী সময়ত সকলো স্পষ্ট হৈ উঠিব। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ৯০খন আসনৰ দাবী উত্থাপন কৰাৰ প্ৰসংগত তেওঁ মন্তব্য কৰে যে, যোৱা নিৰ্বাচনৰ ফলাফলে স্পষ্ট কৰি দিছে যে বিজেপি অগপতকৈ বহু বেছি শক্তিশালী। তেনে পৰিস্থিতিত ৯০খন আসন দাবী কৰাটো সম্ভৱ নহয়। কিন্তু আসন বণ্টন পাৰদৰ্শিতা আৰু শক্তিৰ ভিত্তিত হ'ব লাগে বুলি তেওঁ জোৰ দিয়ে। চৌধুৰীয়ে লগতে কয় যে, মিত্ৰতা এতিয়াও অটুট আছে যদিও আসন ভাগ-বতৰাৰ প্ৰক্ৰিয়া এতিয়ালৈ আৰম্ভ হোৱা নাই। জানুৱাৰী মাহৰ পৰা এই প্ৰক্ৰিয়া আৰম্ভ হ'ব। বহুতে বহু সমষ্টিৰ দাবী কৰিব পাৰে, কিন্তু কোনে ক'ৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব সেয়া নিৰ্ভৰ কৰিব দলৰ শক্তি আৰু প্ৰাৰ্থীৰ জয়ৰ সম্ভাৱনাৰ ওপৰত। যি সমষ্টিত যি দল শক্তিশালী, সেই অনুসৰি আসন বণ্টন হোৱা উচিত বুলি তেওঁৰ মত। অগপ-বিজেপি মিত্ৰতাৰ এই মন্তব্যই ২০২৬ৰ নিৰ্বাচনৰ প্ৰাকক্ষণত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। দল দুটাৰ মাজত আসন ভাগ-বতৰাৰ আলোচনা যথাসময়ত সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰিছে ৰাজনৈতিক মহলে। আগন্তুক দিনত এই বিষয়ে অধিক স্পষ্টতা আহিব বুলি জানিব পৰা গৈছে।

## প্ৰতিখন জিলাতে চিনাক্তকৰণ

সন্দেহযুক্ত অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি ততাতৈয়াকৈ নিজৰ জন্মভূমিলৈ ঘূৰাই পঠিয়াব লাগিব। এই কঠোৰ স্থিতিৰ লক্ষ্য হৈছে চুবুৰীয়া দেশৰ পৰা অহা অবৈধ অনুপ্ৰৱেশৰ সৈতে মোকাবিলা কৰা। মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে যে, জিলা আয়ুক্তসকলে অনুপ্ৰৱেশকাৰী (অসমৰ পৰা বহিষ্কাৰ) আইন, ১৯৫০ৰ বিধান অনুসৰি বহিষ্কাৰৰ আদেশ জাৰি কৰিব। তাৰ পিছত আৰক্ষী বা সীমান্ত সুৰক্ষা বাহিনী (বি এছ এফ)য়ে সন্দেহযুক্ত বিদেশীসকলক সীমান্তলৈ লৈ গৈ দেশৰ বাহিৰলৈ পঠিয়াব। এক্স (পূৰ্বতে টুইটাৰ)ত এটা পোষ্টত মুখ্যমন্ত্ৰী শৰ্মাই লিখে, "পোনপটীয়া ব্যৱস্থা, কোনো আপোচ নাই। অনুপ্ৰৱেশকাৰী (বহিষ্কাৰ) আইনৰ বিধান অনুসৰি আমি সন্দেহযুক্ত ব্যক্তিক চিনাক্ত কৰি তেওঁলোকৰ বিৰুদ্ধে বহিষ্কাৰৰ আদেশ জাৰি কৰিছো।" বুধবাৰে নিশা সাংবাদিকৰ সৈতে কথা পতাৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "চৰকাৰে ইতিমধ্যে এই আইনখন কাৰ্যকৰী কৰিছে। এতিয়া জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে যে, তেওঁলোকে সন্দেহজনক বুলি বিবেচনা কৰা বা বিদেশী ন্যায়াধিকৰণে বিদেশী ঘোষণা কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে তৎকালীনভাৱে বহিষ্কাৰৰ আদেশ জাৰি কৰক। ইয়াৰ পিছত আৰক্ষী বা বি এছ এফে তেওঁলোকক বাংলাদেশলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা ল'ব।" উল্লেখ্য যে, বিগত ছেপ্টেম্বৰ মাহত ৰাজ্যিক মন্ত্ৰীসভাই অনুপ্ৰৱেশকাৰী (অসমৰ পৰা বহিষ্কাৰ) আইন, ১৯৫০ৰ অধীনত এটা নীতি-নিৰ্দেশনা (এছ অ' পি) প্ৰস্তুত কৰাত অনুমোদন জনায়। এই এছ অ' পিয়ে জিলা আয়ুক্ত আৰু শীৰ্ষ আৰক্ষী বিষয়াসকলক সঠিক দিশত কাম কৰাত সহায় কৰিব। এছ অ' পি অনুসৰি, যদি জিলা আয়ুক্তই আৰক্ষী বা আন কোনো সূত্ৰৰ পৰা কোনো ব্যক্তিক অনুপ্ৰৱেশকাৰী বুলি সন্দেহ কৰাৰ তথ্য লাভ কৰে, তেন্তে সেই ব্যক্তিজনক ১০ দিনৰ ভিতৰত নিজৰ ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হ'ব। যদি দাখিল কৰা প্ৰমাণ পৰ্যাপ্ত বা সন্তোষজনক নহয় বুলি জিলা আয়ুক্তই অনুভৱ কৰে, তেন্তে তেওঁ ব্যক্তিজনক অনুপ্ৰৱেশকাৰী বুলি চিনাক্ত কৰি মতামত লিপিবদ্ধ কৰিব আৰু কাৰণসমূহৰ সৈতে চমু বিবৃতি দাখিল কৰিব। তাৰ পিছত আইনখনৰ ২(ক) ধাৰা অনুসৰি বহিষ্কাৰৰ নিৰ্দেশ জাৰি কৰি অনুপ্ৰৱেশকাৰীজনক ২৪ ঘণ্টাৰ ভিতৰত নিৰ্ধাৰিত পথেৰে অসম ত্যাগ কৰিবলৈ কোৱা হ'ব। বিদেশী ন্যায়াধিকৰণে ইতিমধ্যে বিদেশী বুলি ঘোষণা কৰা ব্যক্তিৰ ক্ষেত্ৰত কোনো অতিৰিক্ত চিনাক্তকৰণ প্ৰক্ৰিয়াৰ প্ৰয়োজন নোহোৱাকৈয়ে জিলা আয়ুক্তই পোনপটীয়াকৈ বহিষ্কাৰৰ আদেশ দিব। বহিষ্কাৰৰ আদেশ জাৰি হোৱাৰ পিছতো যদি অনুপ্ৰৱেশকাৰীয়ে তাক মানি নলয়, তেন্তে আইনখনৰ ৪ নং ধাৰা অনুসৰি জিলা আয়ুক্তই তেওঁক 'হল্ডিং চেণ্টাৰ'ত ৰাখিব বা নিকটৱৰ্তী বি এছ এফৰ হাতত গতাই দিব। লগতে, চিনাক্তকৰণৰ পিছত ব্যক্তিজনৰ বায়'মেট্ৰিক আৰু জনগাঁথনিগত তথ্য বিদেশী চিনাক্তকৰণ প'ৰ্টেলত সংযোগ কৰিবলৈ শীৰ্ষ আৰক্ষী অধীক্ষকৰ ওচৰলৈ প্ৰেৰণ কৰা হ'ব। বিশেষকৈ, যদি শূন্য সীমাৰেখাৰ ওচৰত বা ৰাজ্যত প্ৰৱেশ কৰাৰ ১২ ঘণ্টাৰ ভিতৰত অনুপ্ৰৱেশকাৰী ধৰা পৰে, তেন্তে কোনো অতিৰিক্ত প্ৰক্ৰিয়া নোহোৱাকৈয়ে তেওঁক তৎক্ষণাত বিতাড়িত কৰা হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই এই পদক্ষেপক "পোনপটীয়া ব্যৱস্থা, কোনো আপোচ নাই" বুলি অভিহিত কৰি কয় যে, অসমৰ সাংস্কৃতিক পৰিচয় আৰু জনগাঁথনিৰ সুৰক্ষাৰ বাবে এই কঠোৰতা অতি প্ৰয়োজনীয়। ৰাজনৈতিক বিশে-ষকসকলে এই ঘোষণাক ৰাজ্যৰ অনুপ্ৰৱেশ সমস্যাৰ সৈতে মোকাবিলা কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মন্তব্য কৰিছে।

## সাৱধান, বন্ধন বেংকত

এজনক সোধ-পোচৰ বাবে আটক কৰিছে। তিনিচুকীয়া শাখাৰ বন্ধন বেংকৰ কৰ্মচাৰী (ফাইনেঞ্চাৰ) সঞ্জিত কুমাৰে গ্ৰাহকৰ তথ্য অপব্যৱহাৰ কৰি জালিয়াতিৰে এখন বাইক সৰকোৱাৰ ঘটনা এটা পোহৰলৈ অহাৰ পাছত তিনিচুকীয়া জিলাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণী মতে, বন্ধন বেংকৰ পেঙেৰী শাখাৰ পৰা পেঙেৰী অঞ্চলৰ পপোলাজান নিবাসী অশোক মৰাণৰ পত্নীয়ে ঋণ লৈছিল। ঋণ লোৱাৰ সময়ত অশোক মৰাণৰ পত্নীয়ে বেংকত স্বামীৰ অশোক মৰাণৰ নথি-পত্ৰ জমা দিবলগীয়া হৈছিল। পত্নী-পৰিচয় নিশ্চিতিৰ বাবে বেংকে লোৱা অশোকৰ উক্ত নথি-পত্ৰ ব্যৱহাৰ কৰিয়েই বন্ধন বেংকৰ কৰ্মচাৰী সঞ্জিত কুমাৰে তিনিচুকীয়া 'সাক্ষী মটৰছ'ৰ পৰা জালিয়াতিৰে সৰকায় এখন হিৰ' স্প্লেণ্ডাৰ বাইক। বাইকখনৰ পঞ্জীয়ন নং হৈছে এ এছ ২৩ এ এম ৬৮১৬। উল্লেখ্য যে, উক্ত মটৰ চাইকেলখন মাহেকীয়া কিস্তিৰ ভিত্তিত ক্ৰয় কৰোঁতে প্ৰৱঞ্চক সঞ্জিত কুমাৰে মাৰ্ঘেৰিটাৰ উলুপ নিবাসী শান্তনু মৰাণৰ ফটো ব্যৱহাৰ কৰে যি শান্তনু মৰাণে প্ৰায় ছমাহৰ পূৰ্বে বন্ধন বেংকৰ যোগেদি ক্ৰয় কৰিছিল এখন মটৰ চাইকেল। মটৰ চাইকেল ক্ৰয় কৰাৰ সময়ত বন্ধন বেংকৰ তিনিচুকীয়া শাখাৰ ফাইনেঞ্চাৰ (!) সঞ্জিত কুমাৰে শান্তনুৰ সতে যুটীয়াভাৱে ফটো মাৰি লৈছিল। উক্ত ফটো অশোক মৰাণৰ নথি-পত্ৰত ব্যৱহাৰ কৰি বেংক জালিয়াতিৰে সঞ্জিত কুমাৰে সৰকাইছিল উক্ত মটৰ চাইকেলখন। বেংকৰ কৰ্মচাৰীয়ে ই এম আই বিচাৰি অশোক মৰাণৰ বাসগৃহলৈ আহোঁতেহে ঘটনাটো পোহৰলৈ আহে। কাৰণ অশোকে কোনো কালে বন্ধন বেংকৰ পৰা ঋণ লৈ বাইক কিনা নাছিল। বেংক কৰ্মচাৰীৰ হাতত থকা নথি-পত্ৰ পৰীক্ষা কৰাৰ পাছতহে উক্ত জালিয়াতি ধৰা পৰে। অশোকে পেঙেৰীৰ আৰক্ষীৰ সহযোগত শান্তনুক সোধ-পোচ কৰাৰ পাছতহে উৰহী গছৰ ওৰ ওলাল যে আচলতে শান্তনু মৰাণো প্ৰৱঞ্চকৰ জালত বন্দী হৈছে। ঘটনাৰ পম খেদি পেঙেৰীৰ আৰক্ষীয়ে ইতিমধ্যেই বন্ধন বেংকৰ তিনিচুকীয়া শাখাৰ 'ফাইনেঞ্চাৰ' সঞ্জিত কুমাৰক গ্ৰেপ্তাৰ কৰাৰ লগতে জালিয়াতিৰে ক্ৰয় কৰা মটৰ চাইকেলখনো জব্দ কৰিবলৈ সক্ষম হৈছে। এই জালিয়াতিত বেংকটোৰ অন্যান্য কৰ্মচাৰীও জড়িত থকাৰ সন্দেহ ব্যক্ত কৰিছে ভুক্তভোগী অশোক মৰাণ আৰু শান্তনু মৰাণে। জালিয়াতিৰ ঘটনাৰে বন্ধন বেংকৰ পেঙেৰী শাখাৰ ব্যক্তিও জড়িত থকাৰ সন্দেহ কৰিছে অশোকে। কাৰণ অশোকৰ পত্নীয়ে পেঙেৰী শাখাত ঋণ বিচাৰি যাওঁতে জমা দিয়া স্বামীৰ নথি-পত্ৰ কেনেকৈ পৰিলগৈ তিনিচুকীয়া শাখাৰ কৰ্মচাৰী সঞ্জিত কুমাৰৰ হাতত? জালিয়াতিৰ নায়ক সঞ্জিত কুমাৰৰ স্বীকাৰোক্তিৰ ভিত্তিত সঞ্জয় কুমাৰ দত্ত নামৰ প্ৰৱঞ্চক চক্ৰৰ আন এজন সহযোগীকো আজি পেঙেৰীৰ আৰক্ষীয়ে আটক কৰিছে। নতুনকৈ দায়িত্ব লোৱা পেঙেৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আৰ্নল্ড দলেৰ তৎপৰতাক পেঙেৰীৰ সচেতন মহলে শলাগ লৈছে। ধৃত লোকজন তিনিচুকীয়াৰ হিজুগুৰি বাঁহবাৰী গাঁৱৰ ফণীভূষণ দত্তৰ পুত্ৰ সঞ্জয় কুমাৰ দত্ত বুলি জানিব পৰা গৈছে। পেঙেৰীৰ আৰক্ষীয়ে সোধ-পোচ অব্যাহত ৰখা সঞ্জয়ৰ পৰা অধিক তথ্য লাভ কৰাৰ সম্ভাৱনা আছে। তেওঁৰ পৰা অধিক তথ্য পোৱাৰ সম্ভাৱনা আছে। কালি আদালতত হাজিৰ কৰোৱা সঞ্জয় কুমাৰক আদালতে তিনিদিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে। বৰ্তমান সঞ্জিত কুমাৰক দুদিনৰ বাবে পেঙেৰীৰ আৰক্ষীয়ে জিম্মাত লৈছে। ঘটনা সন্দৰ্ভত ভাৰতীয় ন্যায় সংহিতাৰ ৩১৯(২)/৩৩৬(৩) নং ধাৰাৰ অধীনত পেঙেৰী থানাত ৩৫/২০২৫ নম্বৰত এক গোচৰ ৰুজু কৰি সঞ্জিতক আদালতত হাজিৰ কৰাইছিল। তদন্তৰ পাছত সমগ্ৰ ঘটনা পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## লাহৰীঘাটত দুই দুধৰ্ষ

লগতে বহুতো গুৰুত্বপূৰ্ণ নথিপত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ধৃত ছাইবাৰ অপৰাধী দুটা হৈছে লাহৰীঘাট থানাৰ অন্তৰ্গত দেৱাগুৰিৰ নুৰ হুছেইন আৰু কছাৰীবড়িৰ মফিজুৰ ৰহমান। ধৃত ছাইবাৰ অপৰাধী নুৰ হুছেইনে কছাৰীবড়িত বেংকৰ এটা চিএছ পিখুলি চলাই আহিছিল ছাইবাৰ অপৰাধৰ ৰমৰমীয়া বেহা। অভিযোগ মতে, ধৃত ছাইবাৰ অপৰাধী দুজনে এবিএফএল কোম্পানীৰ পৰা ভুৱা নথিৰে ৯ লাখ টকা হৰলুকি কৰিছিল। উল্লেখ্য যে মৰিগাঁও অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত নেতৃত্বত কালি নিশা লাহৰীঘাটত চলোৱা অভিযানত ছাইবাৰ অপৰাধী নুৰ হুছেইন আৰু মফিজুৰ ৰহমানক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা আৰক্ষীয়ে বিভিন্ন নথি পত্ৰ, লেপটপ আৰু ম'বাইল ফোন জব্দ কৰিছে। সম্প্ৰতি দুয়োকে জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অধিক তথ্যৰ বাবে মৰিগাঁও আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## সত্ৰীয়া সংস্কৃতিৰ পীঠস্থানত

মাজুলীও। ভাৰতীয় সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ সুযোগ লৈ চৰকাৰী ভূমি, সত্ৰৰ মাটি, চৰকাৰী স্বাস্থ্যকেন্দ্ৰ আদি অধিগ্ৰহণ কৰি খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে ইংৰাজী বিদ্যালয় আৰু গীৰ্জা স্থাপন কৰি মাজুলীত হিন্দু ধৰ্মৰ লোকসকলৰ ওপৰত এসময়ত ধৰ্মীয় আগ্ৰাসন চলোৱাৰো নজিৰ আছে। মাজুলীত যিমান ধুম-ধামেৰে ৰাস পালন কৰা হয় তাতকৈ বেছি আন্তৰিকতাৰে মাজুলীৰ খিলঞ্জীয়াই যেন এতিয়া বৰদিন পালন কৰে। বিভিন্ন সময়ত এইবোৰ খবৰ লুকাই থাকে যদিও জুইক ঢাকিব নোৱাৰাৰ দৰে মাজুলীৰ বৰদিনৰ উৎসৱকো লাহে লাহে ঢাকিব নোৱাৰা হৈ আহিছে। মাজুলীত গঢ়ি উঠা গীৰ্জা ঘৰ সমূহত এইবাৰো পবিত্ৰ বৰদিন উপলক্ষে কেৰলৰ ধ্বনিৰে মুখৰিত হৈ পৰে। মাজুলীৰ পূৰ্বৰ হিন্দু ধৰ্মাৱলম্বী একাংশ লোক শেহতীয়াকৈ খ্ৰীষ্টান ধৰ্মৰ দ্বাৰা প্ৰভাৱিত হৈ খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। পবিত্ৰ বৰদিন উপলক্ষে সেইসকল লোকৰ মুখত খ্ৰীষ্টান ধৰ্মক লৈ ওলোৱা মন্তব্যই বৈষ্ণৱ পীঠৰ সচেতন মহলক ভবাই তুলিছে। তেওঁলোকে ক'ব বিচাৰে যে, ককা, আজু ককাই পালন কৰা ৩৩ কোটি দেৱতা বা হাঁহ কুকুৰা বলি দিয়া বা পূজা পাতল কৰি অহা ধৰ্মত আমি শান্তি নাপাওঁ, যীশু খ্ৰীষ্টইহে আমাক শান্তি দিব পাৰে বুলি মন্তব্য কৰিব খোজে। ইফালে সত্ৰনগৰী মাজুলীত গঢ়ি উঠা গীৰ্জাত আজি বৰদিন উদযাপনৰ দিনটোতে হিন্দু ৰাষ্ট্ৰ দাবী সমিতি অসমৰ উদ্যোগত স্ব-ধৰ্ম সুৰক্ষা দিৱস পালন কৰে। দক্ষিণপাট গুহাশ্ৰমী সত্ৰৰ অধিকাৰ তথা হিন্দু ৰাষ্ট্ৰ দাবী সমিতি অসমৰ কেন্দ্ৰীয় সভাপতি জনাৰ্দন দেৱ গোস্বামীৰ নেতৃত্বত প্ৰতি বছৰে মাজুলীত বৰ দিনৰ দিনটোত তুলসী পূজন দিৱস হিচাপে পালন কৰি অহাৰ সমান্তৰালকৈ এই বৰ্ষৰ আজি ৰাজ্যিক ভাৱে স্ব-ধৰ্ম সুৰক্ষা দিৱস পালন কৰে। বিশেষকৈ খ্ৰীষ্টান আগ্ৰাসন ৰোধৰ বাবে এই দিৱস পালন কৰাৰ লগতে সময় থাকোঁতেই যাতে নিজৰ ধৰ্ম এৰি এই খ্ৰীষ্ট ধৰ্ম প্ৰতি কোনো আকৰ্ষিত নহয় তাৰ বাবে সংগঠনটোৱে আহ্বান জনায়। এই দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকি হিন্দু ৰাষ্ট্ৰ দাবী সমিতি অসমৰ কেন্দ্ৰীয় সম্পাদক বলেন বৈশ্যই কয় সনাতনী সকলৰ বাবে এইটো অতি বিড়ম্বনাৰ কথা যে আজি আমি নিজৰ মাটিত নিজৰ ধৰ্মৰ ৰক্ষাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। তথাপি আমি আশা এৰা নাই যে বিজতৰীয়া সংস্কৃতি, পাশ্চাত্যৰ পৰা অহা সংস্কৃতিক ইয়াত আৰু বাঢ়িবলৈ দিয়া নহ'ব। যিসকলে এই সনাতন সত্তাৰ পৰা গৈ সেই বিজতৰীয়া সংস্কৃতিৰ লগত জড়িত হৈছে সেইসকলকো তেওঁ উভতি আহিবলৈ আহ্বান জনায়। ইফালে বাংলাদেশৰ ঘটনা সন্দৰ্ভত তেওঁ কয় বাংলাদেশৰ অমুছলমানৰ ওপৰত এই আক্ৰমণ চলিয়েই আহিছে। সংখ্যাগুৰু ইছলামিক এই আগ্ৰাসন গৰিহণাৰ যোগ্য। শান্তিৰ ন'বেল বঁটা লোৱা মহম্মদ ইউনিছে শাসনভাৰ লোৱাৰ পৰা যি হিংসাত্মক ঘটনা হৈছে এয়া সন্দেহৰ আৱৰ্তত আহি পৰিছে যে মহম্মদ ইউনিছে সঁচাই শান্তিৰ ন'বেল বঁটা পাইছিলনে বুলি তেওঁ উল্লেখ কৰে। ইফালে বাংলাদেশে অসম আৰু উত্তৰ পূৰ্বাঞ্চলক লৈ শেহতীয়াকৈ যি দাবী কৰিবলৈ আৰম্ভ কৰিছে সেয়া ভাৰতৰ ভুল বিদেশ নীতিৰ বাবেই হৈছে বুলি উল্লেখ কৰি বাংলাদেশৰ ক্ষেত্ৰত বিদেশ নীতি কঠোৰ কৰিবলৈ তেওঁ আহ্বান জনায়। ইফালে অতি পৰিতাপৰ কথা যে, এই ধৰণৰ প্ৰত্যাহ্বানক নেওচা দিবলৈ বৰ্তমানেও মাজুলীবাসীৰ মাজত গঢ়ি উঠা নাই কোনো ধৰণৰ জাগৰণ আৰু সজাগতা। অৱশ্যে শেহতীয়াকৈ মাজুলীৰ আউনীআটী সত্ৰ, দক্ষিণপাট, উত্তৰ কমলাবাৰী সত্ৰৰ পৃষ্ঠপোষকতাত মিছিং জনজাতীয় অঞ্চলত সত্ৰাধিকাৰৰ দ্বাৰা নামঘৰ, গুৰুআসন প্ৰতিষ্ঠাৰ দৰে বিভিন্ন কাৰ্যসূচী হাতত লৈছে যদিও আৰু কৰণীয় আছে বুলি ৰাইজে ক'ব বিচাৰে। এনে প্ৰেক্ষাপটত চৰকাৰৰ সদিচ্ছাৰ অভাৱতে একপ্ৰকাৰ অকামিলা হৈ থকা মাজুলীৰ সাংস্কৃতিক, অৰ্থনৈতিক, ভৌগোলিক আৰু সামাজিক সুৰক্ষাৰ ৰক্ষা কৱচ স্বৰূপ 'মাজুলীৰ সাংস্কৃতিক দৃশ্য পট অঞ্চল আইন'-২০০৬ আইনখনো পুনৰ সক্ৰিয় কৰাৰো দাবী সচেতন মহলৰ। মাজুলীৰ ঐতিহ্য সংস্কৃতিক একক ভাৱে জীয়াই ৰখাৰ স্বাৰ্থত চৰকাৰৰ যেনেদৰে কৰণীয় আছে ঠিক সেইদৰেই মাজুলীৰ দল সংগঠনেও মাজুলীৰ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰে অসমীয়া জাতিৰ অন্যতম স্বাভিমান মাজুলীৰ সংস্কৃতিক জীয়াই ৰখাৰ ক্ষেত্ৰত কৰণীয় আছে বুলি সচেতন মহলে ক'ব বিচাৰে।

## গোৱালপাৰা জিলাৰ কৃষ্ণাই খামাৰীত হাতী-মানুহৰ

আৰক্ষী থানাৰ অন্তৰ্গত অসম মেঘালয় সীমান্তৱৰ্তী খামাৰী গাঁৱত দুগৰাকীকৈ ব্যক্তি বনৰীয়া হাতীৰ গচকত মৃত্যু হয়। দিন দুপৰতে দিনৰ পোহৰত প্ৰায় তিনি মান বজাত খামাৰী গাঁৱত প্ৰৱেশ কৰা বৃহৎ বনৰীয়া হাতীৰ জাকৰ পৰা ফালৰি কাটি অহা এটা অকলশৰীয়া উন্মাদ হাতীৰ আক্ৰমণত পথেৰে গৈ থকা অৱস্থাত জুলেশ্বৰ ৰাভাৰ মৃত্যু হয় আৰু কিছু নিলগত বনৰীয়া হাতীটোৱে ডবল ৰাভা নামৰ এগৰাকী লোকক আক্ৰমণ কৰে। গুৰুতৰ ভাৱে আহত ডবল ৰাভাক ততাতয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসা লাভৰ পূৰ্বেই ডবল ৰাভাৰ মৃত্যু জানিব পৰা গৈছে। উল্লেখ্য যে বিগত কেবামাহ ধৰি গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত বনৰীয়া হাতী আৰু মানুহৰ মাজত সংঘাত ভয়াবহ ৰূপত চলি আহিছে। বিশেষকৈ বনৰীয়া হাতীৰ বৃহৎ জাকবোৰৰ লগতে জাকৰ পৰা ফালৰি কাটি অহা অকলশৰীয়া হাতীটোৱে জিলা খনৰ ইটো মুৰৰ পৰা সিটো মুৰলৈ ধপলিয়াই ফুৰে। দিনৰ ভাগত বনাঞ্চলত বিচৰণ কৰি থকা হাতীবোৰে নিশা হ'লেই জনাঞ্চললৈ ওলাই আহে আৰু ধন জনৰ বিস্তৰ ক্ষতি সাধন কৰে। বনবিভাগৰ প্ৰতি আস্থা হেৰুৱাই পেলোৱা ক্ষতিগ্ৰস্ত ৰাইজে এই সমস্যাৰ পৰা আশু সমাধান আশা কৰিছে। বিগত প্ৰায় দহটা দিনত দুধনৈ নিকটৱৰ্তী টাঙাবাৰী, মোৱামাৰী, কৃষ্ণই গুৰিয়া টিলাপাৰা অঞ্চলত কেবাটাও পৰিয়াল গৃহহীন হোৱাৰ উপৰিও একেটা পৰিয়ালৰ তিনিগৰাকীকৈ ব্যক্তি হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হব লগা হৈছিল। ইতিমধ্যে ৰাভা হাছং পৰিষদৰ কাৰ্যবাহী সদস্য জীৱন ৰাভাই খামাৰীত উপস্থিত হৈ সমগ্ৰ ঘটনাৱলীৰ বুজ লয়। গোৱালপাৰাত হাতী মানুহৰ সংঘাতে দিনক দিনে তীব্ৰ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে।

## যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ

অপমানজনকভাৱে ভৰি চেলেকিবলৈ বাধ্য কৰাৰ অভিযোগ উত্থাপিত হৈছে এই বিষয়াজনৰ বিৰুদ্ধে। ইয়াৰ উপৰিও জেডিএত বিভিন্ন ধৰণৰ দুৰ্নীতিৰ জৰিয়তে বিপুল সম্পত্তি গঢ়ি তোলাৰো অভিযোগ আছে সমীৰণ বৰুৱাৰ বিৰুদ্ধে। সমীৰণ বৰুৱাই নিজৰ গাড়ীচালক বিপুল ওৰাংক ভৰি চেলেকিবলৈ বাধ্য কৰাৰ এক ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পিছতে এই ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ভিডিঅ'টোত দেখা গৈছিল যে, বিষয়াজনে চালকক জাতিভিত্তিক অপমান কৰি ভৰি চেলেকিবলৈ বাধ্য কৰিছে। এই ঘটনাৰ পিছতে আটছাই (অল আদিবাসী টি ট্ৰাইবছ ষ্টুডেণ্টছ এছ'চিয়েচন)ৰ নেতৃত্বত বিপুল ওৰাঙে তিতাবৰ আৰু যোৰহাট সদৰ থানাত এজাহাৰ দাখিল কৰে। পৰৱৰ্তী সময়ত ভুক্তভোগী চালকজনে আনুষ্ঠানিকভাৱে গোচৰও ৰুজু কৰে। আনহাতে, সমীৰণ বৰুৱাৰ পত্নীয়েও পতিৰ বিৰুদ্ধে পত্নী আৰু দুই সন্তানক প্ৰাণে মাৰিবলৈ চেষ্টা কৰাৰ গুৰুতৰ অভিযোগ তুলি যোৰহাট সদৰ থানাত এজাহাৰ দাখিল কৰিছিল। কিন্তু এজাহাৰ দাখিলৰ পিছতো যোৰহাট আৰক্ষীয়ে কোনো ধৰণৰ তৎপৰতা দেখুওৱা নাই বুলি অভিযোগ উত্থাপিত হৈছে। বৰ্তমানলৈকে বিতৰ্কিত বিষয়াজনক গ্ৰেপ্তাৰ কৰা হোৱা নাই আৰু তেওঁৰ অৱস্থানো আৰক্ষীৰ অজ্ঞাত বুলি জানিব পৰা গৈছে। এই সকলো ঘটনাই যোৰহাটত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৰহাট আৰক্ষীৰ ভূমিকাক লৈ জনমানসত প্ৰশ্নচিহ্নৰ সৃষ্টি হৈছে। সাধাৰণ ৰাইজে দাবী উত্থাপন কৰিছে যে, কেৱল তদন্ত নহয়, সমীৰণ বৰুৱাক তৎক্ষণাৎ গ্ৰেপ্তাৰ কৰি আইনৰ আওতালৈ অনা হওক। আদিবাসী সংগঠনসমূহেও এই ঘটনাৰ তীব্ৰ নিন্দা কৰি দ্ৰুত বিচাৰৰ দাবী জনাইছে। জিলা প্ৰশাসনে বিভাগীয় তদন্তৰ নিৰ্দেশ দিয়াৰ পিছতো আৰক্ষীৰ তৎপৰতাৰ অভাৱে এই ঘটনাই নতুন মাত্ৰা লাভ কৰিছে। আগন্তুক দিনত এই বিষয়ে কি পদক্ষেপ লোৱা হয়, সেইদিশে সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

৩৫ বছৰত ১১,৫০০ জন দিব্যাংগলৈ বিনামূলীয়া কৃত্ৰিম ভৰি

# আমিনগাঁও তোলাৰাম বাফনা কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰত একেদিনাই ২০ দিব্যাংগৰ শৰীৰত কৃত্ৰিম ভৰি সংস্থাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** মানৱ সেৱাত উৎসৰ্গিত আমিনগাঁও তোলাৰাম বাফনা কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰত পবিত্ৰ খ্ৰীষ্টমাছ উপলক্ষে বৃহস্পতিবাৰে এক ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰা হয়। কেন্দ্ৰটোৱে আজিৰ দিনটোত ২০জন দিব্যাংগৰ শৰীৰত কৃত্ৰিম ভৰি সংস্থাপন কৰি মানৱ সেৱাৰ আন এক অনন্য নিদৰ্শন দাঙি ধৰে। বিভিন্ন কাৰণত ভৰি হেৰুৱা ২০জন ব্যক্তি পৰিয়াল সহ পুৱাই কেন্দ্ৰটোত উপস্থিত হৈ নতুন জীৱন লাভ কৰিবলৈ সক্ষম হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২০জন ব্যক্তিৰ শৰীৰত বিনামূলীয়াকৈ কৃত্ৰিম ভৰি সংস্থাপন কৰি পৰম সন্তোষ প্ৰকাশ কৰে কেন্দ্ৰটোৰ প্ৰতিজন কৰ্মকৰ্তা। উল্লেখ্য যে, ১৯৯১ চনৰ ২৮ মাৰ্চত আমিনগাঁৱত জন্ম দিয়া তোলাৰাম বাফনা কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰই যোৱা ৩৫ বছৰত ১১, ৫০০জন দিব্যাংগৰ শৰীৰত বিনামূলীয়াকৈ কৃত্ৰিম ভৰি সংস্থাপন কৰি এক অনন্য নিদৰ্শন দিয়া ধৰিবলৈ সক্ষম হোৱাৰ লগতে ৰাইজৰ আশীৰ্বাদ পাবলৈ সক্ষম হৈছে। কেৱল ৰাজ্যই নহয় উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ লগতে দেশ আৰু দেশৰ বাহিৰৰ ভূটান, বাংলাদেশ আৰু নেপালৰ পৰা অহা বহু দিব্যাংগ লোক উপকৃত হৈছে এই অনুষ্ঠানটোৰ দ্বাৰা। সমাজকৰ্মী শুভাকৰণ জৈন বাফনা, পুত্ৰ সুৰেন্দ্ৰ কুমাৰ বাফনাৰ উদ্যোগত গ্ৰহণ কৰি অহা হৈছে এই পদক্ষেপ। ইফালে আমিনগাৱৰ স্থানীয় যুৱক তথা কৃত্ৰিম ভৰি সংস্থাপনৰ বিশেষজ্ঞ পবিত্ৰ বড়োৰ লগতে ৫জন যুৱক জড়িত হৈ আছে কৃত্ৰিম ভৰি নিৰ্মাণ কাৰ্যত। আজি অসম সাহিত্য সভাৰ অন্তৰ্গত কামৰূপ মহানগৰ জিলাৰ সভাপতি প্ৰফুল্ল বৰ্মন, প্ৰচাৰ আহ্বায়ক দীপক শৰ্মা আৰু সাংবাদিক ৰাজ কুমাৰ জানজাৰি অনুষ্ঠানত উপস্থিত থাকি তোলাৰাম বাফনা কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰৰ জনকল্যাণমূলক কামৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে অনুষ্ঠানটোৰ সঞ্চালক শুভকৰণ জৈন বাফনাৰ শলাগ লয়।

### উচ্চতৰ মাধ্যমিক পৰীক্ষা পৰিচালনা সমিতি গঠন

# পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ডিচেম্বৰ ঃ** মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষা পৰিচালনা সমিতিখন গঠন কৰা হয়। এই উপলক্ষে আজি বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। দুপৰীয়া বাৰ বজাৰ পৰা আৰম্ভ হোৱা উক্ত সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰন শইকীয়াই। বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে আঁত ধৰা সভাত বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সকলো সদস্য-সদস্যাসকল, অভিভাৱক, স্থানীয় নেতৃ স্থানীয় জ্যেষ্ঠ নাগৰিক আদিয়ে অংশগ্ৰহণ কৰে। উক্ত, সভাত বিদ্যালয়ৰ ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষা পৰিচালনা সমিতিৰ বিভিন্ন খতিয়ান দাঙি ধৰে অধ্যক্ষ অজিত সভাপণ্ডিতে। সভাত আগন্তুক বিদ্যালয় পৰিচালনা সমিতি গঠনৰ নীতি নিৰ্দেশনা অধ্যক্ষজনে প্ৰকাশ কৰে। সভাত আগন্তুক ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষা পৰিচালনা সমিতিখন গঠন কৰা হয়। উক্ত সমিতিত সভাপতি হিচাপে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰন শইকীয়া, সম্পাদক হিচাপে অধ্যক্ষ অজিত সভাপণ্ডিত আৰু বিভিন্ন বিভাগৰ পৰা দহজন সদস্য লৈ উক্ত পৰীক্ষা কেন্দ্ৰ পৰিচালনা সমিতিখন গঠন কৰা হয়। সভাত, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰবীন মূদৈ, গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামী, জ্যেষ্ঠ নাগৰিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক সঞ্জীৱ কুমাৰ পায়েং, বিদ্যালয় পৰিচালনা সমিতিৰ উপ সভানেত্ৰী ইলা শৰ্মা বৰঠাকুৰ, শিক্ষক গজেন বৰা, সত্য ৰঞ্জন হাজৰিকা আদিয়ে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে।

### টিৰাপ আৰু মাৰ্ঘেৰিটা ছাত্ৰ সন্থাৰ যুটীয়া শ্ৰমদান কাৰ্যসূচীৰে প্ৰতিবাদ

# মাৰ্ঘেৰিটা-দেওমালী সংযোগী পথৰ দুৰৱস্থা

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৫ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটা দেওমালীৰ সংযোগী পথটো অসম-অৰুণাচল প্ৰদেশ অন্যতম এটা অতি গুৰুত্বপূৰ্ণ পথ। কিন্তু এই গুৰুত্বপূৰ্ণ পথটোৰ মাৰ্ঘেৰিটা অংশৰ প্ৰায় ১৬ কিলোমিটাৰ দীঘল অংশ বিগত প্ৰায় ১৫ বছৰ ধৰি পুনৰ নিৰ্মাণ নোহোৱাত সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। পথটোৰ এই দুৰৱস্থাৰ ফলত অসম আৰু অৰুণাচল প্ৰদেশ দুয়োখন ৰাজ্যৰ ৰাইজে দৈনিক যাতায়তৰ সময়ত ভীষণ দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বিশেষকৈ বাৰিষাকালত পথটোত দ'দ'গাত সৃষ্টি হৈ পানী জমা হয়, যাৰ ফলত যাতায়ত অধিক জটিল হোৱাৰ লগতে দুৰ্ঘটনাৰ আশংকাও বৃদ্ধি পাইছে। চাৰি চকীয়া বাহন সমূহৰ যাতায়ত কৰাতে অসুবিধা ভোগ কৰি আহিছে, দুচকীয়া বাহন আৰু পথচাৰীৰ বাবে খৰালিৰ দিনকেইটাত যেন তেন হ'লেও বাৰিষা বা বৰষুণৰ বতৰত যাতায়ত কৰা দূৰ হৈ পৰে। বিশেষ কৈ ছাত্ৰ ছাত্ৰী আৰু ৰোগী সকলে দূৰ্ভোগ ভুগিব লগা হয়। এই সংকটজনক পৰিস্থিতিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ লগতে বাৰিষাৰ পূৰ্বেই পথটো পুনৰ নিৰ্মাণৰ দাবীত অৰুণাচল প্ৰদেশৰ টিৰাপ জিলা ছাত্ৰ সন্থাআৰু মাৰ্ঘেৰিটা আঞ্চলিক ছাত্ৰ সন্থাই যুটীয়াভাৱে এক শ্ৰমদান কাৰ্যসূচী ৰূপায়ণ কৰে। শ্ৰমদান কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ সংগঠন দুটাই এই পথৰ দুৰৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱাৰ লগতে শীঘ্ৰে পথটো পুনৰ নিৰ্মাণ কৰি দুয়োখন ৰাজ্যৰ ৰাইজক এক স্থায়ী সমাধান প্ৰদান কৰাৰ বাবে দাবী জনাইছে।

# খৈৰাবাৰীৰ প্ৰতিদিন কাকতৰ সাংবাদিক, শিক্ষক প্ৰশান্ত কুমাৰৰ বিয়োগ; অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, খৈৰাবাৰী, ২৫ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ খাগাৰা গাঁৱৰ খৈৰাবাৰী সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক প্ৰশান্ত কুমাৰৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটালত দেহাবসান ঘটে। চাবুকধৰা নিম্ন বুনিয়াদী বিদ্যালয়ত প্ৰশান্ত কুমাৰে মৃত্যুৰ আগলৈকে শিক্ষাদান কৰি কালি ৰাতি পুৱা ৫ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালত ইহলীলা সম্বৰণ কৰে। কিছুদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ কালি পুৱা শেষ নিঃশ্বাস ত্যাগ কৰে। তেখেতৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লাগে লগে অসংখ্য গুনমুগ্ধই খাগাৰাৰ তেখেতৰ নিজা বাসগৃহত ভিৰ কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটালৰ পৰা পোনে পোনে তেখেতৰ প্ৰথম কৰ্মৰত খাগাৰা চৰকাৰী বুনিয়াদি বিদ্যালয়লৈ লৈ অনা হয়। তাৰ পৰা পোনে পোনে শোকাকুল পৰিবেশৰ মাজেৰে তেখেতৰ নশ্বৰ দেহ নিজ বাসগৃহ খাগাৰাত অনা হয় আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, দল, সংগঠনৰ লোকে তেখেতক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেখেতে বহু আত্মীয় স্বজন এৰি থৈ যায়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫৩ বছৰ। তেখেতৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰে। তেখেতে শিক্ষকতাৰ উপৰিও বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, খৈৰাবাৰী সাহিত্য সভাৰ, খৈৰাবাৰী প্ৰেছ ক্লাবৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। খৈৰাবাৰীৰ পৰা অসমীয়া প্ৰতিদিন কাকতৰ সংবাদ সেৱা কৰিছিল। তেখেতৰ অকাল বিয়োগত খৈৰাবাৰী সাহিত্য সভা, খৈৰাবাৰী প্ৰেছক্লাব, কালজুৰি আবাহন সংঘ, কালজুৰি বিষ্ণু মন্দিৰ, খাগাৰা চৰকাৰী বুনিয়াদী বিদ্যালয়ৰ শিক্ষক গোটকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে। কালি দুপৰীয়া শোকাকুল পৰিৱেশৰ মাজেৰে প্ৰশান্ত কুমাৰক শেষকৃত্য সম্পন্ন কৰা হয়।

# মুকালমুৱাত পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীত বৰক্ষেত্ৰী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ ডিচেম্বৰ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ অন্তৰ্ভুক্ত বৰক্ষেত্ৰী আঞ্চলিক কৰ্মচাৰী পৰিষদে আজি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক স্মাৰক পত্ৰ প্ৰদান কৰে। ৰাজ্যখনৰ কৰ্মচাৰী সকলৰ অৱসৰকালীন জীৱনৰ স্বাৰ্থ সুৰক্ষাৰ বাবে নতুন পেঞ্চন ব্যৱস্থা প্ৰত্যাহাৰ কৰি পুনৰ পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ সদৌ অসম কৰ্মচাৰী পৰিষদে বিগত সময়ত বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। পুৰণি পেঞ্চন ব্যৱস্থা ২০০5 ইংৰাজী চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা বিলুপ্ত কৰি নতুন ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা (এন.পি.এছ.) প্ৰৱৰ্তন আৰু অতি সম্প্ৰতি প্ৰৱৰ্তন কৰা ইউ.পি.এছ. বা একত্ৰিত পেঞ্চন ব্যৱস্থাই ৰাজ্যখনৰ কৰ্মচাৰী সমাজৰ অৱসৰকালীন জীৱনৰ স্বাৰ্থ সুৰক্ষিত কৰিব নোৱাৰে আৰু কৰ্মচাৰী, বিষয়া, শ্ৰমিক আৰু শিক্ষক সকলে এন.পি.এছ. আৰু ইউ.পি.এছ. এই দুয়োটা ব্যৱস্থাৰ অধীনত অৱসৰকালীন বৃদ্ধকালত পৰিয়াৰ আৰু নিজৰ ভৰণ-পোষণ, চিকিৎসা, লৰা-ছোৱালীৰ পঢ়াৰ ব্যয় বহন কৰিবলৈ সামৰ্থ নহয় বুলি উল্লেখ কৰে কৰ্মচাৰী পৰিষদে। চাকৰি জীৱনত চৰকাৰক সকলো শক্তি, সামৰ্থৰে সেৱা আগবঢ়োৱাৰ পিছত বৃদ্ধকালত কৰ্মচাৰী সকলে আৰ্থিকভাৱে ভয়াৱহ অৱস্থাৰ সন্মুখীন হ'ব পাৰে বুলি মত প্ৰকাশ কৰি এন.পি.এছ আৰু ইউ.পি.এছ এই দুয়োটা ব্যৱস্থা প্ৰত্যাহাৰ কৰি পুনৰ পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তনৰ দাবীৰে আজি বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বান মৰ্মে বৰক্ষেত্ৰী আঞ্চলিক কৰ্মচাৰী পৰিষদে স্মাৰক পত্ৰ প্ৰদান কৰে।

# কাৰ্বি আংলঙৰ খেৰণিত জনজাতি খিলঞ্জীয়া ভূমিপুত্ৰৰ ওপৰত আক্ৰমণক সদৌ অসম মেচ কছাৰী ছাত্ৰ সন্থাৰ গৰিহণা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৫ ডিচেম্বৰ ঃ** কাৰ্বি আংলংৰ খেৰণিত জনজাতি খিলঞ্জীয়া ভূমিপুত্ৰ ভাই-ভনীৰ ওপৰত আক্ৰমণ কৰিবলৈ পহুখেদা দিয়া অনা-খিলঞ্জীয়াবোৰক তীব্ৰ গৰিহণা জনাইছে সদৌ অসম মেচ কছাৰী ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ সভাপতি জুবিন মেচে। কাকতলৈ দিয়া এক বিজ্ঞপ্তিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি লগতে কয় যে 'কাৰ্বি গ' বেক' আৰু 'চাইনিজ' বুলি যি সকলে কটু মন্তব্য প্ৰদান কৰিছে সেই সকলক অসম চৰকাৰে অতি শীঘ্ৰে কৰায়ত্ত কৰিবলৈও দাবী জনায়। এনে অনাকাংক্ষিত বিষবাষ্প বিয়পোৱা অসমৰ বাবে অশুভ সংকেত বুলিও উল্লেখ কৰি অসমত বসবাস কৰি অসমৰ বায়ু-পানী সেৱন কৰি খিলঞ্জীয়াৰ ওপৰত অনা-খিলঞ্জীয়াই দপদপনি চলাব সেয়া কেতিয়াও সহ্য কৰা নহ'ব আৰু কাৰ্বি সকল অকলশৰীয়া বুলি ভাবি লোৱা সকলক সকীয়নি প্ৰদান কৰি কও যে অসমৰ ১৪ টাকৈ জনগোষ্ঠীয় জনজাতি কাৰ্বি সকলৰ লগত আছে।

# ধমধমাত প্ৰয়াত বিজন চৌধুৰী (বিজু)ৰ সোঁৱৰণী দিবা-নৈশ টেনিছ ক্ৰিকেট খেল প্ৰতিযোগিতা

**অসম বাৰ্তা, ধমধমা, ২৫ ডিচেম্বৰ ঃ** ধমধমাত কাইলৈ ২৫-২৬ তাৰিখৰ পৰা প্ৰয়াত বিজন চৌধুৰী (বিজু)ৰ সোঁৱৰণত ৰানাৰ্ছ স্পৰ্টছ ক্লাবৰ উদ্যোগত ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত ষষ্ঠ দিবা-নৈশ প্ৰাইজমানী টেনিছ ক্ৰিকেট খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। ২৫ ডিচেম্বৰ পুৱাত ধমধমা আদৰ্শ ছেকেণ্ডাৰী স্কুলৰ সহকাৰী শিক্ষক হিতেশ কুমাৰ পাটগিৰিয়ে খেলখনৰ পতাকা উত্তোলন কৰিব, বৃক্ষ ৰোপণ অনুষ্ঠানটিৰ শেষত প্ৰতিযোগিতাখন উদ্বোধন কৰিব বিটি আৰৰ প্ৰাক্তন অধ্যক্ষ কাতিৰাম বড়োৱে। ইয়াৰ পিছতে সন্ধিয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হ'ব। ২৬ ডিচেম্বৰ সন্ধিয়া প্ৰথমখন ছেমিফাইনেল খেল উদ্বোধন কৰিব ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা প্ৰাক্তন কেবিনেট মন্ত্ৰী ৰেখাৰাণী দাস বড়োৱে, নিশা চূড়ান্ত খেলখন উদ্বোধন কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা নলবাৰী বিধান সভা সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই। ক্ৰিকেট খেল প্ৰতিযোগিতাৰ চেম্পিয়ন দলক আকৰ্ষণীয় ট্ৰফীৰ লগতে ৩০ হেজাৰ টকা আৰু ৰানাৰ্চ আপ দলকো আকৰ্ষণীয় ট্ৰফীৰ লগতে ২০, ০০০ হেজাৰ টকা মাননি আগবঢ়োৱা হ'ব।

# ঢালিগাঁৱস্থিত বঙাইগাঁও শোধনাগাৰৰ মুল গেটৰ সন্মুখত বঙাইগাঁও ৰিফাইনাৰী ঠিকা ভিত্তিক শ্ৰমিক ইউনিয়নৰ এক ঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

**অসমবাৰ্তা, বিজনী, ২৫ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ ঢালিগাঁৱস্থিত বঙাইগাঁও শোধনাগাৰৰ মূল গেটৰ সন্মুখত মঙ্গলবাৰে বঙাইগাঁও ৰিফাইনাৰী ঠিকা ভিত্তিক শ্ৰমিক ইউনিয়নৰ এক ঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ। শেহতীয়া কৈ কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশত শ্ৰম আইন ৰূপায়ণ কৰি শ্ৰমিক সকলৰ ওপৰত জাপি দিয়া শ্ৰম কড বাতিলৰ দাবীত আজি চিৰাঙৰ ঢালিগাঁৱস্থিত বঙাইগাঁও শোধনাগাৰৰ ঠিকা ভিত্তিক শ্ৰমিক ইউনিয়নে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি কেন্দ্ৰীয় চৰকাৰে শ্ৰমিক সকলৰ ওপৰত জাপি দিয়া শ্ৰম কড বাতিল কৰাৰ বাবে দাবী জনায়। অন্যথা শ্ৰম কডৰ বিৰুদ্ধে সমগ্ৰ দেশতে শ্ৰমিক সকলে তীব্ৰ আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলিও তীব্ৰ সকিয়নি প্ৰদান কৰে বঙাইগাঁও শোধানাগাৰৰ ঠিকা ভিত্তিক শ্ৰমিক ইউনিয়নৰ সাধাৰণ সম্পাদক দিলীপ কুমাৰ ৰায়ে।

# ১০১ সংখ্যক জন্মজয়ন্তীত

কৰা হয়। এই উপলক্ষে বিজেপি নেতা-কৰ্মীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে বাজপেয়ীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু তেওঁৰ আদৰ্শ আৰু অৱদানক সোঁৱৰে। পুৱাৰ ভাগত নতুন দিল্লীৰ ৰাজঘাটৰ সমীপত অৱস্থিত 'সদৈৱ অটল' স্মৃতিসৌধত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱাকে ধৰি বিধায়ক, কাউন্সিলাৰ, মেয়ৰ আৰু বহুসংখ্যক বিজেপি কৰ্মী আৰু সাধাৰণ নাগৰিক উপস্থিত হয়। সকলোৱে ফুলেৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি অটলজীক স্মৰণ কৰে। বিয়লিৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লক্ষ্ণৌত উপস্থিত হৈ 'ৰাষ্ট্ৰীয় প্ৰেৰণাস্থলী' নামৰ ৰাষ্ট্ৰীয় স্মৃতিসৌধ আৰু কমপ্লেক্স উদ্বোধন কৰে। এই স্মৃতিসৌধখন ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ জীৱন, আদৰ্শ আৰু উত্তৰাধিকাৰক উদযাপন কৰিবলৈ উৎসৰ্গিত।

# জনজাতিকৰণৰলৈ মুখ্যমন্ত্ৰীৰ শেহতীয়া মন্তব্যত আক্ৰাছুৰ সভাপতি মনোজ কুমাৰ ৰায়ৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, বিজনী, ২৫ ডিচেম্বৰ ঃ** নিৰ্বাচনৰ পূৰ্বে ৬ জনগোষ্ঠীৰ জনজাতিকৰণ নহয়, জনগোষ্ঠী সমূহে বিচৰা নাই বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ পাছতে জাঙুৰ খাই উঠিছে আক্ৰাছু। এই সংক্ৰান্তত বুধবাৰে বিজনী মহকুমা আক্ৰাছুৰ কাৰ্যালয়ত আক্ৰাছুৰ সভাপতি মনোজ কুমাৰ ৰায়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে মুখ্যমন্ত্ৰীয়ে যি ধৰণে মন্তব্য কৰিছে এইটো এটা ৰাজনৈতিক মন্তব্য। কোচৰাজবংশীকে আদি কৰি যেতিয়ালৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ নহয়, তেতিয়ালৈ অসমখন সুৰক্ষিত নহয়। ৰাজনৈতিক ভাৱে কোচৰাজবংশী জনগোষ্ঠী নিঃশেষ হৈ পৰিছোঁ। ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বেই যিকোনো প্ৰকাৰেই কোচৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰদান কৰক। ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণ নকৰিলে তেনেহলে আমি নিৰ্বাচনৰ আগত অভিৱৰ্তন পাতি ৰাজনৈতিক সিদ্ধান্ত লোৱাৰ বাধ্য হ'ম বুলি বিজনীত এই মন্তব্য কৰে আক্ৰাছুৰ সভাপতি মনোজ কুমাৰ ৰায়ে। আনহাতে মধ্য উজনি আক্ৰাছুৰ পেডত অহা ২৬ ৰ বিধানসভা নিৰ্বাচনত কোচ ৰাজবংশী প্ৰাৰ্থী দিয়াক লৈও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আক্ৰাছুৰ সভাপতি মনোজ কুমাৰ ৰায়ে। ৰায়ে কয় যে কোনে কি দিছে সেইটো আমি জ্ঞাত নহয়। কিন্তু আমি আক্ৰাছুৰ পৰা প্ৰত্যেকটো ৰাজনৈতিক দলক এটা আহ্বান জনাইছোঁ যে যাতে তেওঁলোকে যি সমষ্টিত কোচ ৰাজবংশী প্ৰাৰ্থী জয়ী হোৱাৰ সম্ভাৱনা আছে সেই সমষ্টিত কোচ ৰাজবংশী প্ৰাৰ্থী দিয়ে।

# কৰ্ণাটকত ভয়ংকৰ পথ

আৰু মৃতকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আৰক্ষীয়ে জনাইছে। প্ৰাপ্ত তথ্য অনুসৰি, বেংগালুৰুৰ পৰা গোকৰ্ণালৈ যোৱা এখন ব্যক্তিগত স্লীপাৰ বাছ আৰু এখন কণ্টেইনাৰট্ৰাকে নেচনেল হাইৱে ৪৮ত গোৰ্লাথু গাঁৱৰ ওচৰত প্ৰচণ্ড সংঘৰ্ষত লিপ্ত হয়। সংঘৰ্ষৰ ফলত দুয়োখন বাহনতে তীব্ৰ অগ্নিকাণ্ডৰ সূত্ৰপাত হয় আৰু বাছখন সম্পূৰ্ণৰূপে জুইৰ গোলা হৈ পৰে। বাছৰ ভিতৰত আৱদ্ধ হৈ পৰা যাত্ৰীসকলে বাহিৰলৈ ওলাই অহাৰ কোনো পথ নাপালে, যাৰ ফলত বহুতৰে জীৱন্তে দগ্ধ হৈ মৃত্যু হয়। আৰক্ষীৰ মতে, দুৰ্ঘটনাটো নিশা প্ৰায় ২: ৩০ বজাত সংঘটিত হয়। বাছখনত চালক আৰু কণ্ডাক্টৰকে ধৰি মুঠ ৩২গৰাকী যাত্ৰী আছিল। ট্ৰাক ড্ৰাইভাৰগৰাকীৰো ঘটনাস্থলীতে মৃত্যু হৈছে। প্ৰাৰম্ভিক তদন্তত ট্ৰাক চালকৰ অবহেলা আৰু অতিৰিক্ত গতিৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি ধাৰণা কৰা হৈছে। কেইগৰাকীমান যাত্ৰীয়ে জুইৰ পৰা জঁপিয়াই ওলাই জীৱন ৰক্ষা কৰিবলৈ সক্ষম হৈছে। দুৰ্ঘটনাত আহত হোৱা ২০ৰো অধিক যাত্ৰীক নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। তেওঁলোকৰ ভিতৰত কেইবাগৰাকীৰো অৱস্থা গুৰুতৰ বুলি জনা গৈছে আৰু দুগৰাকীক উন্নত চিকিত্সাৰ বাবে বেংগালুৰুৰ চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। উদ্ধাৰ অভিযান এতিয়াও অব্যাহত আছে আৰু বাছৰ ভিতৰৰ পৰা অধিক মৃতদেহ উদ্ধাৰ হোৱাৰ সম্ভাৱনা আছে।

### আলোচনা চক্ৰ, জুবিন গাৰ্গৰ গীতৰ আধাৰত জিলাভিত্তিক সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ আয়োজন

# প্ৰথম বাৰ্ষিক শান্তিপুৰ ভোগালী মেলা-২০২৬ৰ লাইখুঁটা স্থাপন

### শান্তিপুৰ নৱোদয় যুৱ সংঘৰ উদ্যোগত ৮-১৪ জানুৱাৰীলৈ আড়ম্বৰপূৰ্ণভাৱে আয়োজনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৫ ডিচেম্বৰ ঃ** শান্তিপুৰ নৱোদয় যুৱ সংঘৰ উদ্যোগত সমূহ শান্তিপুৰবাসী তথা বৃহত্তৰ ৰূপাইবাসীৰ সহযোগত অহা ৮-১৪ জানুৱাৰীলৈ ইয়াৰ সমীপৰ ৰূপাই চাইডিং শান্তিপুৰস্থিত ৰূপাই হাইস্কুল খেলপথাৰত আয়োজন কৰা প্ৰথম বাৰ্ষিক ভোগালী মেলা -২০২৬ ৰ আজি ভকত বৈষ্ণৱৰ হৰিধ্বনি আৰু আয়তিসকলৰ উৰুলি তথা মাংগলিক ৰীতি-নীতিৰে লাইখুঁটা স্থাপন কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে সমাজসেৱক তথা ধৰ্মপৰায়ণ ব্যক্তি ধৰ্মেশ্বৰ বৰাই। লাইখুঁটা স্থাপন কৰে শান্তিপুৰ নামঘৰৰ সভাপতি তথা সমাজসেৱক মুকেশ দিহিঙ্গীয়াই। আশীৰ্বাদ প্ৰদান কৰে বিশিষ্ট সমাজসেৱকব্ৰজেন মহন্তই। উদযাপন সমিতিৰ সম্পাদক কনক চেতিয়াই আঁত ধৰা অনুষ্ঠানত ধৰ্মপৰায়ণ ব্যক্তি ধৰ্মেশ্বৰ বৰা, ব্ৰজেন মহন্ত, বিশিষ্ট নাট্যকৰ্মী জয়সূৰ্য বৰা(নন্টি), সাংস্কৃতিক কৰ্মী সাৰংগ নাথ(সঞ্জু), ৰাজীৱ শৰ্মা, ৰঞ্জন গগৈয়ে দুৱাষাৰ কয়। অনুষ্ঠানত সাংবাদিক ললিত তাঁতী, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডুমডুমা আঞ্চলিকৰ সচিব ৰাজীৱ বৰুৱা, জনপ্ৰিয় ইউটিউবাৰ ক্ৰমে - অচকাই অসম, অনুপ কাকপথাৰ, দেৱলতা ভলগৰ লগতে তিনি শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, ৭ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে শান্তিপুৰ নৱোদয় যুৱ সংঘৰ প্ৰাঙ্গণ/ৰূপাই হাইস্কুল খেলপথাৰত আয়োজন কৰা প্ৰথম বাৰ্ষিক ভোগালী মেলা-২০২৬ ৰ প্ৰথম দিনা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পিছত ভোগালী মেলাৰ পতাকা উত্তোলন কৰিব ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্তই। ১০বজাত বিপণীৰ দ্বাৰ মুকলি কৰিব ডুমডুমা সমজিলা আয়ুক্ত নুজহাৎ নাছৰিণে। আবেলি ২বজাত উন্নত মানদণ্ডৰ কৃষিজাত সামগ্ৰী উৎপাদন আৰু উপযুক্ত বজাৰ সম্পৰ্কীয় এক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। তিনিচুকীয়া জিলাৰ কৃষি বিভাগ আৰু কৃষকসকল উপস্থিত থাকিবলগীয়া উক্ত আলোচনা চক্ৰৰ আঁত ধৰিব পেঙেৰীৰ আদৰ্শ খেতিয়ক ধনীৰাম চেতিয়াই। সন্ধিয়া ৫বজাত জুবিন গাৰ্গৰ স্মৃতিত ২০০ গৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰিব। সন্ধিয়া ৭বজাত জুবিন গাৰ্গৰ গীতৰ আধাৰত তিনিচুকীয়া জিলাভিত্তিক সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৯ জানুৱাৰীৰ আবেলি ২বজাত ৰূপাই শতদল সাহিত্য সভাৰ দ্বাৰা গীত-মাত, কথা, কবিতা আদিৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া ৬বজাত 'গীত-মাতৰ এসন্ধ্যা' অনুষ্ঠানত স্থানীয় ৰূপাইৰিফ্লেকচন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব। ১০ জানুৱাৰীৰ আবেলি ২ বজাত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত জনগোষ্ঠীয় সাংস্কৃতিক নৃত্য প্ৰদৰ্শনী অনুষ্ঠানত অসমৰ জনপ্ৰিয় অভিনেতা, গায়ক নয়ন নীলিম উপস্থিত থাকিব। সন্ধিয়া ৮ বজাত গীতৰ শৰাই অনুষ্ঠানত বহুকেইগৰাকী উদীয়মান শিল্পীয়ে গীত পৰিৱেশন কৰিব। ১১ জানুৱাৰীৰ আবেলি ২ বজাত কুইজ প্ৰতিযোগিতা, সন্ধিয়া ৫ বজাত জনগোষ্ঠীয় সাজ-পাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৭ বজাৰ পৰা জনপ্ৰিয় কণ্ঠশিল্পী সৌৰভ হাজৰিকাৰ গীতৰ শৰাই অনুষ্ঠান অনুষ্ঠিত হ'ব। ১২ জানুৱাৰীৰ আবেলি ২ বজাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু ৪ বজাৰ পৰা তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ অন্তৰ্গত বিভিন্ন শাখাৰ মইনাসকলৰ দ্বাৰা পৰিৱেশিত মইনা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উদ্বোধন কৰিব "মইনা অসম কণ্ঠ -২০২৫" বিজয়ী চাওখুন গগৈয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব শিশুভাস্কৰ হেমন্তৰাজ মৰাণে। ১৪ জানুৱাৰীৰ পুৱা ৬ বজাত মেজিত অগ্নিসংযোগ কৰিব শান্তিপুৰ নামঘৰৰ নামঘৰীয়া জোনেশ্বৰ সোণোৱালে। পুৱা ৭ বজাৰ পৰা কুকুৰা যুঁজৰ লগতে ৯ বজাৰ পৰা বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। সন্ধিয়া ৮ বজাত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰিব ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা শ্ৰেষ্ঠা ভৰদ্বাজে। সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ অসমৰ জনপ্ৰিয় গায়িকা সুস্মিতা তৃষাৰ গীত শৰাই। লোকাচাৰ, সাহিত্য-সংস্কৃতি, গীত-মাত, আলোচনা চক্ৰ, খাদ্য-বস্ত্ৰৰ প্ৰদৰ্শনী, প্ৰতিযোগিতা আদিৰ বৰ্ণিল সমাহাৰৰে আড়ম্বৰপূৰ্ণভাৱে ৭ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা প্ৰথম বাৰ্ষিক ভোগালী মেলাৰ সমূহ কাৰ্যসূচীত সকলোৰে অংশগ্ৰহণ তথা উপস্থিতি উদযাপন সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে। যোগাযোগৰ নম্বৰ হৈছে - ৯৯৫৭৪২২৭৯০ আৰু ৮৭৬১৮৩০০১৫।



# চৰকাৰে খেৰণিৰ

খাকলাৰী শেহতীয়াকৈ কাৰ্বি আংলং খেৰণিত ঘটনাক অবাঞ্চিত অনাকাংক্ষিত বুলি ঘটনাক তীব্ৰ নিন্দা ও উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে কাৰ্বি ভূমিত কাৰ্বি লোকৰ বিৰুদ্ধে গ বেক ধ্বনি দিয়া বণিয়াৰ কাৰ্য সমৰ্থন কৰা নহব। কাৰ্বি আংলংৰ খিলঞ্জীয়া লোকে বিচৰা PGR aru VGR ৰ ভূমি বেদখল মুক্ত বিচৰা দাবীক খাকলাৰীয়ে সমৰ্থন কৰে যদিও CEMৰ ঘৰত অগ্নি সংযোগ কৰা ঘটনাক সমৰ্থন নকৰে বুলি প্ৰকাশ কৰে। চৰকাৰ আৰু প্ৰশাসনে ২২ ডিচেম্বৰৰ পূৰ্বেই আমৰণ অনশনত বহা লোকসকলৰ সৈতে আলোচনা মিলিত নোহোৱা ঘটনাকো সমৰ্থন নকৰে। তেওঁ কয় যে প্ৰতিবাদকাৰীক চৰকাৰে আস্থাত নল'লে, আমৰণ অনশনত বহালোকৰ সৈতেও চৰকাৰী আলোচনাত মিলিত নহ'ল। ইয়াক লৈও খাকলাৰীয়ে উদ্বেগ প্ৰকাশ কৰি কয় যে কাৰ্বি আংলংৰ চৰকাৰী ভূমি খালি কৰিবলৈ দাবী উত্থাপন কৰা দল-সংগঠনৰ সৈতে চৰকাৰে বহি আলোচনা কৰি বিষয়টো মীমাংসা কৰিব লাগে। কাৰ্বি ভূমিত বহিৰাগত বনিয়াই গৈ কাৰ্বি ভূমিত থাকি গৌ-বেক ধ্বনি দিব এয়া অত্যন্ত দুৰ্ভাগ্যজনক আৰু এয়া কেতিয়াও মানি লব নোৱাৰি বুলি কৈ খাকলাৰীয়ে আমি কাৰ্বি ৰাইজৰ সৈতে আছোঁ আৰু আগন্তুক প্ৰতিটো কাৰ্যত পূৰ্ণ সমৰ্থন আগবঢ়াই যোৱাৰ লগতে সক্ৰিয় বাবে অংশগ্ৰহণ কৰাৰ কথা প্ৰকাশ কৰে।

# নলবাৰীত বৰদিনৰ

আৰু বজৰং দলৰ সদস্য বুলি পৰিচয় দিয়া এটা দলে পানিগাঁও অঞ্চলৰ চেণ্ট মেৰীজ স্কুলত প্ৰৱেশ কৰি বৰদিনৰ সজ্জা ভাঙি-জৰি কৰাৰ লগতে জুই লগাই দিয়ে। ইয়াৰ উপৰি নলবাৰী চহৰৰ বিভিন্ন দোকানত বৰদিনৰ সামগ্ৰী জ্বলাই দিয়াৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, বুধবাৰে দুপুৰীয়া প্ৰায় ২৫-৩০ জনীয়া এটা দলে 'জয় শ্ৰী ৰাম' আৰু 'জয় হিন্দু ৰাষ্ট্ৰ' ধ্বনি দি বিদ্যালয় চৌহদত প্ৰৱেশ কৰে। তেওঁলোকে বিদ্যালয়ত বলপূৰ্বক ধৰ্মান্তৰকৰণ চলোৱা হৈছে বুলি অভিযোগ তুলি বৰদিনৰ বেনাৰ, পোষ্টাৰ, সজ্জাৰ সামগ্ৰী ভাঙি পেলোৱাৰ লগতে জুই লগাই দিয়ে। কিছু সূত্ৰই যীশু খ্ৰীষ্টৰ মূৰ্তি ওফৰাই পেলোৱাৰো অভিযোগ উত্থাপন কৰিছে। বিদ্যালয় কৰ্তৃপক্ষই বৰদিন উদযাপন নকৰিবলৈ সকীয়াই দিয়া বুলিও জানিব পৰা গৈছে। বিদ্যালয়ৰ পৰা ওলাই অহাৰ পিছত দলটোৱে নলবাৰী চহৰৰ জৈন মন্দিৰৰ ওচৰৰ দোকানসমূহত গৈ কেক, বেলুন আৰু অন্যান্য বৰদিনৰ সামগ্ৰী জ্বলাই দিয়ে। ভিএইচপি-বজৰং দলৰ জিলা সম্পাদক ভাস্কৰ ডেকাই সংবাদ মাধ্যমৰ আগত কয় যে, খ্ৰীষ্টান উৎসৱ ইয়াত নিবিচাৰো আৰু বিদেশী উৎসৱৰ সামগ্ৰীৰ ব্যৱসায় গ্ৰহণযোগ্য নহয়। কিন্তু ভাৰতীয় উৎসৱৰ সামগ্ৰীৰ ব্যৱসায় কৰিব পাৰি বুলি তেওঁ মন্তব্য কৰে। ঘটনাৰ সময়ত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী উপস্থিত নাছিল আৰু কোনো আহত হোৱাৰ খবৰ পোৱা নাই। খবৰ লাভ কৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# মাজুলী ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অসম ভিত্তিত প্ৰাইজমানি চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ডিচেম্বৰ ঃ** মাজুলীৰ প্ৰথম প্ৰণালীবদ্ধ কৰা ভাস্কৰ্যৰ শিক্ষানুষ্ঠান ৰূপ বৰণ চিত্ৰ কলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অহা ১০, ১১ জানুৱাৰী ২০২৬ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বহু ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি বৰ্তমান কমলাবাৰীৰ ব্লক তিনিআলিত স্থাপন কৰা বিদ্যালয়ৰ জৰিয়তে মাজুলীৰ ছাত্ৰ-ছাত্ৰীক থলুৱা শিল্পকলা আৰু ভাস্কৰ্য, চিত্ৰাংকন, কেনভাছ, গ্লাছ, ফেব্ৰিক ৰঙৰ শিক্ষা প্ৰদান কৰা হয়। বিদ্যালয় খনৰ ৰূপালী জয়ন্তী উৎসৱ উদযাপনৰ লগত সংগতি ৰাখি অহা ১১ জানুৱাৰী ২০২৬ তাৰিখে পুৱা ১০ বজাৰ পৰা মাজুলী মিলন সংঘৰ প্ৰাংগনত অসম ভিত্তিত প্ৰাইজমানি চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনিত মুঠ ৫০ হাজাৰ টকা নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ বাবে নিয়মাৱলী আজি প্ৰকাশ কৰা হয়। সেই অনুসৰি যিকোনো বিদ্যালয়ৰপৰা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰথমৰ পৰা দশম শ্ৰেণীলৈ), প্ৰতিযোগীয়ে নামভৰ্তি অহা ৭ জানুৱাৰী ২০২৬ৰ পূৰ্বে নিশ্চিত কৰিব লাগিব, প্ৰতিযোগী সকলে ৰং, তুলিকা নিজে লগত লৈ আনিব লাগিব। (কাগজ, পেঞ্চিল, ৰাবাৰ আদি যোগান ধৰা হ'ব), প্ৰৱেশ পত্ৰ লাভ কৰা প্ৰতিযোগীয়েহে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব, প্ৰতিযোগিতা ক শাখা-প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীলৈ, খ শাখা- ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ, ক শাখাত নামভৰ্তি মাচুল ১০০ টকা, খ শাখাত ২০০ টকা, অংশগ্ৰহণ কৰা সকলো প্ৰতিযোগীক মান-পত্ৰ প্ৰদান কৰা হ'ব। বিজয়ী সকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। প্ৰয়োজন অনুসৰি অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ লগত এগৰাকী অভিভাৱকৰ থকাৰ ব্যৱস্থা উদযাপন সমিতিয়ে কৰিব। প্ৰতিযোগিতাৰ বিষয় ঃ ক শাখাৰ বাবে "সোণোৱালী গাঁৱৰ ৰূপোৱালি নদী; এখন গাঁৱৰ দৃশ্য"। খ শাখাৰ বাবে - "মোৰ মন যায়...", প্ৰতিযোগিতাৰ সময় ১ ঘণ্টাৰ দিয়া হ'ব, বিচাৰকে দিয়া সিদ্ধান্তই চূড়ান্ত হ'ব। ইচ্ছুক প্ৰতিযোগীয়ে ৮৪৭৪৮৪১৯০৩, ৬০০০১৪০৮৫৭ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। এক প্ৰেছ বিজ্ঞপ্তি যোগে প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি পংকজ দত্ত, সম্পাদক প্ৰাঞ্জল শইকীয়াই জানিবলৈ দিয়ে।

বাংলাদেশ চৰকাৰৰ ব্যৰ্থ উপদেষ্টা ড° মহম্মদ ইউনুছৰ পুত্তলিকা দাহ

# বাংলাদেশত হিন্দু যুৱকৰ হত্যাকাণ্ডক লৈ প্ৰতিবাদী সমদলেৰে উত্তাল দুধনৈ




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৫ ডিচেম্বৰ ঃ** বাংলাদেশত হিন্দু যুৱকৰ নৃশংস হত্যাকাণ্ডৰ বিৰুদ্ধে আজি বিশ্ব হিন্দু পৰিষদ, বজৰং দল গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত আৰু দুধনৈবাসী হিন্দু সমাজৰ সহযোগত আজি বাংলাদেশৰ ব্যৰ্থ ইউনুচ চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচীৰে উত্তাল হয় দুধনৈৰ ৰাজপথ। উল্লেখ্য যে বাংলাদেশৰ মৈমনসিং জিলাত বৃহস্পতিবাৰে বৰ্বৰতাৰ সকলো সীমা চেৰাই বাংলাদেশী মৌলবাদীয়ে অতি নৃশংসতাৰে ৩০ বছৰীয়া শ্ৰমিক যুৱক দিপু চন্দ্ৰ দাসক নৃশংস ভাবে হত্যা কৰা কৰিছিল। দিপু দাসক হত্যা কৰি এজোপা গছক বান্ধি ওলোমাই লৈ জুই লগাই দি আসুৰিক উল্লাস কৰিছিল মৌলবাদী সংগঠন সমূহে। ইয়াতো ক্ষান্ত নাথাকি দিপু চন্দ্ৰ দাসৰ মৃতদেহ পথত চোচৰাই লৈ ফুৰিছিল। এনে অমানুষিক বৰ্বৰতাৰ প্ৰতিবাদ কল্পে দুয়োটা সংগঠনে দুধনৈ হিন্দু সমাজৰ সহযোগত হাতে হাতে প্লেকাৰ্ড লৈ দুধনৈ জনমন্দিৰৰ পৰা প্ৰতিবাদী সমদল বাহিৰ কৰে। প্ৰতিবাদী সকলে "বাংলাদেশত হিন্দু সমাজৰ ওপৰত নিৰ্যাতন কৰা নচলিব", "মঃ ইউনুছ মুৰ্দাবাদ", "দিপু চন্দ্ৰ দাসক ন্যায় দিয়ক", "বাংলাদেশ চৰকাৰ হুচিয়াৰ", "হিন্দুৰ ওপৰত অত্যাচাৰ নচলিব" আদি শ্লোগানেৰে দুধনৈ চহৰ উত্তাল কৰি তোলে। সংগঠন দুয়োটাই বাংলাদেশ চৰকাৰৰ বিৰুদ্ধে ধিক্কাৰ জনাই দুধনৈ চহৰৰ মাজেৰে ১৭নং ৰাষ্ট্ৰীয় ঘাই পথেৰে আহি দুধনৈ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত বাংলাদেশ চৰকাৰৰ উপদেষ্টা মহম্মদ ইউনুছৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আজিৰ প্ৰতিবাদী সমদলত গোৱালপাৰা জিলা বিশ্ব হিন্দু পৰিষদৰ উপদেষ্টা আৰু সভাপতি ক্ৰমে উপেন দাস, বিনয় কুমাৰ দাস, গোৱালপাৰা জিলা বজৰং দলৰ জিলা সংযোজক জিতুল কুৰ্মী, জিলা আৰ এছ এছৰ জিলা ব্যৱস্থা প্ৰমুখ, বজৰং কৰ্মী সকল আৰু দুৰ্গা বাহিনীৰ কৰ্মী সকল উপস্থিত থাকে।

# অৰণ্য মানৱ যাদৱ পায়েঙৰ জীৱন আধাৰিত 'সেউজীয়া শিপা' উপন্যাসৰ বাবে অংকুৰণ আৰ্ফেলৈ যুৱ লেখক সন্মান

**অসম বাৰ্তা, আমগুৰি, ২৫ ডিচেম্বৰ ঃ** অসমীয়া ভাষাৰ সৃষ্টিশীল সাহিত্য জগতখনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা যুৱ সাহিত্যিক সকলক উৎসাহিত কৰাৰ লক্ষ্যৰে অসম চৰকাৰে প্ৰদান কৰা "যুৱ লেখক সন্মান" এইবাৰ লাভ কৰিছে অসমৰ জনপ্ৰিয় কবি, ঔপন্যাসিক আৰু প্ৰবন্ধকাৰ অংকুৰণ আৰ্ফেয়ে। অৰণ্যমানৱ যাদৱ পায়েঙৰ জীৱন আৰু কৰ্ম আধাৰিত তেওঁৰ ৰচিত উপন্যাস 'সেউজীয়া শিপা'ৰ বাবে এই সন্মান অংকুৰণক প্ৰদান কৰা হৈছে। ইতিপূৰ্বে আৰ্ফেয়ে ২০২১ চনত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰদান কৰা "লেখক সম্বৰ্ধনা" লাভ কৰিবলৈ সক্ষম হৈছিল। অসমীয়া সাহিত্য ক্ষেত্ৰলৈ সুদীৰ্ঘকাল অৱদান আগবঢ়াই যোৱা যুৱ লেখক আৰ্ফেয়ে ৰাজ্যিক পৰ্যায়ৰ একাধিক গুৰুত্বপূৰ্ণ বঁটাও ইতিমধ্যে লাভ কৰিছে। অংকুৰণ আৰ্ফেৰ এই সফলতাৰত শিৱসাগৰ জিলা সাহিত্য সভা, শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ লগতে বিভিন্ন সাহিত্যিক আৰু সামাজিক সংগঠনে অভিনন্দন জ্ঞাপন কৰিছে। জানিব পৰা মতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৪ ডিচেম্বৰ তাৰিখে অন্যান্য যুৱ লেখকসকলৰ সৈতে অংকুৰণ আৰ্ফেক এই সন্মান প্ৰদান কৰিব। গুৱাহাটীৰ খানাপাৰস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থমেলাৰ বাকৰিত ৰাজহুৱাভাৱে "যুৱ লেখক সন্মান" প্ৰদান কৰা হ'ব। যুৱ লেখক অংকুৰণ আৰ্ফেৰ এই সাফল্যাই অঞ্চলটোৰ বৌদ্ধিক সমাজক আনন্দিত আৰু উৎফুল্ল কৰিছে।

# বাহনা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ জলজীৱন সম্পৰ্কত আলোচনা চক্ৰ সম্পন্ন

**অসম বাৰ্তা, নিমাতীঘাট, ২৫ ডিচেম্বৰ ঃ** আজি ২৩ ডিচেম্বৰ তাৰিখত বাহনা মহাবিদ্যালয়ত ইণ্ডিয়ান কাউন্সিল অৱ চচিয়েল চাইঞ্চ ৰিৰ্চাছৰ Indian Council of Social science Researchৰ অনুমোদনপ্ৰাপ্ত এটা গৱেষণা প্ৰকল্পৰ আধাৰত ৰাজ্যিক পৰ্য্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনাৰ মূল বিষয়বস্তু আছিল - গ্ৰাম্য অঞ্চলত জলজীৱন মিচনৰ প্ৰভাৱ আৰু মহিলা সবলীকৰণ সম্পৰ্কত। উক্ত আলোচনা চক্ৰখন উদ্বোধন কৰে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বলিন হাজৰিকাই আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থকাৰ লগতে মূল কাৰিকৰী সত্ৰ পৰিচালনা কৰে টীয়ক চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড বিনয়ব্ৰত ৰাজখুৱাই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই আদৰণি ভাষণ আগবঢ়োৱা আৰু প্ৰকল্প সমন্বয়ক ড° মৃদুল দত্তই আলোচনা চক্ৰ খনৰ বিষয় বস্তু সামৰি উদ্দেশ্য ব্যাখ্যা আগবঢ়ায়। জলজীৱন অভিযানৰ লগত জড়িত হৈ থকা সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই শুভেচ্ছা মূলক বক্তব্য আগবঢ়োৱা আলোচনা চক্ৰত ৮ গৰাকী অধ্যাপক অধ্যাপিকাই গৱেষণা পত্ৰ উপস্থাপন কৰাৰ লগতে বাহনা মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ লগতে ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়, বাহনা উচ্চ ইংৰাজী বিদ্যালয়, বাহনা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ ২০গৰাকী ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই আলোচনা চক্ৰ খনি ভালদৰে পৰিচালনা কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা সকলৰ লগতে বিশেষ ভাবে প্ৰকল্প সহযোগী অধ্যাপিকা ড° মুনমী বৰা আৰু ড° ডিম্পল পাঠকে সহায় আগবঢ়ায়।

৮ টাকৈ বাসগৃহ ভাঙি লণ্ড-ভণ্ড

# পেঙেৰীত বন্যহস্তীৰ উদ্ৰৱৰ অব্যাহত

**অসম বাৰ্তা, বৰডুমচা, ২৫ ডিচেম্বৰ ঃ** পেঙেৰীত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত আছে। যোৱা নিশা পেঙেৰীৰ লালমাটিত এটা বন্য হস্তীৰ জাকে তাণ্ডৱ চলায়। বন্যহস্তীৰ উপদ্ৰৱত এতিয়া ত্ৰাহি মধুসুধন দেখিছে পেঙেৰীৰ লালমাটি-নতুনমাটি গাঁৱৰ ৰাইজে। নিশা হ'লেই বন্যহস্তীৰ আক্ৰমণৰ ভয়ত বিনিদ্ৰ ৰজনী পাৰ কৰিবলগীয়াত পৰিছে অঞ্চলবাসীয়ে। যোৱা নিশা উক্ত অঞ্চলত এটা বৃহৎ বন্য হস্তীৰ জাকে ৮ টাকৈ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰে। বন্যহস্তীৰ আক্ৰমণৰ বিষয়ে জানিব পাৰি উক্ত স্থানত বন বিভাগৰ লোক উপস্থিত হয়। বন্যহস্তীৰ জাকটোক অঞ্চলটো পৰা খেদি পঠিয়াবলৈ বন বিভাগৰ লোকে ১৫ জাই ৰাবাৰ বুলেট নিক্ষেপ কৰা লগতে ২৬ পেকেট ফটকা বোমা ফুটুৱাবলগীয়া হয়। বন্যহস্তীৰ জাকটোৱে পাৰচ মালাবাৰ, চমৰচাই কোৱঁৰ, চৰ্মিলা চাহু, চাগিৰ আনচাৰি, দচুৰ গোৱালা আৰু বাবালা মাহাৰাৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰে। ভুক্তভোগী তথা স্থানীয় সচেতন মহলে বন্যহস্তীৰ এনে উপদ্ৰৱ ৰোধৰ বাবে শক্তিশালী আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ আৰু বন বিভাগক দাবী জনাইছে।

পুথিভঁৰালে জ্ঞান, কৌতূহল আৰু সৃষ্টিশীলতাৰ প্ৰেৰণা যোগায়-ভূৰবন্ধাৰ শিক্ষা খণ্ডৰ বিষয়া ৰবীন্দ্ৰ কুমাৰ পাঠক

# ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ প্ৰয়াস

## মৰিগাঁৱৰ পূব বৰঙাবাৰী প্ৰাথমিক বিদ্যালয়ত "জ্ঞানম" পুথিভঁৰাল উদ্বোধন

**ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ২৫ ডিচেম্বৰ ঃ** ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়াত নৱ প্ৰজন্মৰ অধিক ব্যস্ত হৈ গ্ৰন্থ অধ্যয়নৰ প্ৰতি অনিহা প্ৰকাশ কৰাৰ সময়তে গ্ৰন্থ অধ্যয়নৰ প্ৰতি নৱ প্ৰজন্মক আগ্ৰহী কৰি তুলিবলৈ এক ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰিছে মৰিগাঁৱৰ এখন বিদ্যালয়ে। মৰিগাঁও জিলাৰ ভূৰবন্ধা শিক্ষা খণ্ডৰ অন্তৰ্গত পূব বৰঙাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক খগেন বৰাই ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়নৰ প্ৰতি আগ্ৰহী আৰু এখন সুস্থ সমাজ গঢ়াৰ লক্ষ্যই বিদ্যালয়ত স্থাপন কৰিছে "জ্ঞানম" নামৰ এটা পুথিভঁৰাল। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা যোগান ধৰা গ্ৰন্থ আৰু নিজা প্ৰচেষ্টাৰে সংগৃহীত গ্ৰন্থৰ জৰিয়তে গল্প, সাধু, উপন্যাস, ভ্ৰমণৰ কাহিনী আদি কৰি আঠ শতাধিক গ্ৰন্থৰ সংগ্ৰহৰে আৰম্ভ কৰিছে পুথিভঁৰালটো। আজি বিদ্যালয় খনৰ পুথিভঁৰালটোৰ লগতে প্ৰাচীৰ পত্ৰিকাখন শুভ উদ্বোধন কৰে ভূৰবন্ধা শিক্ষা খণ্ডৰ বিষয়া ৰবীন্দ্ৰ কুমাৰ পাঠকে। তেওঁ কয় এখন প্ৰাথমিক বিদ্যালয়ত এনেধৰণৰ পুথিভঁৰাল স্থাপন কৰাটো অতিকৈ বিৰল। ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়াত নৱ প্ৰজন্মৰ অধিক ব্যস্ত হৈ পৰাৰ বাবে গ্ৰন্থ অধ্যয়নৰ প্ৰতি অৱহেলা বাঢ়িছে। ছ'চিয়েল মিডিয়াই উপৰুৱা জ্ঞানৰ প্ৰতি আকৰ্ষিত কৰি বাস্তৱ জগতৰ পৰা বিচ্ছিন্ন কৰে। কিন্তু গ্ৰন্থই গভীৰ জ্ঞান অৰ্জন কৰি সুস্থ বাতাবৰণ সৃষ্টি কৰে। পুথিভঁৰালে জ্ঞান, কৌতূহল আৰু সৃষ্টিশীলতাৰ প্ৰেৰণা যোগায় বুলি উল্লেখ কৰি পূব বৰঙাবাৰী প্ৰাথমিক বিদ্যালয়ে গ্ৰহণ কৰা পদক্ষেপক শিক্ষা বিষয়া গৰাকীয়ে শলাগ লৈ অন্য বিদ্যালয়ৰ বাবে আদৰ্শ হৈ পৰিব বুলি মন্তব্য কৰে। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সম্পাদক জিতুমনি নাথে বিদ্যালয়খনৰ হাতে লিখা আলোচনী খনৰ তৃতীয় সংস্কৰণটো উন্মোচন কৰা অনুষ্ঠানটোত বিদ্যালয়খনৰ প্ৰধান শিক্ষক খগেন বৰা, সহকাৰী শিক্ষক ভবানন্দ পাটৰ, পৰাগ প্ৰতিম কাশ্যপ, সাংবাদিক দিপাংক নাথ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰক্তিম কুমাৰ বৰা, উপ-সভানেত্ৰী বিনিতা বৰা, মাতৃ গোটৰ সভানেত্ৰী মল্লিকা মহন্ত, সম্পাদিকা ৰঞ্জু বৰাকে আদি কৰি ভালে সংখ্যক অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।

# ধুবুৰীত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৩১ তম্ অসম প্ৰদেশৰ ৰাজ্যিক অধিৱেশন

**অসম বাৰ্তা, ধুবুৰী, ২৫ ডিচেম্বৰ ঃ** মানৱ নিৰ্মাণৰ কৰ্মশালা হৈছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ: ৰাজ্যিক সভানেত্ৰী, এ.ভি.বি.পি আজিৰে পৰা তিনিদিনীয়া কাৰ্য্যসূচীৰে ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পদ্মশ্ৰী প্ৰতিমা পাণ্ডে বৰুৱা ক্ষেত্ৰত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৩১ তম ৰাজ্যিক অধিবেশন পালন কৰে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা ধুবুৰীৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মুখ্য অতিথি হিচাপে উপস্থিত থাকি এ.ভি.বি.পিৰ গীত উদ্বোধন কৰে। ভাষণত মন্ত্ৰী গৰাকীয়ে এ.ভি.বি.পি সম্পৰ্কীয় বিভিন্ন ধৰণৰ দিহা পৰামৰ্শ আগবঢ়োৱা পৰিলক্ষিত হয়। অসমৰ বিভিন্ন জিলাৰ পৰা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰতিনিধি তথা কাৰ্যকৰ্তা সকলে উপস্থিত থকা পৰিলক্ষিত হৈছে। আজিৰ পৰা আৰম্ভ হোৱা উক্ত কাৰ্য্যসূচিত এ.ভি.বি.পিৰ ৰাষ্ট্ৰীয় সম্পাদক আদিত্য তাকীয়াৰ লগতে উপস্থিত থাকে এ.ভি.বি.পিৰ ৰাজ্যিক সভানেত্ৰী ৰীতা মনি বশ্য, ৰাজ্যিক সম্পাদক মানস প্ৰতিম কলিতা, অসম ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱা।

# সৰ্বভাৰতীয় আন্তঃবিশ্ববিদ্যালয় জলক্ৰীড়া প্ৰতিযোগিতাত অসমৰ সাঁতোৰ খেলুৱৈৰ সাফল্য

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৫ ডিচেম্বৰ ঃ** চেন্নাইৰ এছ আৰ এম বিশ্ববিদ্যালয়ত ১৮ৰ পৰা ২৩ ডিচেম্বৰ ২০২৫লৈ অনুষ্ঠিত অখিল ভাৰতীয় আন্তঃবিশ্ববিদ্যালয় জলক্ৰীড়া প্ৰতিযোগিতা ২০২৫-২৬ত চণ্ডীগড় বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰি অংশগ্ৰহণ কৰা অসমৰ দুগৰাকী প্ৰতিভাৱান সাঁতোৰ খেলুৱৈয়ে দৃষ্টিনন্দন প্ৰদৰ্শনেৰে মুঠ ১১টা পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। অসম সাঁতোৰ সংস্থা প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে সংবাদ মাধ্যমক গুৱাহাটীত জানিবলৈ দিয়া মতে জাহ্নবী কাশ্যপে প্ৰতিযোগিতাখনত অসাধাৰণ কৃতিত্ব দেখুৱাই ৭টা পদক অৰ্জন কৰে। খেলুৱৈ গৰাকীয়ে ১০০ মিটাৰ ফ্ৰীষ্টাইল, ২০০ মিটাৰ ফ্ৰীষ্টাইল, ৪x১০০ মিটাৰ ফ্ৰীষ্টাইল ৰিলে আৰু ৪x১০০ মিটাৰ মেডলে ৰিলেত সোণৰ পদক লাভ কৰে। ইয়াৰ লগতে ১০০ মিটাৰ বাটাৰফ্লাই, ৫০ মিটাৰ ফ্ৰীষ্টাইল আৰু ৪x১০০ মিটাৰ মি'ড মেডলে ৰিলেত ৰূপৰ পদক দখল কৰে। আনহাতে জনঞ্জয় জ্যোতি হাজৰিকাই উৎকৃষ্ট প্ৰদৰ্শনেৰে ৪টা পদক লাভ কৰে। তেখেতে ৫০ মিটাৰ বাটাৰফ্লাই আৰু ১০০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক, ৪x১০০ মিটাৰ মি'ড ফ্ৰীষ্টাইল ৰিলেত সোণৰ পদক আৰু ৪x১০০ মিটাৰ মেডলে ৰিলেত ব্ৰঞ্জৰ পদক লাভ কৰে। সমগ্ৰ প্ৰতিযোগিতাখনত অসমৰ সাঁতোৰ খেলুৱৈয়ে মুঠ ৫টা সোণ, ৫টা ৰূপ আৰু ১টা ব্ৰঞ্জ পদক লাভ কৰিবলৈ সক্ষম হয়। অসম সাঁতোৰ সংস্থা সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে দুয়ো গৰকী খেলুৱৈকে উৎকৃষ্ট মানৰ প্ৰদৰ্শনৰ বাবে উষ্ম অভিনন্দন জ্ঞাপন কৰে।

## ১ নং হাতীঘুলি সমল কেন্দ্ৰৰ উদ্যোগত আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ সহযোগ

# জাঁজী মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ত ৰাইজৰ উৎসৱ পালন

**অসম বাৰ্তা, জাঁজী, ২৫ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ১ নং হাতীঘুলি সমল কেন্দ্ৰৰ উদ্যোগত আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ সহযোগত যোৱা ২৩ ডিচেম্বৰত জাঁজী মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ত ৰাইজৰ উৎসৱ পালন কৰা হয়। পুৱা সমল কেন্দ্ৰটোৰ অন্তৰ্গত ৯খন বিদ্যালয়ৰ পতাকা সমূহ উত্তোলন কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি সকলে। আনহাতে স্মৃতি তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছতেই এটি বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাটো উদ্বোধন কৰে মাজনৰা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক গোবিন্দ শইকীয়াই। আনহাতে দুপৰীয়া জাঁজী মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অশোক দত্তৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভাত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ননী ৰাজখুৱাই নিৰ্দিষ্ট বক্তা হিচাবে ভাষণ প্ৰদান কৰে। ১ নং




হাতীঘুলি সমল কেন্দ্ৰৰ মণ্ডল কেন্দ্ৰ সমন্বয়ক দিগন্ত গগৈয়ে উদ্দেশ্য ব্যাখা কৰা আৰু জাঁজী মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবীন গায়নে আদৰণী জনোৱা সভাত জাঁজী প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্ত বিশিষ্ট অতিথি হিচাবে ভাষণ দিয়ে। সভাত জাঁজী মৰাণছিগা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় নিৰু বড়া দত্ত, যোগেন দত্ত সমাজকৰ্মী অনিল বৰুৱা আৰু দিলীপ দত্ত উপস্থিত থাকে। ৰাইজৰ উৎসৱ উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু অভিভাৱকৰ মাজত চকী খেল অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সমল কেন্দ্ৰটোৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে গীত, নৃত্য পৰিৱেশন কৰে।

জুবিন গাৰ্গ উদ্যানত বাংলাদেশৰ ৰাষ্ট্ৰপতিৰ পুত্তলিকা দাহ

# বঙাইগাঁৱত গৰজি উঠিল বিশ্ব হিন্দু পৰিষদ-বজৰং দল




**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৫ ডিচেম্বৰ ঃ** চুবুৰীয়া দেশ বাংলাদেশত সংখ্যালঘু হিন্দু ধৰ্মাৱলম্বী লোকৰ ওপৰত চলোৱা বৰ্বৰ নিৰ্যাতন আৰু নৃশংস হত্যাকাণ্ডৰ প্ৰতিবাদত আজি বঙাইগাঁও চহৰৰ জুবিন গাৰ্গ উদ্যানত এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলৰ যুটীয়া উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিবাদকাৰীসকলে বাংলাদেশ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে। প্ৰতিবাদকাৰীসকলে যোৱা ১৮ ডিচেম্বৰত বাংলাদেশত এজন সংখ্যালঘু হিন্দু ব্যক্তিক যিদৰে নিৰ্মমভাৱে হত্যা কৰা হ'ল, তাক মানৱতাৰ চৰম অপমান বুলি আখ্যা দিয়ে। এই হত্যাকাণ্ডৰ প্ৰতিবাদত সংগঠন দুটাৰ কৰ্মীসকলে জুবিন গাৰ্গ উদ্যানৰ সমীপত বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ চাহবুদ্দিনৰ পুত্তলিকা দাহ কৰে। প্ৰতিবাদস্থলীত উপস্থিত থকা নেতৃবৃন্দই কয় যে বাংলাদেশত হিন্দুসকলৰ জীৱন আৰু সম্পত্তি সুৰক্ষিত নহয়। তেওঁলোকে ভাৰত চৰকাৰ তথা আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহক এই বিষয়ত হস্তক্ষেপ কৰি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায়। প্ৰতিবাদকাৰীৰ শ্ল'গানত আজি বঙাইগাঁও চহৰৰ আকাশ-বতাহ কঁপি উঠে।

# বিটিচিৰ পাৰিষদ কৰ্মেশ্বৰ ৰায়ক সম্বৰ্ধনা দোতমা আঞ্চলিক আক্ৰাছু আৰু মহিলা সমিতিৰ

**অসম বাৰ্তা, দোতমা, ২৫ ডিচেম্বৰ ঃ** আজি দোতমা আঞ্চলিক আক্ৰাছু আৰু কোচ ৰাজবংশী মহিলা সমিতিৰ তৰফৰ পৰা বিটিচিৰ পাৰিষদ কৰ্মেশ্বৰ ৰায়ক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানৰ পৰাই আঞ্চলিকখনৰ বিভিন্ন মেল-মিটিংৰ সুবিধাৰ্থে কম দিনৰ ভিতৰতে ১০ লাখ টকা ব্যয়সাপেক্ষ কমিউনিটি হ'ল প্ৰদান কৰাৰ ঘোষণা কৰে পাৰিষদ কৰ্মেশ্বৰ ৰায়ে। বিটিচিত কোচ ৰাজবংশী জনগোষ্ঠীৰ পৰা কৰ্মেশ্বৰ ৰায়ক মনোনীত পাৰিষদ হিচাপে পাই দোতমা আঞ্চলিক আক্ৰাছু আৰু মহিলা সমিতিৰ লগতে আঞ্চলিকখনৰ ৰাইজ আনন্দত উৎফুল্ল হোৱা পৰিলক্ষিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে বিটিচি'ৰ পাৰিষদ কৰ্মেশ্বৰ ৰায়, আক্ৰাছু'ৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক সন্মানীয় গীৰেন ৰায়, বিশিষ্ট সমাজ সেৱক ৰূপম ৰায় ডাঙৰীয়া, ইউথ বিপিএফ'ৰ সম্পাদক অলোক ৰায়, বিশিষ্ট সমাজসেৱক ত্ৰিনাথ ৰায়, যুৱ সমাজসেৱক বৃন্দাবন ৰায়ৰ লগতে স্থানীয় বিশিষ্ট ব্যক্তিসকল।

# জাঁজীপৰীয়া শিল্পী সমাজৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ২৫ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলত সৰু বৰ বিভিন্ন কাৰ্যসূচীৰে পৰিচিতি লাভ কৰা অনুষ্ঠান জাঁজীপৰীয়া শিল্পী সমাজে অসমত সূৰ্যকণ্ঠ, লুইতকণ্ঠ আদি নামেৰে পৰিচিত যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব সদ্য প্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰি অহা ২৮ ডিচেম্বৰত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰিছে। যোৰহাটৰ ক্ৰিষ্টেল ডাইগ্ন'চিচ্ এণ্ড ৰিচাৰ্চ চেণ্টাৰ আৰু অৰ্ণদা চ'চিঅ'-ইকনমিক হেল্‌থ এচ'চিয়েশ্যনৰ সহযোগত আয়োজন কৰা বিনামূলীয়া চিকিৎসা শিবিৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰসিদ্ধ কেঞ্চাৰ ৰোগ বিশেষজ্ঞ ডাঃ যদুনাথ বুঢ়াগোহাঁই, লেপৰোস্কপি চাৰ্জন ডাঃ চন্দ্ৰ বৰা আদিকে ধৰি কেইবাজনো বিশিষ্ট চিকিৎসকৰ লগতে এটা ৰোগ পৰীক্ষাগাৰ দল উপস্থিত থাকিব। শিবিৰৰ যোগেদি বৃহত্তৰ চেলেংহাট অঞ্চলৰ ৰাইজ উপকৃত হ'ব বুলি ধাৰণা কৰি সমূহ অঞ্চলবাসী ৰাইজৰ সহযোগিতা একান্তই কামনা কৰিছে উদ্যোক্তাসকলে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন